৬ষ্ঠ বৰ্ষ, ৬ষ্ঠ সংখ্যা

১৬-৩০ ছেপ্টেম্বৰ, ২০২৫

বিনামূলীয়া বিতৰণৰ বাবে

# নিউ ইণ্ডিয়া সমাচাৰ

Pradhan Mantri Jan Arogya Yojana

Ayushman Bharat

PM-JAY

## আয়ুষ্মান ভৱৰে গুঞ্জৰিত ৰাষ্ট্ৰ

আয়ুষ্মান ভাৰত যোজনাই বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ দিশত স্বাস্থ্য বিপ্লৱৰ সূচনা কৰিছে, ই সৰ্বাংগীণ আৰু সাৰ্বজনীন স্বাস্থ্যসেৱাৰ এক বিশ্বব্যাপী আৰ্হিৰ সৃষ্টি কৰিছে য'ত ৰাষ্ট্ৰই স্বাভাৱিকতে কৈছে- আয়ুষ্মান ভৱ





For e-copy



# এটাই মন্ত্ৰ: ‘ভোকেল ফৰ লোকেল’ এটাই পথ: ‘আত্মনিৰ্ভৰ ভাৰত’

‘মন কী বাত’ কাৰ্যসূচীৰ জৰিয়তে দেশৰ চুকে-কোণে থকা প্ৰতিটো বয়সৰ লোকক সংযোগ কৰা হৈছে। বেটি বচাও, বেটি পঢ়াও অভিযান হওক বা স্বচ্ছ ভাৰত অভিযান, খাদী বা প্ৰকৃতিৰ প্ৰতি প্ৰেম হওক, আজাদী কা অমৃত মহোৎসৱ হওক বা অমৃত সৰোবৰৰ বক্তৃতা হওক, প্ৰধানমন্ত্ৰীয়ে ‘মন কী বাত’ত যি আহ্বান জনাইছে, সেয়া গণ আন্দোলনলৈ পৰিণত হৈছে। এই উদ্যমেৰেই প্ৰধানমন্ত্ৰী মোদীয়ে আত্মনিৰ্ভৰশীলতাৰ পথেৰে বিকশিত ভাৰতৰ লক্ষ্যৰ দিশে আগবাঢ়ি যোৱাৰ সময়ত ভোকেল ফৰ লোকেল মন্ত্ৰটিৰ উল্লেখ কৰিছে। আগবঢ়োৱা হৈছে মন কী বাত ৰ পৰা কিছু সম্পাদিত উদ্ধৃতি..

- **এনডিআৰএফ-এছডিআৰএফঃ** প্ৰাকৃতিক দুৰ্যোগসমূহে বাৰিষা কালৰ সময়ত দেশখনৰ পৰীক্ষা লয়। কিন্তু য'তেই বিপৰ্যয় হৈছে তাতেই আমাৰ এনডিআৰএফ-এছডিআৰএফৰ জোৱান আৰু অন্যান্য নিৰাপত্তা বাহিনীয়ে দিনে-নিশাই কাম কৰি জীৱন ৰক্ষা কৰে।

- **দুৰ্যোগৰ সময়ত সহায় কৰাৰ বাবে আন্তৰিক ধন্যবাদ:** দুৰ্যোগৰ সময়ত সহায় কৰিবলৈ আগবাঢ়ি আহিল সেনাসকল। এই সংকটৰ সময়ত স্থানীয় ৰাইজ, সমাজকৰ্মী, চিকিৎসক, প্ৰশাসন, আৰু সকলোৰে যৎপৰোনাস্তি চেষ্টা চলালে। এই পৰীক্ষাৰ সময়ত মানৱতাক সকলোতকৈ উচ্চ আসনত ৰাখি কাম কৰা প্ৰতিজন নাগৰিকলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

- **মোৰ দেশ সলনি হৈছে:** জম্মু-কাশ্মীৰৰ পুলৱামাৰ এখন ষ্টেডিয়ামত অভিলেখ সংখ্যক লোক একেলগে সমবেত হয়। পুলৱামাৰ প্ৰথম দিবা—নৈশ ক্ৰিকেট খেল ইয়াতেই অনুষ্ঠিত হৈছিল। আগতে এইটো অসম্ভৱ আছিল যদিও এতিয়া মোৰ দেশ সলনি হৈছে। পুলৱামাত নিশা ক্ৰিকেট খেল চাবলৈ অহা হাজাৰ হাজাৰ লোকৰ দৃশ্য সঁচাকৈয়ে উপভোগ্য আছিল।

- **যিজনে খেলে, তেওঁ প্ৰস্ফুটিত হয়:** ‘এক ভাৰত-শ্ৰেষ্ঠ ভাৰত’ৰ অনুভূতি, দেশৰ ঐক্য, দেশৰ উন্নয়নৰ বাবে অতি গুৰুত্বপূৰ্ণ আৰু ক্ৰীড়াই নিশ্চিতভাৱে এইক্ষেত্ৰত ডাঙৰ ভূমিকা পালন কৰে। সেইবাবেই মই কওঁ যে যিজনে খেলে তেওঁ প্ৰস্ফুটিত হয়। আমাৰ দেশখনে যিমানেই টুৰ্ণামেণ্ট খেলিব সিমানেই উজলি উঠিব।

- **যুৱক-যুৱতীসকলৰ ডাটাবেংকঃ** ‘প্ৰতিভা সেতু’ নামৰ এটা ডিজিটেল প্লেটফৰ্ম তৈয়াৰ কৰা হৈছে, য'ত ইউপিএছচি পৰীক্ষাৰ চূড়ান্ত মেধা তালিকাত স্থান লাভ কৰিব নোৱাৰা ১০ হাজাৰো অধিক প্ৰতিভাৱান যুৱক-যুৱতীৰ তথ্যসমূহ মজুত আছে।

- **সৌৰশক্তি চালিত ধানবনা কলঃ** সৌৰশক্তিয়েও কৃষকৰ জীৱন সলনি কৰিছে। একেই পথাৰ, একে কষ্ট, একেই খেতিয়ক, কিন্তু এতিয়া কষ্টৰ ফল বহুত বেছি। এই পৰিৱৰ্তন আহিছে সৌৰ পাম্প আৰু সৌৰ ধানবনা কলৰ পৰা। আজি দেশৰ বহু ৰাজ্যত শ শ সৌৰ ধানবনা কল স্থাপন কৰা হৈছে। এই সৌৰ ধানবনা কলসমূহে কৃষকৰ উপাৰ্জনৰ লগতে তেওঁলোকৰ মুখৰ উজ্জ্বলতাও বৃদ্ধি কৰিছে।

- **বিশ্বকৰ্মা ভাতৃসকল:** বিশ্বকৰ্মা জয়ন্তী ১৭ ছেপ্টেম্বৰত। ই আমাৰ সেই বিশ্বকৰ্মা ভাইসকলৰ বাবে উৎসৰ্গিত, যিসকলে পৰম্পৰাগত শিল্পকলা, দক্ষতা, জ্ঞান-বিজ্ঞান এক প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ অহৰহ আগবঢ়াই লৈ আহিছে। আমাৰ কাঠমিস্ত্ৰী, কমাৰ, সোণাৰী, মৃৎশিল্পী, ভাস্কৰ্য শিল্পী, কাঠমিস্ত্ৰী ৰাজমিস্ত্ৰী সদায় ভাৰতৰ সমৃদ্ধিৰ ভেটি হৈ আহিছে। আমাৰ এই বিশ্বকৰ্মা ভাইসকলক সহায় কৰিবলৈকে চৰকাৰে আৰম্ভ কৰিছে বিশ্বকৰ্মা যোজনা।

- **ভাৰতীয় সংস্কৃতিঃ** কানাডাৰ মিচিছাগাত ৫১ ফুট উচ্চতাৰ ভগৱান শ্ৰীৰামৰ প্ৰতিমূৰ্তি উন্মোচন কৰা হৈছে। এই অনুষ্ঠানটোক লৈ মানুহবোৰ অতি উৎসাহী হৈ পৰিছিল। ৰামায়ণ আৰু ভাৰতীয় সংস্কৃতিৰ প্ৰতি থকা এই প্ৰেম এতিয়া পৃথিৱীৰ চুকে-কোণে বিস্তাৰিত হৈছে।

- **ভোকেল ফৰ লোকেল:** স্বদেশীৰ কথা কেতিয়াও পাহৰিব নালাগে। উপহাৰসমূহ ভাৰতত বনোৱা উচিত, সাজ-পোছাক ভাৰতত বোৱা উচিত, সাজ-সজ্জা ভাৰতত নিৰ্মিত সামগ্ৰীৰ পৰা তৈয়াৰ হোৱা উচিত, আৰু লুমিনেৰী বস্তু ভাৰতত নিৰ্মিত ফ্লিলৰ পৰা তৈয়াৰ হোৱা উচিত। জীৱনৰ প্ৰতিটো প্ৰয়োজনত সকলোবোৰ সামগ্ৰী স্বদেশী হোৱা উচিত। গৌৰৱেৰে কওক, “এয়া স্বদেশী”। এই অনুভৱেৰে আমি আগবাঢ়িব লাগিব। এটাই মন্ত্ৰ-‘ভোকেল ফৰ লোকেল’, এটাই পথ- ‘আত্মনিৰ্ভৰ ভাৰত’, এটাই লক্ষ্য- ‘বিকশিত ভাৰত’।”

*‘মন কী বাত’ শুনিবলৈ QR কোডটো স্কেন কৰক*

# নিউ ইণ্ডিয়া সমাচাৰ

ষষ্ঠ বৰ্ষ, ০৬ সংখ্যা, ছেপ্টেম্বৰ ১৬-৩০, ২০২৫

মুখ্য সম্পাদক
**ধীৰেন্দ্ৰ ওজা**
মুখ্য সঞ্চালক প্ৰধান
প্ৰেছ ইনফৰ্মেশ্যন ব্যুৰো, নতুন দিল্লী

জ্যেষ্ঠ পৰামৰ্শদাতা সম্পাদক
**সন্তোষ কুমাৰ**

পৰামৰ্শদাতা সম্পাদক
**বিভোৰ শৰ্মা**

জ্যেষ্ঠ সহকাৰী পৰামৰ্শদাতা সম্পাদক
**পৱন কুমাৰ**

সহকাৰী পৰামৰ্শদাতা সম্পাদক
**অখিলেশ কুমাৰ**
**চন্দন কুমাৰ চৌধুৰী**

ভাষা সম্পাদক
**সুমিত কুমাৰ (ইংৰাজী)**
**ৰজনীশ মিশ্ৰ (ইংৰাজী)**
**নাদীম আহমেদ (উৰ্দু)**

জ্যেষ্ঠ ডিজাইনাৰ
**শ্যাম তিৱাৰী**

জ্যেষ্ঠ ডিজাইনাৰ
**ফুল চন্দ তিৱাৰী**

ডিজাইনাৰ
**অভয় গুপ্তা**
**সত্যম সিং**




https: //newindiasamachar.pib.gov.in/news.aspx

নিউ ইণ্ডিয়া সমাচাৰৰ আৰ্কাইভ সংস্কৰণবোৰ পঢ়িবলৈ ক্লিক কৰক

https://newindiasamachar pib.gov.in.archive.aspx

'নিউ ইণ্ডিয়া সমাচাৰ'ৰ নিয়মীয়া আপডেটৰ বাবে টুইটাৰ @NISPIBIndia ত অনুসৰণ কৰক

# ভিতৰৰ পৃষ্ঠাত...

প্ৰচ্ছদ নিবন্ধ

আয়ুষ্মান ভাৰতৰ ৭ম বছৰ

## সুস্থ ভাৰত

### যিয়ে বিকশিত ভাৰতৰ দৃষ্টিভংগী শক্তিশালী কৰিছে

২০১৮ চনৰ ২৩ ছেপ্টেম্বৰত আৰম্ভ হোৱা বিশ্বৰ সৰ্ববৃহৎ স্বাস্থ্য বীমা আঁচনি -আয়ুষ্মান ভাৰতৰ ৭ম বছৰ সম্পূৰ্ণ হৈছে। এই উপলক্ষে জানো আহক, স্বাস্থ্য খণ্ডত কেন্দ্ৰীয় চৰকাৰৰ এই পদক্ষেপসমূহ কেনেকৈ বিকশিত ভাৰতৰ বাবে এক শক্তিশালী চালক হৈ পৰিছে...| ১০-২৭



সংসদ: বৰ্ষাকালীন অধিবেশন ২০২৫

### বৰ্ষাকালীন অধিবেশন হৈ পৰিল জাতীয় গৌৰৱ আৰু বিজয় উদযাপনৰ প্ৰতীক



সংসদৰ দুয়োটা সদনত মুঠ ১৫খন বিধেয়ক গৃহীত হ'ল... | ৬-৭

প্ৰধানমন্ত্ৰীৰ গয়াজী ভ্ৰমণ

### বিহাৰৰ গৌৰৱ-গৰিমা আৰু উন্নয়নৰ সংগম



বিহাৰে লাভ কৰিলে ১২ হাজাৰ কোটি টকাতকৈ অধিক মূল্যৰ উপহাৰ | ২৮-৩০


সংক্ষিপ্ত সংবাদ | ৪-৫

পদপথৰ ব্যৱসায়ীসকলৰ সপোনক শক্তি প্ৰদান কৰিবলৈ ২০৩০ চনলৈকে প্ৰধানমন্ত্ৰী স্বনিধি
কেন্দ্ৰীয় কেবিনেট বৈঠকত গৃহীত হ'ল বহু গুৰুত্বপূৰ্ণ প্ৰস্তাৱ | ৮-৯

গুজৰাটত আত্মনিৰ্ভৰ ভাৰত অভিযানৰ গতি ত্বৰান্বিত
প্ৰধানমন্ত্ৰীৰ দুদিনীয়া ভ্ৰমণৰ সময়ত ৫,৪০০ টকাৰ প্ৰকল্পৰ উপহাৰ প্ৰদান |৩১-৩৩

কলকাতাৰ উন্নয়নক মেট্ৰ'ই নতুন গতি প্ৰদান কৰিলে
প্ৰধানমন্ত্ৰী মোদীয়ে আগবঢ়ালে ৫,২০০ টকাৰ উন্নয়নৰ উপহাৰ | ৩৪-৩৫

আত্মনিৰ্ভৰ ভাৰত হৈছে এখন উন্নত ৰাষ্ট্ৰৰ ভেটি
ইটি ৱৰ্ল্ড লীডাৰ ফ'ৰামত প্ৰধানমন্ত্ৰী মোদীৰ ভাষণ | ৩৬-৩৭

ভাৰতত ক্ৰুজ পৰ্যটনৰ নতুন প্ৰভাত
জলপথৰ ব্যৱহাৰৰ প্ৰসাৰৰ জৰিয়তে 'ক্ৰুজ ইণ্ডিয়া মিছন'ৰ সফলতাৰ এবছৰ | ৩৮-৩৯

বঞ্চিতসকলক দৰিদ্ৰতাৰ বিৰুদ্ধে সবলীকৰণ
প্ৰধানমন্ত্ৰী জন ধন যোজনাৰ ১১ বছৰীয়া জয়ন্তীৰ বিশেষ প্ৰতিবেদন | ৪০-৪১

এক গুৰুত্বপূৰ্ণ পাৰমাণৱিক শক্তি হিচাপে ভাৰতবৰ্ষই আত্মপ্ৰকাশ কৰিছে
যোৱা ১১ বছৰৰ গুৰুত্বপূৰ্ণ পদক্ষেপসমূহ যিয়ে পাৰমাণৱিক শক্তি খণ্ডৰ ছবিখন সলনি কৰি দিলে | ৪২-৪৫

ভোলা পাছোৱান শাস্ত্ৰীঃ বিহাৰৰ ৰাজনীতিৰ এক আদৰ্শ
ৰাজ্যৰ প্ৰথম দলিত মুখ্যমন্ত্ৰী, জয়ন্তীত তেওঁক স্মৰণ কৰা হৈছে | ৪৮




### সদন হৈছে গণতন্ত্ৰৰ ইঞ্জিন

কেন্দ্ৰীয় সংসদসভাৰ প্ৰথম নিৰ্বাচিত ভাৰতীয় অধ্যক্ষ হিচাপে বিঠলভাই পেটেলৰ ১০০ বছৰ | ৪৬-৪৭


**Published & Printed by : Kanchan Prasad,** Director General, on behalf of Central Bureau of Communication
**Printed at :** Chandu Press, 469, Patparganj Industrial Estate, Delhi 110 092.
**Communication Address :** Room No-1077, Soochna Bhawan, CGO Complex, New Delhi-110003.
**E-Mail :** response-nis@pib.gov.in, **RNI No. :** DELASS/2020/78827

# সম্পাদকৰ মেজৰ পৰা...

# চিকিৎসাৰ সুবিধা প্ৰতিজন ভাৰতীয়ৰ বাবে সুলভ কৰি তোলা হৈছে

নমস্কাৰ,

মহান সংস্কৃত কবি কালিদাসে ৰচনা কৰা কুমাৰসম্ভৱ-ত লিখা আছে- "शरीरमाद्यं खलु धर्मसाधनम्।" অৰ্থাৎ সকলো কাম আৰু কৰ্তব্য পালনৰ প্ৰথম মাধ্যম হ'ল শৰীৰ। নাগৰিকসকল সুস্থ হৈ থাকিলেহে দেশখনো শক্তিশালী আৰু সক্ষম হৈ উঠে। এই চিন্তাধাৰা আজি ভাৰতৰ স্বাস্থ্য বিপ্লৱৰ আধাৰ হৈ পৰিছে। ভাৰতত সাৰ্বজনীন স্বাস্থ্যসেৱাৰ সপোন বাস্তৱায়িত হৈছে। এই দৃষ্টিভংগী পূৰণৰ ক্ষেত্ৰত আয়ুষ্মান ভাৰত আঁচনিৰ ভূমিকা মুখ্য। আজি বিনামূলীয়া চিকিৎসাৰ সুবিধা গ্ৰহণ কৰিছে দৰিদ্ৰৰো অতি দৰিদ্ৰ লোকসকলেও। আনহাতে আগতে চিকিৎসা ব্যয়ৰ বাবে প্ৰতি বছৰে কোটি কোটি পৰিয়াল দৰিদ্ৰ সীমাৰেখাৰ তললৈ নামি গৈছিল। মাটি আৰু সম্পত্তি বিক্ৰী কৰিবলগীয়া হৈছিল। কিন্তু এতিয়া আয়ুষ্মান ভাৰতৰ দৰে আঁচনি এখনে দৰিদ্ৰ মধ্যবিত্ত পৰিয়ালক শক্তি প্ৰদান কৰাই নহয়, আত্মবিশ্বাসেৰে ভৰাই তুলিছে। লগতে স্বাস্থ্য খণ্ডৰ আন্তঃগাঁথনিগত উন্নয়ন আৰু জিলা পৰ্যায়লৈকে তৃতীয় পৰ্যায়ৰ স্বাস্থ্যসেৱাৰ সুবিধাৰ উপলব্ধতা, চিকিৎসা মহাবিদ্যালয় আৰু আসনৰ সম্প্ৰসাৰণ, টিকাকৰণ, আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল প্ৰতিৰোধমূলক স্বাস্থ্যসেৱাৰ ওপৰত গুৰুত্ব দিয়াটোৱে স্বাস্থ্য খণ্ডক এক নতুন দিশ দিয়াই নহয়, বিকশিত ভাৰতৰ সকলোকে স্বাস্থ্যসেৱা প্ৰদানৰ ভেটিও প্ৰস্তুত কৰি তুলিছে। এই ২৩ ছেপ্টেম্বৰত আয়ুষ্মান ভাৰত যোজনাৰ ৭ম বছৰ সম্পূৰ্ণ হ'ল, আৰু এই প্ৰেক্ষাপটত ভাৰতৰ স্বাস্থ্য বিপ্লৱ এই সংখ্যাৰ প্ৰচ্ছদ নিৱন্ধ হৈ পৰিছে।

ব্যক্তিত্ব শিতানত বিহাৰৰ প্ৰথম দলিত মুখ্যমন্ত্ৰী ভোলা পাছোৱান শাস্ত্ৰীৰ বিষয়ে পঢ়িবলৈ পাব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পযেকজোৱা কাৰ্যসূচীৰ লগতে ক্ৰুজ ভাৰত মিছনৰ এবছৰ, কেন্দ্ৰীয় মন্ত্ৰীসভাৰ সিদ্ধান্ত, সংসদৰ বৰ্ষাকালীন অধিৱেশনত কৰা কামৰ বিৱৰণী সমূহৰ উল্লেখ অন্যান্য বিষয়বস্তু হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে।

ইয়াৰ লগতে ভিঠলভাই পেটেল কেন্দ্ৰীয় সংসদসভাৰ প্ৰথম নিৰ্বাচিত ভাৰতীয় অধ্যক্ষ হোৱাৰ ১০০ বছৰ সম্পূৰ্ণ হোৱাৰ পৰিপ্ৰেক্ষিতত দিল্লী বিধানসভাত আয়োজিত অনুষ্ঠানৰ বিশেষ বিষয়বস্তু অন্তৰ্ভুক্ত কৰা হৈছে। আলোচনীখনৰ ভিতৰৰ পৃষ্ঠাত মন কী বাত, পাৰমাণৱিক শক্তিৰ ক্ষেত্ৰত ভাৰতে মুখ্য ভূমিকা লোৱাৰ লক্ষ্যৰ বিশেষ প্ৰতিবেদন, আৰু পিছফালৰ প্ৰচ্ছদত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ খোৱা তেল ১০% হ্ৰাস কৰাৰ আহ্বান প্ৰকাশিত হৈছে।

আপোনাসবৰ পৰামৰ্শ আমালৈ প্ৰেৰণ কৰি থাকিব।

(ধীৰেন্দ্ৰ ওজা)

হিন্দী, ইংৰাজী আৰু আন ১১টা ভাষাত উপলব্ধ আলোচনীখন পঢ়ক/ডাউনলোড কৰক।
https: //newindiasamachar.pib.gov.in/

# মেইল বক্স






## চৰকাৰী আঁচনি জানিবলৈ আৰু বুজিবলৈ এই আলোচনীখন উপযুক্ত

নিউ ইণ্ডিয়া সমাচাৰ আলোচনীত চৰকাৰী আঁচনি জানিবলৈ আৰু বুজিবলৈ সঠিক তথ্য থাকে। আলোচনীখনৰ পৰিসংখ্যা আৰু তথ্যই একেবাৰে সঠিক তথ্য প্ৰদান কৰে। মোৰ এটাই পৰামৰ্শ আছে যে আলোচনীখনে পাঠকৰ পৰা অধিক দিহা আৰু পৰামৰ্শ অন্তৰ্ভুক্ত কৰিব লাগে।

profgvramana@gmail.com

## তথ্যসমৃদ্ধ বিষয়বস্তুৰ সৈতে সংযোগ স্থাপনত যুৱক-যুৱতীসকলৰ বাবে সহায়ক

নিউ ইণ্ডিয়া সমাচাৰ আলোচনীৰ মই নিয়মীয়া পাঠক। মই অনুভৱ কৰোঁ যে ছ'চিয়েল মিডিয়াৰ যুগত নিউ ইণ্ডিয়া সমাচাৰ আলোচনীয়ে যুৱক-যুৱতীসকলক তথ্যসমৃদ্ধ বিষয়বস্তুৰ সৈতে সংযোগ স্থাপন কৰাত সহায় কৰিছে। আলোচনীখনৰ জৰিয়তে আমি দেশৰ উন্নয়নৰ এক নতুন যাত্ৰাৰ সাক্ষী হ'বলৈ সক্ষম হৈছো। আপোনাৰ প্ৰতিটো বিষয় আমাৰ সজাগতা অভিযানৰ বাবে অতি উপযোগী।

yshrivastava2008@gmail.com

## ছাত্ৰ-ছাত্ৰীৰ বাবে উপযোগী, মই নিশ্চিতভাৱে আলোচনীখন পঢ়োঁ

মোৰ গাঁৱৰ পঞ্চায়তলৈ অহা নিউ ইণ্ডিয়া সমাচাৰ আলোচনীত প্ৰকাশিত প্ৰতিটো লেখা মই নিশ্চিতভাৱে পঢ়োঁ। এই আলোচনীখন ছাত্ৰ-ছাত্ৰীৰ বাবে অতি উপযোগী। এই আলোচনীখনত জম্মু-কাশ্মীৰ আৰু লাডাখৰ উন্নয়নৰ বাবে চলি থকা কামৰ বিষয়ে পঢ়িবলৈ পালোঁ। ৩৭০ অনুচ্ছেদ বাতিল হোৱাৰ পিছত জম্মু-কাশ্মীৰ আৰু লাডাখৰ পথ, জলসিঞ্চন, স্বাস্থ্য, শিক্ষা, আৰু পৰ্যটনৰ ক্ষেত্ৰত হোৱা অগ্ৰগতিৰ তথ্য লাভ কৰিলোঁ।

prasadpagadala631@gmail.com

## নিউ ইণ্ডিয়া সমাচাৰ আলোচনীৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ

জ্ঞান আৰু আত্মবিকাশৰ বাবে অধ্যয়ন কৰাটো মোৰ জীৱনৰ এক গুৰুত্বপূৰ্ণ অংশ। মই ৰোজগাৰ সমাচাৰৰ দৰে যিকোনো চৰকাৰী আলোচনী আৰু চৰকাৰী বাতৰি কাকত নিয়মীয়াকৈ পঢ়ি ভাল পাওঁ। নিউ ইণ্ডিয়া সমাচাৰ আলোচনীয়ে চৰকাৰী আঁচনি আৰু আন বহু বিষয়ৰ তথ্য প্ৰদান কৰে। নিউ ইণ্ডিয়া সমাচাৰ আলোচনীত প্ৰকাশিত তথ্যসমূহ ব্যাপক আৰু বিশদ। মই নিউ ইণ্ডিয়া সমাচাৰ আলোচনীৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

maheshwarisocietyms@gmail.com

## ছাত্ৰ, বয়োজ্যেষ্ঠ, আৰু জ্ঞান অনুৰাগীৰ বাবে উপযোগী

নিউ ইণ্ডিয়া সমাচাৰ আলোচনীয়ে ছাত্ৰ-ছাত্ৰী, বয়োজ্যেষ্ঠ আৰু জ্ঞান অনুৰাগীসকলৰ বাবে বিস্তৃত, তথ্যসমৃদ্ধ বিষয়বস্তু প্ৰদানৰ এক আকৰ্ষণীয় কাম কৰি আছে। দেশৰ বাবে ই এক উৎকৃষ্ট কাম। ছাত্ৰ হিচাপে মই নিউ ইণ্ডিয়া সমাচাৰ আলোচনীখনক আদৰ কৰোঁ।

rahulsuthar2580@gmail.com

Communication Address : Room No-1077,
Soochna Bhawan, CGO Complex,
New Delhi-110003.
E-Mail: response-nis@pib.gov.in

প্ৰতি শনিবাৰে-দেওবাৰে আবেলি ৩ বজাত আৰু ৩ বাজি ১৫ মিনিটত অল ইণ্ডিয়া ৰেডিঅ' এফএম গোল্ড যোগে নিউ ইণ্ডিয়া সমাচাৰ শুনিবলৈ কিউআৰ কোড স্কেন কৰক।

সংক্ষিপ্ত সংবাদ



## প্ৰধানমন্ত্ৰী বিকশিত ভাৰত ৰোজগাৰ যোজনাত পঞ্জীয়ন কৰক

# সৃষ্টি হ’ব ৩.৫ কোটিৰো অধিক চাকৰিৰ ঃ চৰকাৰে প্ৰদান কৰিব বিশেষ উদগনি



লাল কিল্লাৰ পৰা কৰা ঘোষণাই হওক বা সাধাৰণ বাজেটেই হওক, কেন্দ্ৰীয় চৰকাৰৰ পৰিৱৰ্তিত কৰ্ম সংস্কৃতিৰ বাবেই দেশে সেয়া সঁচা অৰ্থত বাস্তৱ হোৱা দেখিছে। এই ১৫ আগষ্টত প্ৰধানমন্ত্ৰী মোদীয়ে যুৱক-যুৱতীসকলক কৰ্মসংস্থাপন প্ৰদানৰ বাবে প্ৰধানমন্ত্ৰী বিকশিত ভাৰত ৰোজগাৰ যোজনাত পঞ্জীয়ন আৰম্ভ কৰাৰ কথা ঘোষণা কৰে, আৰু তৃতীয় দিনা অৰ্থাৎ ১৮ আগষ্টত পৰ্টেলটো মুকলি কৰা হয়। এই আঁচনিৰ অধীনত ৩.৫ কোটিতকৈ অধিক চাকৰিৰ সৃষ্টি হোৱাৰ সম্ভাৱনা আছে, যাৰ বাবে চৰকাৰে উদ্‌গনি প্ৰদান কৰিব। এই আঁচনিৰ উদ্দেশ্য সকলো খণ্ডতে কৰ্মসংস্থাপন সৃষ্টিৰ লগতে কৰ্মসংস্থাপনৰ সম্ভাৱনা আৰু সামাজিক সুৰক্ষা বৃদ্ধি কৰা। এই ক্ষেত্ৰত বৃহৎ সংখ্যক চাকৰিৰ সৃষ্টি হ’ব, আৰু ইয়াৰ বাবে চৰকাৰে কেৱল চাকৰি প্ৰত্যাশীসকলক নহয়, চাকৰি প্ৰদান কৰা নিয়োগকৰ্তাসকলকো আৰ্থিকভাৱে উৎসাহিত কৰিব। ২০২৫ চনৰ ১ আগষ্টৰ পৰা ২০২৭ চনৰ ৩১ জুলাইৰ ভিতৰত সৃষ্টি হোৱা চাকৰিৰ বাবে এই আঁচনিৰ সুবিধা লাভ কৰিব। পৰ্টেল (https://pmvbry.epfindia.gov.in) বা https://pmvbry.labour.gov.in)ত পঞ্জীয়ন কৰিব পাৰিব। এই আঁচনিৰ অধীনত নতুনকৈ সংস্থাপিত যুৱক-যুৱতীসকলক দুটা কিস্তিত ১৫ হাজাৰ টকা পৰ্যন্তৰ উদ্‌গনি প্ৰদান কৰাৰ বিপৰীতে নিয়োগকৰ্তাসকলক নতুন কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টিৰ বাবে প্ৰতিমাহে প্ৰতিজন নতুন কৰ্মচাৰীৰ বাবে ৩ হাজাৰ টকা পৰ্যন্ত উদ্‌গনিমূলক ধন প্ৰদান কৰা হ’ব।

## শিক্ষকৰ সংখ্যাই এক কোটি অতিক্ৰম কৰিলে, আৰু ড্ৰপআউটৰ হাৰ হ্ৰাস পাইছে

শিক্ষকৰ সংখ্যা বৃদ্ধি কৰি আৰু ছাত্ৰ-শিক্ষকৰ অনুপাত যুক্তিসংগত কৰি গুণগত শিক্ষাৰ পৰিৱেশ গঢ়ি তোলাৰ বাবে লোৱা পদক্ষেপৰ ফলত ২০২৪-২৫ শিক্ষাবৰ্ষত প্ৰথমবাৰৰ বাবে শিক্ষকৰ সংখ্যাই এক কোটি অতিক্ৰম কৰিছে। ২০২২-২৩ চনৰ তুলনাত প্ৰায় ৭ শতাংশ বৃদ্ধি হৈছে। শিক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰা প্ৰতিবেদনত কোৱা হৈছে যে ইউডিআইএছই প্লাছ প্ৰৱৰ্তনৰ পিছৰে পৰা প্ৰথমবাৰৰ বাবে এটা শিক্ষাবৰ্ষত এই সংখ্যা অতিক্ৰম কৰিছে। ইয়াৰ বাবে ছাত্ৰ-শিক্ষকৰ অনুপাত এতিয়া আধাৰমূলক পৰ্যায়ত ১০, প্ৰাৰম্ভিক পৰ্যায়ত ১৩, মধ্য পৰ্যায়ত ১৭, আৰু মাধ্যমিক পৰ্যায়ত ২১, যিটো নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি (এনইপি)য়ে পৰামৰ্শ দিয়া ১.৩০ অনুপাততকৈ বহু ভাল। একে সময়তে ২০২৪-২৫ শিক্ষাবৰ্ষত যোৱা দুবছৰ ২০২২-২৩ আৰু ২০২৩-২৪ চনৰ তুলনাত প্ৰাথমিক, মধ্য, আৰু মাধ্যমিক পৰ্যায়ত বিদ্যালয় এৰাৰ হাৰ যথেষ্ট হ্ৰাস পাইছে। প্ৰাথমিক পৰ্যায়ত এই হাৰ পূৰ্বৰ বছৰৰ তুলনাত ৩.৭%ৰ পৰা ২.৩%লৈ, মধ্য পৰ্যায়ত ৫.২%ৰ পৰা ৩.৫%লৈ, আৰু মাধ্যমিক পৰ্যায়ত ১০.৯%ৰ পৰা ৮.২%লৈ হ্ৰাস পাইছে।



# ৭ বছৰত মহিলাৰ নিয়োগৰ হাৰ দুগুণ বৃদ্ধি পালে

কেৱল নাৰী সৱলীকৰণেই নহয়, নাৰী নেতৃত্বাধীন উন্নয়নৰ অৱতাৰণাৰ বাবেই বিগত ১১ বছৰত নাৰী সম্পৰ্কীয় প্ৰতিটো ক্ষেত্ৰতে ৰাষ্ট্ৰখনে বৈপ্লৱিক পৰিৱৰ্তনৰ সাক্ষী হৈ আহিছে। বিকশিত ভাৰতৰ সংকল্প যাত্ৰাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও ২০৪৭ চনৰ ভিতৰত দেশৰ কৰ্মশক্তিত মহিলাৰ ৭০ শতাংশ অংশগ্ৰহণ নিশ্চিত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। এতিয়া নিৰন্তৰ প্ৰচেষ্টাৰ বাবে মহিলাৰ নিয়োগৰ হাৰ দুগুণ হৈছে। শ্ৰম মন্ত্ৰালয়ৰ দ্বাৰা সময়ে সময়ে কৰা শ্ৰমিক শক্তিৰ সমীক্ষা অনুসৰি ২০১৭-১৮ বিত্তীয় বৰ্ষত মহিলাৰ নিয়োগৰ হাৰ ২২% আছিল, যিটো ২০২৩-২৪ চনত ৪০.৩% লৈ বৃদ্ধি পাইছে। মাত্ৰ ৭ বছৰত এই হাৰ প্ৰায় দুগুণ বৃদ্ধি পাইছে আৰু গ্ৰাম্য অঞ্চলত মহিলাৰ কৰ্মসংস্থাপন ৯৬% আৰু চহৰ অঞ্চলত ৪৩% বৃদ্ধি পাইছে। স্নাতক মহিলাসকলৰ নিয়োগ ক্ষমতাও ২০১৩ চনত ৪২%ৰ পৰা ২০২৪ চনত ৪৭.৫৩%লৈ বৃদ্ধি পাইছে। স্নাতকোত্তৰ শিক্ষা প্ৰাপ্ত আৰু তাৰ ওপৰৰ মহিলাসকলৰ নিয়োগৰ হাৰ ২০১৭-১৮ চনত ৩৪.৫%ৰ পৰা ২০২৩-২৪ চনত ৪০%লৈ বৃদ্ধি পাইছে। কেৱল এয়াই নহয়, ১৫টা মন্ত্ৰালয়ৰ ৭০খন কেন্দ্ৰীয় আঁচনিৰ জৰিয়তে আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ ৪০০ৰো অধিক ৰাজ্যিক পৰ্যায়ৰ আঁচনিৰ জৰিয়তে মহিলাৰ উদ্যোগীকৰণেও অতি ইতিবাচক ফলাফল ফলাফল প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। ২০১৭-১৮ চনত মহিলাৰ আত্মনিয়োগৰ হাৰ ৫১.৯% আছিল যদিও ২০২৩-২৪ চনত ই ৬৭.৪% লৈ বৃদ্ধি পাইছে।



**মহিলাৰ কৰ্মসংস্থাপন বৃদ্ধি পালে**

গ্ৰাম্য **৯৬%**

নগৰ অঞ্চল **৪৩%**

নিয়োগযোগ্য স্নাতকসকলৰ সংখ্যাও ২০১৩ চনত মহিলাৰ ৪২%ৰ পৰা ২০২৪ চনত ৪৭.৫৩%লৈ বৃদ্ধি পাইছে।

# এতিয়া, বিদ্যালয়তে ছাত্ৰ-ছাত্ৰীৰ আধাৰ আপডেট কৰা হ'ব



এতিয়া প্ৰতিযোগিতামূলক পৰীক্ষা আৰু উচ্চ শিক্ষাত নামভৰ্তিৰ বাবে ছাত্ৰ-ছাত্ৰীৰ সুবিধা হোৱাকৈ আধাৰ কাৰ্ড প্ৰদান কৰা সংস্থা ইউনিক আইডেণ্টিফিকেশন অথৰিটি অৱ ইণ্ডিয়া (ইউআইডিএআই)ই এক বৃহৎ পদক্ষেপ গ্ৰহণ কৰিছে। দেশৰ ৫-১৫ বছৰ বয়সৰ ১৭ কোটি শিশুৰ আধাৰ বায়'মেট্ৰিক আপডেট বাকী আছে। এনে পৰিস্থিতিত বিদ্যালয় সাক্ষৰতা বিভাগৰ সহযোগত ইউআইডিএআইয়ে এক পদক্ষেপ গ্ৰহণ কৰিছে। শিশুৰ বাবে আধাৰ আপডেটৰ বাধা আঁতৰাবলৈ বাধ্যতামূলক বায়'মেট্ৰিক আপডেটৰ স্থিতি শিক্ষাৰ বাবে সংযুক্ত জিলা তথ্য ব্যৱস্থা প্লাছ (UDISE+ ইউডিআইএছই প্লাছ) এপ্লিকেচনত উপলব্ধ কৰা হ'ব। ইয়াৰ দ্বাৰা কোটি কোটি ছাত্ৰ-ছাত্ৰীক বাধ্যতামূলক বায়'মেট্ৰিক আপডেটৰ সুবিধা প্ৰদান কৰা হ'ব। এই আপডেটৰ বাবে বিদ্যালয়সমূহত শিবিৰৰ আয়োজন কৰা হ'ব। আধাৰ কাৰ্ডত বায়'মেট্ৰিক আপডেট থকাৰ লগে লগে ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন চৰকাৰী আঁচনিৰ সুবিধা লাভ কৰাৰ লগতে NEET, JEE, আৰু CUET আদি প্ৰতিযোগিতামূলক আৰু বিশ্ববিদ্যালয়ৰ পৰীক্ষাত পঞ্জীয়ন কৰাৰ বাবে প্ৰমাণীকৰণৰ সময়ত আৰু কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন হ'ব নালাগিব।

# আদি কৰ্মযোগী অভিযানৰ অধীনত জনজাতি এলেকাৰ কায়াকল্প পৰিৱৰ্তন

ভাৰতৰ জনজাতীয় সম্প্ৰদায়সমূহে দীৰ্ঘদিন ধৰি দেশখনৰ সভ্যতাবাদী উত্তৰাধিকাৰীৰ নীৰৱ ৰক্ষক হিচাপে কাম কৰি আহিছে, এক চহকী আৰু বৈচিত্ৰ্যময় সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ কৰি আহিছে। যোৱা ১১ বছৰত নীতিগত মনোযোগ দিয়াৰ পিছতো বহু জনজাতীয় অঞ্চলত এতিয়াও বিশেষ গুৰুত্বৰ প্ৰয়োজন বাকী আছে। ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হ'বলৈ কেন্দ্ৰীয় চৰকাৰে এতিয়া মিছন মোডত জনজাতীয় জনগোষ্ঠীক সবলীকৰণৰ দিশত আগবাঢ়িছে। এই দিশত অগ্ৰসৰ হৈ কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ে আৰম্ভ কৰিছে আদি কৰ্মযোগী অভিযান। বিশ্বৰ সৰ্ববৃহৎ জনজাতীয় মৌলিক নেতৃত্বৰ কাৰ্যসূচী হিচাপে ইয়াৰ মূলতে আছে ২০ লাখ প্ৰশিক্ষিত, অনুপ্ৰাণিত, আৰু মিছন-চালিত শ্ৰমিকৰ কেডাৰ প্ৰস্তুত কৰাৰ উচ্চাকাংক্ষা। ই ৩০খন ৰাজ্য /কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৰ লাখতকৈও অধিক জনজাতীয় অধ্যুষিত গাঁৱৰ ১০.৫ কোটিতকৈ অধিক জনজাতীয় নাগৰিকৰ কাষ চাপিব আৰু তেওঁলোকৰ জীৱন উন্নীত কৰিব। এই অভিযানৰ অধীনত ৰাজ্যিক পৰ্যায়ৰ মাষ্টাৰ প্ৰশিক্ষকৰ বাবে এটা উন্নত পৰীক্ষাগাৰৰ লগতে ৰাজ্যিক, জিলা আৰু ব্লক পৰ্যায়ৰ মাষ্টাৰ প্ৰশিক্ষকৰ পৰিৱেশ তন্ত্ৰ সৃষ্টি কৰা হৈছে। সম্প্ৰদায়ক সংগঠিত কৰাৰ উপৰি এই প্ৰশিক্ষকসকলে পি এম জন মন, ধৰতী আবা জনজাতি গ্ৰাম উৎকৰ্ষ অভিযান আৰু ৰাষ্ট্ৰীয় চিকেল চেল এনিমিয়া নিৰ্মূলকৰণ অভিযানৰ দৰে পদক্ষেপো ৰূপায়ণ কৰিব আৰু এই ক্ষেত্ৰসমূহৰ সৈতে জড়িত তথ্য সংগ্ৰহ কৰিব।

অপাৰেচন সিন্দূৰ আৰু মহাকাশৰ কৃতিত্বৰ সন্দৰ্ভত আলোচনা

# বৰ্ষাকালীন অধিৱেশন ৰাষ্ট্ৰীয় গৌৰৱ আৰু এক বিজয় উদযাপনৰ প্ৰতীক

অপাৰেচন সিন্দূৰৰ সফলতা আৰু আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত প্ৰথমবাৰৰ বাবে ত্ৰিৰংগা উত্তোলন কৰা শুভাংশু শুক্লাৰ যাত্ৰাই সংসদৰ বৰ্ষাকালীন অধিৱেশনক ৰাষ্ট্ৰৰ বাবে বিজয়োৎসৱত পৰিণত কৰিলে। এই দুয়োটা কৃতিত্বৰ সফলতাক আলোকপাত কৰি ২১ জুলাইৰ পৰা আৰম্ভ হোৱা সংসদৰ বৰ্ষাকালীন অধিৱেশন ২১ আগষ্টত অন্ত পৰে। অধিৱেশনৰ সময়ত লোকসভাত ১৪খন বিধেয়ক উত্থাপন কৰা হয়। ১২খন বিধেয়ক লোকসভাত, ১৫খন বিধেয়ক ৰাজ্যসভাত আৰু মুঠ ১৫খন বিধেয়ক সংসদৰ উভয় সদনে গৃহীত কৰে।



সংসদ গণতন্ত্ৰৰ সৰ্বোচ্চ মন্দিৰ। প্ৰতি বছৰে তিনিখন অধিৱেশন (বাজেট, বৰ্ষাকালীন আৰু শীতকালীন) অনুষ্ঠিত হয়। কিন্তু এইবাৰ সংসদৰ মাহজোৰা বৰ্ষাকালীন অধিৱেশনে দেশৰ গৌৰৱ, ভাৰতৰ সামৰিক শক্তি, ভাৰতৰ নতুন প্ৰতিৰক্ষা নীতি আৰু ভাৰতৰ আত্মনিৰ্ভৰশীলতাক চিহ্নিত কৰিলে। পাকিস্তানৰ পৃষ্ঠপোষকতাত চলি থকা সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ সাহস, বীৰত্ব আৰু শৌৰ্যৰ প্ৰতীক হিচাপে পৰিগণিত হোৱা অপাৰেচন সিন্দূৰৰ সফলতা আৰু আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত ভাৰতীয় ত্ৰিৰংগা উৰুওৱা শুভাংশু শুক্লা নিৰাপদে উভতি অহাৰ সন্দৰ্ভত সংসদৰ উভয় সদনত অনুষ্ঠিত বিশেষ আলোচনাত ভৱিষ্যতৰ স্বৰ্ণিম ভাৰতৰ ছবিখন দেশবাসীৰ সন্মুখত দাঙি ধৰা হয়।

সংসদৰ উভয় সদনত নতুন ভাৰতৰ বিজয়োৎসৱৰ উদযাপন কৰা হৈছিল আৰু ভাৰতৰ সামৰিক শক্তি আৰু সামৰ্থ্য বিশ্ববাসীয়ে প্ৰত্যক্ষ কৰিছিল। অপাৰেচন সিন্দূৰৰ অধীনত ভাৰতীয় সেনাই নিজৰ ১০০% লক্ষ্যত উপনীত হৈ মাত্ৰ ২২ মিনিটতে সন্ত্ৰাসবাদীৰ প্ৰভুসকলৰ ঘৰটো ধূলিৰ লগত মিহলি কৰি দিয়ে। এই অভিযানত প্ৰতিৰক্ষাৰ ক্ষেত্ৰত ভাৰতৰ আত্মনিৰ্ভৰশীলতা আৰু ভাৰতীয়ত্বৰে ভৰা সামৰিক শক্তিৰ এক নতুন ৰূপ বিশ্ববাসীয়ে প্ৰত্যক্ষ কৰিলে। লোকসভাত এই বিশেষ আলোচনাৰ প্ৰতিক্ৰিয়া স্বৰূপে প্ৰধানমন্ত্ৰী মোদীয়ে কয়, 'মই ভাৰতৰ কাৰ্য্যক প্ৰতিনিধিত্ব কৰিবলৈ থিয়

দিছো। ’ দৃঢ়তাৰে ভৰা তেওঁৰ কথাই ১৪০ কোটি দেশবাসীৰ মতামতৰ প্ৰতীক হৈ পৰিছে। কেৱল ইমানেই নহয়, ভাৰতৰ নতুন মহাকাশ আকাংক্ষাৰ প্ৰতীক হৈ পৰা শুভাংশু শুক্লাৰ প্ৰত্যাৱৰ্তনৰ প্ৰসংগইও সংসদৰ বৰ্ষাকালীন অধিৱেশনত অধিকাংশ সময় লৈছিল। বিজ্ঞান-প্ৰযুক্তি আৰু উদ্ভাৱনৰ প্ৰতি নতুন উদ্যম আৰু উৎসাহ জগাই তোলা এই সফল যাত্ৰাকো দেশে উদযাপন কৰে।

কিন্তু বৰ্ষাকালীন অধিৱেশনত শাসক আৰু বিৰোধীৰ মাজত কিছুমান বিষয়ত ব্যাপক বিতৰ্ক হোৱা দেখা গ’ল; ফলত মুঠ ১২০ ঘণ্টাৰ ভিতৰত লোকসভাত মাত্ৰ ৩৭ ঘণ্টা আৰু ৰাজ্যসভাত মাত্ৰ ৪১ ঘণ্টা ১৫ মিনিট এই বিষয়ে আলোচনা কৰিব পৰা গ’ল। ১৮ আগষ্টৰ পৰা লোকসভাত আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত ভাৰতৰ প্ৰথমজন মহাকাশচাৰী, ২০৪৭ চনৰ ভিতৰত এখন উন্নত ভাৰতৰ বাবে মহাকাশ কাৰ্যসূচীৰ গুৰুত্বপূৰ্ণ ভূমিকা সম্পৰ্কেও আলোচনা আৰম্ভ হৈছিল, যদিও সদনত ধাৰাবাহিকভাৱে বিঘিনি ঘটাৰ বাবে আলোচনা সম্পূৰ্ণ কৰিব পৰা নগ’ল। লোকসভাৰ অধ্যক্ষ ওম বিৰলাইও অধিৱেশনৰ অন্তিম দিনা সামৰণি ভাষণত সদনত চলি থকা অচলাৱস্থাক লৈ দুখ প্ৰকাশ কৰে। গণতন্ত্ৰত জনসাধাৰণে প্ৰতিনিধিৰ পৰা যি আশা-আকাংক্ষা কৰে, সেই কথা উল্লেখ কৰি তেওঁ কয় যে নাগৰিকৰ আকাংক্ষা পূৰণৰ বাবে সদস্যসকলে সদনত থকা সময়খিনি সমস্যা, বিষয় আৰু জনস্বাৰ্থৰ গুৰুত্বপূৰ্ণ বিধেয়কসমূহৰ গম্ভীৰ আৰু অৰ্থপূৰ্ণ আলোচনাৰ বাবে ব্যৱহাৰ কৰিব লাগে। নিঃসন্দেহে বৰ্ষাকালীন অধিবেশন, বিশেষকৈ অপাৰেচন সিন্দূৰ আৰু মহাকাশত ভাৰতৰ বৃহৎ কৃতিত্বৰ বাবে বিজয় উদযাপনৰ প্ৰতীক হৈ পৰিল। এই সময়ছোৱাত দেশৰ উন্নয়নৰ যাত্ৰা ত্বৰান্বিত কৰা আৰু নাগৰিকক সবলীকৰণৰ লক্ষ্যৰে কেইবাখনো বিধেয়ক উত্থাপন কৰা হয়। ইয়াৰে কিছুমান গৃহীত হয় আৰু আন কিছুমান সংসদীয় সমিতিলৈ প্ৰেৰণ কৰা হয়। অৱশ্যে আন কিছুমান বিষয়তো ব্যাঘাত জন্মিছিল। সেয়েহে লোকসভাৰ অধ্যক্ষই নিজৰ আসনৰ পৰা এটা বাৰ্তা দিলে-সন্মতি আৰু অসন্মতি গণতন্ত্ৰৰ এক স্বাভাৱিক প্ৰক্ৰিয়া। কিন্তু দেশে আশা কৰে যে সদনে সামূহিক প্ৰচেষ্টাৰে মৰ্যাদা, শিষ্টাচাৰ আৰু শালীনতাৰে কাম কৰিব লাগে। ৰাজনৈতিক দল আৰু সাংসদসকলৰ এনে অন্তৰ্দৃষ্টি থকা উচিত যে সৰ্বোচ্চ গণতান্ত্ৰিক প্ৰতিষ্ঠানটোৰে নিজৰ নাগৰিকক কি বাৰ্তা দিছে।●

## বাধাৰ মাজতো কৃতিত্বৰ লগতে নীতিৰ প্ৰতিধ্বনি শুনা গ’ল

| অষ্টাদশ লোকসভা | পঞ্চম অধিৱেশন |
|---|---|
| সদনত ‘অপাৰেচন সিন্দূৰ’ আৰু ভাৰতৰ মহাকাশ কাৰ্যসূচীৰ কৃতিত্ব সন্দৰ্ভত বিশেষ আলোচনা কৰা হয়। | ▪ ৰাজ্যসভাত মুঠ ১৫খন বিধেয়ক গৃহীত হয়। সংসদৰ উভয় সদনে মুঠ ১৫খন বিধেয়ক গৃহীত কৰে।<br>▪ লোকসভাত ১৪খন চৰকাৰী বিধেয়ক উত্থাপন কৰা হয়, ইয়াৰে ১২খন বিধেয়ক গৃহীত হয়।<br>▪ অধিৱেশনৰ মাত্ৰ ৩৭ ঘণ্টাহে অনুষ্ঠিত কৰিব পৰা গ’ল, অথচ নিৰ্ধাৰিত সময় আছিল ১২০ ঘণ্টা।<br>▪ বাধাৰ বাবে লোকসভাৰ কাৰ্যসূচীত অন্তৰ্ভুক্ত ৪১৯টা প্ৰশ্নৰ ভিতৰত মাত্ৰ ৫৫টা তাৰকাযুক্ত প্ৰশ্নৰ মৌখিক উত্তৰ দিব পৰা গ’ল। |

### যেতিয়া প্ৰধানমন্ত্ৰী মোদীয়ে লোকসভাত কৈছিল...

বিতৰ্ক-আৰু ইমানেই বিতৰ্ক, যে শত্ৰুৱে ভয়ত কঁপি উঠে, এটা চিন্তাহে মনত ৰাখিব যে সেন্দূৰৰ সন্মান আৰু আমাৰ সেনাৰ বীৰত্ব অদম্য হৈ থাকে, আনকি কোনোৰে সোধা প্ৰশ্নতো। মা ভাৰতীক আক্ৰমণ কৰিলে তীব্ৰ প্ৰতিশোধ ল’ব লাগিব, শত্ৰুৱে য’ত লুকাই থাকে তাতেই নিঃশেষ কৰি আমি কেৱল ভাৰতৰ বাবে জীয়াই থাকিব লাগিব।

### লোকসভাৰ অধ্যক্ষ ওম বিৰলাই যেতিয়া কয়...

আজি আমি সদনত আলোচনা কৰিছোঃ আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত ভাৰতৰ প্ৰথম মহাকাশচাৰীৰ কথা, যি ‘২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰত’ৰ মহাকাশ কাৰ্যসূচীৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। এই ঐতিহাসিক ক্ষণত বায়ুসেনা গ্ৰুপ কেপ্টেইন শুভাংশু শুক্লাক সদনে আন্তৰিক অভিনন্দন জনাইছে। তেওঁৰ মহাকাশ যাত্ৰা আৰু সফল প্ৰত্যাৱৰ্তন কেৱল এটা অভিযানৰ সফলতাই নহয়, ১৪০ কোটি ভাৰতীয়ৰ বাবে গৌৰৱ আৰু প্ৰেৰণাৰ উৎস। গ্ৰুপৰ অধিনায়ক শুভাংশু শুক্লাৰ এই কৃতিত্ব আমাৰ যুৱ প্ৰজন্মৰ বাবে এক বৃহৎ প্ৰেৰণা। আজি ভাৰতৰ মহাকাশ কাৰ্যসূচীয়ে বৈজ্ঞানিক শ্ৰেষ্ঠত্ব, স্বকীয়তা আৰু নিৰ্ভৰযোগ্যতাৰে সমগ্ৰ বিশ্বতে নিজৰ বিশেষ পৰিচয় গঢ়ি তুলিছে।



কেন্দ্ৰীয় কেবিনেটৰ সিদ্ধান্ত

# পি এম স্বনিধি যোজনাই ২০৩০ চনৰ ভিতৰত পদপথৰ ব্যৱসায়ীসকলৰ সপোন পূৰণ কৰাৰ শক্তি প্ৰদান কৰিব

ক'ভিড-১৯১ বৈশ্বিক প্ৰত্যাহ্বানৰ সময়ত পিএম স্বনিধি যোজনা ১ কোটিৰো অধিক পদপথৰ ব্যৱসায়ীৰ জীৱিকাৰ বাবে এক জীৱনৰেখা হিচাপে পৰিগণিত হৈছে আৰু আত্মনিয়োগৰ ধাৰণাটোক এক নতুন দিশ প্ৰদান কৰিছে। ইয়াৰ উৎসাহজনক আৰু অনুকূল ফলাফলৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় চৰকাৰে এই বৈপ্লৱিক আঁচনিখন পুনৰ গঠন কৰি ইয়াৰ সময়সীমা ২০৩০ চনৰ মাৰ্চ মাহলৈকে বৃদ্ধি কৰিছে। সমাজৰ প্ৰতিটো শ্ৰেণীৰ কল্যাণৰ প্ৰতি দায়বদ্ধ কেন্দ্ৰীয় চৰকাৰৰ এই পদক্ষেপ কেৱল পদপথৰ বিক্ৰেতাসকলক আৰ্থিক সাহায্য প্ৰদান কৰাতে সীমাবদ্ধ নহয়-এয়া এনে এক পদক্ষেপ, যিয়ে তেওঁলোকৰ মনোবল আৰু আত্মবিশ্বাস বহু পৰিমাণে বৃদ্ধি কৰিছে। ইয়াৰ লগতে কেন্দ্ৰীয় কেবিনেটে আন কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱত অনুমোদন জনাইছে...

**সিদ্ধান্ত ঃ** পি এম ষ্ট্ৰীট ভেণ্ডৰছ আত্মনিৰ্ভৰ নিধি (পি এম স্বনিধি) আঁচনি পুনৰ গঠন কৰি ২০৩০ চনৰ ৩১ মাৰ্চলৈকে সময়সীমা বৃদ্ধি কৰা হৈছে।

**প্ৰভাৱ ঃ** আঁচনিখনৰ মুঠ ব্যয় ৭,৩৩২ কোটি টকা ধাৰ্য কৰা হৈছে। পুনৰ গঠন কৰা আঁচনিৰ জৰিয়তে ৫০ লাখ নতুন হিতাধিকাৰীকে ধৰি ১.১৫ কোটি হিতাধিকাৰীক উপকৃত কৰাৰ লক্ষ্য লোৱা হৈছে। ই পদপথৰ ব্যৱসায়ীসকলৰ জীৱনত সহায়ক বুলি প্ৰমাণিত হ'ব।

- এই আঁচনিখনে পদপথৰ বিক্ৰেতাসকলক ডিজিটেলী সক্ষম, সামাজিকভাৱে সুৰক্ষিত আৰু বাণিজ্যিকভাৱে স্বাৱলম্বী কৰি তুলিব।
- পুনৰ গঠন কৰা আঁচনিখনৰ মূল বৈশিষ্ট্যসমূহৰ ভিতৰত আছে কিস্তিৰ পৰিমাণ বৰ্তমানৰ ১০,০০০ টকাৰ পৰা ১৫,০০০ টকালৈ আৰু দ্বিতীয় কিস্তিৰ পৰিমাণ ২০,০০০ৰ পৰা ২৫,০০০ টকালৈ বৃদ্ধি কৰা। তৃতীয় কিস্তিত পূৰ্বৰ দৰে ৫০,০০০ টকাই থাকিব।
- ২০২৫ চনৰ ৩০ জুলাই পৰ্যন্ত ৬৮ লাখৰো অধিক পদপথৰ ব্যৱসায়িক ১৩,৭৯৭ কোটি টকাৰ ঋণ দিয়া হৈছে। ১৩,৭৯৭ কোটি টকাৰ ৯৬ লাখৰো অধিক ঋণ দিয়া হৈছে।
- প্ৰায় ৪৭ লাখ ডিজিটেলী সক্ৰিয় হিতাধিকাৰীয়ে ৬.০৯ লাখ কোটি টকাৰ ৫৫৭ কোটিৰো অধিক ডিজিটেল লেনদেন কৰি মুঠ ২৪১ কোটি টকা কেছবেক লাভ কৰিছে।

- ‘স্বনিধি ছে সমৃদ্ধি’ পদক্ষেপৰ অধীনত, ৩,৫৬৪টা নগৰীয়া স্থানীয় নিকায়ৰ ৪৬ লাখ হিতাধিকাৰীৰ প্ৰফাইল প্ৰস্তুত কৰা হৈছে।

**সিদ্ধান্ত ঃ** কৰ্ণাটক, তেলেংগানা, বিহাৰ আৰু অসমক উপকৃত কৰা তিনিটা প্ৰকল্পৰ মাল্টি ট্ৰেকিং আৰু গুজৰাটৰ কচ্চৰ দুৰ্গম অঞ্চল সংযোগ কৰিবলৈ নতুন ৰে’ল পথৰ অনুমোদন।

**প্ৰভাৱ ঃ** প্ৰায় ১২,৩২৮ কোটি টকা ব্যয় সাপেক্ষে ৰে’ল মন্ত্ৰালয়ৰ চাৰিটা প্ৰকল্পত অনুমোদন জনোৱা হয়। এই প্ৰকল্পসমূহৰ ভিতৰত আছে প্ৰথম: দেশালপুৰ-হাজিপীৰ-লুনা আৰু ভায়োৰ-লাখপট নতুন ৰে’ল পথ, দ্বিতীয়: ছেকেণ্ডৰাবাদ (সনাথনগৰ)-ৱাডী, তৃতীয়: ভগলপুৰ-জামালপুৰ তৃতীয় পথ আৰু চতুৰ্থ: ফৰকাটিং-নিউ তিনিচুকীয়া দ্বৈত ৰে’ল পথ।.

- এই প্ৰকল্পসমূহৰ লক্ষ্য হৈছে যাত্ৰী আৰু সামগ্ৰীৰ নীৰৱচ্ছিন্ন আৰু দ্ৰুত পৰিবহণ নিশ্চিত কৰা। এই পদক্ষেপে সংযোগ প্ৰদান আৰু ভ্ৰমণৰ সুবিধা উন্নত কৰাৰ লগতে লজিষ্টিক ব্যয় হ্ৰাস কৰিব।
- এই সিদ্ধান্তই তেল আমদানিৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰাৰ লগতে কাৰ্বন ডাই অ’ইডৰ নিৰ্গমন হ্ৰাস কৰিব।
- এই প্ৰকল্পসমূহ নিৰ্মাণৰ সময়ত প্ৰায় ২.৫১ কোটি মানৱ দিন প্ৰত্যক্ষ নিয়োগ সৃষ্টি হ’ব।
- গুজৰাট, কৰ্ণাটক, তেলেংগানা, বিহাৰ আৰু অসমৰ ১৩খন জিলা সামৰি লোৱা এই চাৰিটা প্ৰকল্পই ভাৰতীয় ৰে’লৰেৰ বৰ্তমানৰ নেটৱৰ্কত প্ৰায় ৫৬৫ কিলোমিটাৰ দৈৰ্ঘ্য সংযোজন ঘটাব।

**সিদ্ধান্ত ঃ** ওড়িশাত মুঠ ৮,৩০৭.৭৪ কোটি টকা মূলধনী ব্যয়সাপেক্ষ হাইব্ৰিড এনুইটি মোড (এইচএএম)ত ৬ লেন প্ৰৱেশ-নিয়ন্ত্ৰিত কেপিটেল ৰিজন ৰিং ৰোড (ভুবনেশ্বৰ বাইপাছ, ১১০.৮৭৫ কিলোমিটাৰ) নিৰ্মাণত অনুমোদন।

**প্ৰভাৱ ঃ** এই প্ৰকল্পই কটক, ভুৱনেশ্বৰ আৰু খোৰ্ধা চহৰৰ পৰা গধুৰ বাণিজ্যিক যাতায়ত একাষৰীয়া কৰি ওড়িশা আৰু অন্যান্য পূবৰ ৰাজ্যসমূহক যথেষ্ট সুবিধা প্ৰদান কৰিব।

- ই মালবাহী বাহনৰ পৰিবহণৰ দক্ষতা বৃদ্ধি কৰিব, লজিষ্টিক ব্যয় হ্ৰাস কৰিব আৰু অঞ্চলটোৰ আৰ্থ-সামাজিক উন্নয়নক প্ৰসাৰিত কৰিব। নিৰ্মাণৰ কাম সম্পূৰ্ণ হ’লে এই বাইপাছে আঞ্চলিক অৰ্থনৈতিক উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।
- ইয়াৰ দ্বাৰা প্ৰধান ধৰ্মীয় আৰু অৰ্থনৈতিক কেন্দ্ৰসমূহৰ মাজত সংযোগ শক্তিশালী হ’ব। ইয়াৰ জৰিয়তে বাণিজ্য আৰু ঔদ্যোগিক বৃদ্ধিৰ নতুন পথ মুকলি হ’ব।

**সিদ্ধান্ত ঃ** কমনৱেলথ গেমছ ২০৩০১ বাবে নিবিদা দাখিলত অনুমোদন।



**সিদ্ধান্ত ঃ** ৰাজস্থানৰ কোটা-বুণ্ডিত আনুমানিক ১,৫০৭ কোটি টকা ব্যয় সাপেক্ষে গ্ৰীণফিল্ড বিমানবন্দৰ উন্নয়নত অনুমোদন।

**প্ৰভাৱ ঃ** কোটা এটা ঔদ্যোগিক কেন্দ্ৰৰ লগতে এটা শিক্ষাৰ কেন্দ্ৰ, য’ত আধুনিক বিমানবন্দৰৰ এটা দীৰ্ঘদিনীয়া চাহিদা আছিল।

- বৰ্তমানৰ বিমানবন্দৰটো সৰু, যিটো আধুনিকীকৰণ কৰা হৈছে আৰু এতিয়া নতুন গ্ৰীণফিল্ড বিমানবন্দৰ গঢ়ি তোলা হ’ব।
- এইটো এটা ডাঙৰ আন্তঃগাঁথনি প্ৰকল্প, যাৰ লক্ষ্য হৈছে অঞ্চলটোৰ আনুমানিক যাতায়াত বৃদ্ধিৰ সৈতে মোকাবিলা কৰা আৰু দুবছৰৰ ভিতৰত ইয়াৰ নিৰ্মাণ সম্পূৰ্ণ হ’ব।
- এই প্ৰকল্পৰ অধীনত ২০ হাজাৰ বৰ্গমিটাৰ এলেকাত এটা টাৰ্মিনেল ভৱন নিৰ্মাণ কৰা হ’ব। ইয়াৰ জৰিয়তে যাত্ৰীৰ ভিৰৰ সময়ত ১০০০গৰাকী যাত্ৰীক চম্ভালিব পৰা যাব। ইয়াৰ যাত্ৰী বহনক্ষমতা বছৰি ২০ লাখ হ’ব।

**প্ৰভাৱ ঃ** কমনৱেলথ গেমছে স্থানীয় ব্যৱসায়ীসকলক উপকৃত কৰিব আৰু ৰাজহ বৃদ্ধি কৰিব। তদুপৰি, কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰাৰ লগতে লাখ লাখ ভাৰতীয় যুৱ খেলুৱৈক অনুপ্ৰাণিত কৰিব।

- আহমেদাবাদক বিশ্বমানৰ ক্ৰীড়া আন্তঃগাঁথনিৰ আয়োজক চহৰ হিচাপে প্ৰস্তাৱ কৰা হৈছে।
- কমনৱেলথ গেমছত ৭২খন দেশে অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে।
- পৰ্যটন, বিনিয়োগ আৰু বৈশ্বিক ক্ৰীড়া অনুষ্ঠানত ভাৰতৰ স্থিতি শক্তিশালী হ’ব। ●

*কেবিনেটৰ প্ৰেছ ব্ৰিফিং চাবলৈ QR ক’ড স্কেন কৰক।*

আয়ুষ্মান ভাৰতৰ ৭ বছৰ

# সুস্থ ভাৰত

## বিকশিত ভাৰতৰ সপোন সুদৃঢ়কৰণ

বিকশিত ভাৰত ২০৪৭১ সংকল্পৰ এক গুৰুত্বপূৰ্ণ উপাদান সুস্থ ভাৰত। ভাৰত সুস্থ হোৱা আৰু ভৱিষ্যত প্ৰজন্ম সুস্থ হোৱাৰ বাবে স্বাস্থ্য সেৱা অতি সুলভ কৰি তোলাটোও সমানেই গুৰুত্বপূৰ্ণ। যেতিয়া ভাৰতৰ জনসাধাৰণে আধুনিক চিকিৎসালয় আৰু চিকিৎসাৰ সুবিধা পাব তেতিয়া তেওঁলোক সুস্থ হৈ উঠিব, তেওঁলোকৰ শক্তি সঠিক দিশত ব্যৱহাৰ হ'ব আৰু উৎপাদনশীলতাও বৃদ্ধি পাব। এই চিন্তাৰে বিগত ১১ বছৰত স্বাস্থ্য খণ্ডত এনে আধুনিক ব্যৱস্থা প্ৰতিষ্ঠা কৰা হৈছে, য'ত দৰিদ্ৰতম লোকসকলৰ আকাংক্ষা বাস্তৱায়িত হৈছে, কাৰণ অন্তৰ্ভুক্তি হৈছে নতুন ভাৰতৰ স্বাস্থ্য সংস্কাৰৰ মূল। স্বাস্থ্য খণ্ডৰ এই বিপ্লৱ এতিয়া অমৃত কালত ভাৰতক উন্নত দেশ হিচাপে গঢ়ি তোলা, সুস্থ ভাৰতৰ পৰা সুসম ভাৰতলৈ, সুসম ভাৰতৰ পৰা শক্তিশালী ভাৰতলৈ আৰু শক্তিশালী ভাৰতৰ পৰা সমৃদ্ধিশালী ভাৰতলৈ এখন উন্নত দেশ হিচাপে ভাৰতক গঢ় দিয়াৰ এক মাইলৰ খুঁটিত পৰিণত হৈছে...



'আপোনাৰ স্বাস্থ্য, আমাৰ সংকল্প' মূলমন্ত্ৰৰে ২০১৮ চনৰ ২৩ ছেপ্টেম্বৰত আৰম্ভ হোৱা বিশ্বৰ সৰ্ববৃহৎ স্বাস্থ্য আঁচনি-আয়ুষ্মান ভাৰতৰ ৭ বছৰ সম্পূৰ্ণ হৈছে। এই উপলক্ষে আমি জানো আহক স্বাস্থ্য খণ্ডত কেন্দ্ৰীয় চৰকাৰৰ এই পদক্ষেপ কেনেকৈ উন্নত ভাৰতৰ বাবে এক শক্তিশালী চালক হৈ পৰিছে...


national health authority
₹5 लाख का
मुफ़्त उपचार
नाम/NAME
ADITI YADAV
जन्म वर्ष/YOB: 2014
लिंग/GENDER: FEMALE
ABHA Number : 91-2505-0481-8775



আয়ুষ্মান ভাৰত...

# জন আৰোগ্যৰ সুৰক্ষামূলক সুবিধা

*সৰ্বজনীন স্বাস্থ্য কভাৰেজৰ দিশত কাম কৰা আয়ুষ্মান ভাৰত-প্ৰধানমন্ত্ৰীজন আৰোগ্য যোজনা (AB-PMJAY)ৰ সহায়ত ভাৰতে বিশ্বৰ সৰ্ববৃহৎ স্বাস্থ্যসেৱাৰ কল্যাণকামী আঁচনি আৰম্ভ কৰিছে। সমগ্ৰ দেশৰ ৬০ কোটিতকৈ অধিক লোকক ৫ লাখ টকা পৰ্যন্ত বিনামূলীয়া চিকিৎসা সুবিধা প্ৰদান কৰাটো কেৱল এটা কাৰ্যসূচী নহয়; ই হৈছে নতুন ভাৰতৰ আস্থা। ই এটা শক্তিশালী বাৰ্তা দিয়ে: চিকিৎসাৰ ব্যয়ৰ বাবে ভাগি পৰাৰ পৰিৱৰ্তে তেওঁলোক শক্তিশালী হৈ আগবাঢ়ি যাব। ২০১৮ চনৰ ২৩ ছেপ্টেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঝাৰখণ্ডৰ ৰাঁচীৰ পৰা আৰম্ভ কৰা বিশ্বৰ সৰ্ববৃহৎ স্বাস্থ্য বীমা আঁচনিখন দৰিদ্ৰ আৰু অভাৱগ্ৰস্ত লোকসকলৰ বাবে মানসম্পন্ন স্বাস্থ্যসেৱাৰ নিশ্চয়তা হিচাপে পৰিগণিত হৈছে...*

## দিল্লীত অতিৰিক্ত ৫ লাখ টকা টপআপ




**৩৫** সংখ্যক স্থানত থকা দিল্লীয়ে দেশত আয়ুষ্মান ভাৰত ৰূপায়ণ কৰা ২০২৫ৰ এপ্ৰিলত এই আঁচনি গ্ৰহণ কৰে।

দিল্লীৰ হিতাধিকাৰী

৬.৫৪ লাখ পৰিয়াল

৩০ লাখ লোক



জ্যেষ্ঠ নাগৰিক ০৬ লাখ

- কেন্দ্ৰই প্ৰদান কৰা ৫ লাখ টকাৰ চিকিৎসা সুবিধাৰ লগতে ৫ লাখ টকাৰ অতিৰিক্ত টপ-আপ প্ৰদানৰ সিদ্ধান্ত লৈছে দিল্লী চৰকাৰে।

## আয়ুষ্মান ভাৰতে সামৰি লৈছে জম্মু আৰু কাশ্মীৰক

জম্মু-কাশ্মীৰ দেশৰ একমাত্ৰ ৰাজ্য, য'ত ১০০% জনসাধাৰণে আয়ুষ্মান ভাৰতৰ সুবিধা লাভ কৰিছে। ২০২০ চনৰ ডিচেম্বৰত প্ৰধানমন্ত্ৰী মোদীয়ে ৰাজ্যখনত এই আঁচনিৰ আৰম্ভ কৰিছিল। প্ৰথম অৱস্থাত ৰাজ্যখনৰ মাত্ৰ ৬ লাখ পৰিয়ালেহে এই আঁচনিৰ সুবিধা লাভ কৰিছিল যদিও এতিয়া ৰাজ্যৰ ২১ লাখ পৰিয়ালে ইয়াৰ সুবিধা লাভ কৰিছে।

## ওড়িশাত মহিলা থকা পৰিয়াললৈ ৫লাখ টকাৰ অতিৰিক্ত বীমা




**৩৪** সংখ্যক স্থানত থকা ওড়িশাই দেশত আয়ুষ্মান ভাৰত ৰূপায়ণ কৰা এই আঁচনি গ্ৰহণ কৰে।

- Tগোপবন্ধু জন আৰোগ্য যোজনাৰ লগত সংগতি ৰাখি ওড়িশাত এই আঁচনি ৰূপায়ণ কৰা হৈছে।

- এই আঁচনিৰ অধীনত বছৰি প্ৰতিটো পৰিয়ালত ৫ লাখ টকাৰ সুবিধাৰ লগতে মহিলা সদস্য থকা পৰিয়ালসমূহৰ বাবে ৫ লাখ টকাৰ অতিৰিক্ত বীমাৰ ব্যৱস্থা কৰা হৈছে।

উনৈশ বছৰীয়া পাৰ্থ সাৱলীয়া সৰুৰে পৰা কাহত আক্ৰান্ত আছিল, যাৰ বাবে অভিযন্তা হোৱাৰ প্ৰচেষ্টাত বাধা আহিছিল। আহমেদাবাদৰ এখন চৰকাৰী চিকিৎসালয়ত পৰীক্ষা কৰাৰ পিছত তেওঁৰ নাকৰ হাড় (septum) বেঁকা হোৱা দেখা যায়, যাৰ চিকিৎসা (septoplasty)ৰ বাবে ১৫ হাজাৰ টকা খৰচ হ'ব বুলি কৈছিল। এইটো তেওঁৰ পৰিয়ালৰ বাবে বৰ ব্যয়বহুল আছিল। পিতৃয়ে আয়ুষ্মান ভাৰত যোজনাৰ পৰা সহায় বিচাৰিছিল। আঁচনিখনে সমগ্ৰ খৰচ বহন কৰিছিল, পৰিয়ালটোৰ এমাহৰ উপাৰ্জন ৰাহি হৈছিল আৰু পাৰ্থই



**এতিয়া বৃহৎ চিকিৎসা ব্যয় নাথাকিব; আয়ুষ্মান ভাৰতে পৰিয়ালসমূহক আজীৱন শান্তি আৰু স্বাস্থ্য সুৰক্ষা প্ৰদান কৰিছে।**



## আয়ুষ্মান ভাৰত

## প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ গুৰুত্বপূৰ্ণ দিশ




**৯.৪২+** কোটি ৰোগী এই আঁচনিৰ অধীনত হাস্পতালত ভৰ্তি

৪.২৯+ কোটি (পুৰুষ) | ৪.১৩+ কোটি (মহিলা)

**৩২,৯১২** হাস্পতাল তালিকাভুক্ত

| ১৭,৬৬৬ | ১৫,২৪৬ |
|---|---|
| চৰকাৰী | বে-চৰকাৰী হাস্পতাল |

- আৰ্থিকভাৱে দুৰ্বল জনসংখ্যাৰ ৪০% লোকক আয়ুষ্মান ভাৰতৰ অধীনত চিকিৎসালয়ত ভৰ্তি হ'লে বছৰি ৫ লাখ টকা পৰ্যন্ত স্বাস্থ্য বীমাৰ সুবিধা দিয়া হয়। ইয়াৰ ভিত্তি হৈছে আৰ্থ-সামাজিক জাতি লোকপিয়ল-২০১১।
- ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলসমূহে নন-এছইচিচি তথ্যৰ উৎস ব্যৱহাৰ কৰি নিজৰ খৰচত আঁচনিৰ হিতাধিকাৰীৰ সংখ্যা বৃদ্ধি কৰিছে।
- ১.২৫ লাখ কোটিতকৈ অধিক মূল্যৰ ৯.৪২ কোটিৰো অধিক ৰোগীক চিকিৎসালয়ত ভৰ্তিৰ অনুমতি দিয়া হয়।
- ২৭টা চিকিৎসা বিশেষজ্ঞ সুবিধাৰ পৰা ১৯৬০ৰো অধিক পদ্ধতিয়ে এই আঁচনিৰ অধীনত সুবিধা লাভ কৰিছে।

### আয়ুষ্মান কাৰ্ড বনাওক আৰু যোগ্যতা পৰীক্ষা কৰাটো সহজ

যদি আপুনি আয়ুষ্মান ভাৰতৰ হিতাধিকাৰী আৰু আয়ুষ্মান কাৰ্ড লাভ কৰিব বিচাৰে, তেন্তে আপুনি আপোনাৰ ওচৰৰ UTIIT-SL কেন্দ্ৰলৈ গৈ কাৰ্ডখন বনাব পাৰিব। লগতে আপুনি যদি এই আঁচনিৰ হিতাধিকাৰী হয়নে নহয় পৰীক্ষা কৰিব বিচাৰে, তেন্তে ইউটিআইআইটিএছএল কেন্দ্ৰতো ইয়াৰ বিষয়ে তথ্য লাভ কৰিব।

**১৪৫৫৫**

আপুনি হিতাধিকাৰী হয় নে নহয় জানিবলৈ নম্বৰটোত ফোন কৰক

**১৮০০১১০৭৭০**

এটা মিছড কল দিয়ক। ৭০ বছৰতকৈ উৰ্দ্ধৰ লোকে আয়ুষ্মান বয় বন্দনা কাৰ্ড কেনেকৈ বনাব পাৰি সেই বিষয়ে তথ্য লাভ কৰিব।

কেইসপ্তাহমানৰ পিছত পুনৰ স্কুললৈ যাবলৈ আৰম্ভ কৰিছিল।

“আয়ুষ্মান ভাৰত যোজনাৰ দ্বাৰা উপকৃত হোৱা লাখ লাখ লোকৰ ভিতৰত ময়ো এজন। মোৰ বৃক্কৰ সমস্যা আছিল আৰু এই আঁচনিৰ অধীনত বিহাৰৰ পাটনাত চিকিৎসা কৰা হৈছিল। দেশৰ দৰিদ্ৰ আৰু মধ্যবিত্তীয় জনসাধাৰণে এই আঁচনিৰ দ্বাৰা বহু সুবিধা লাভ কৰিছে। এই আঁচনিখন অতি প্ৰভাৱশালী আৰু উপকাৰী। ” সহজে স্বাস্থ্য সুবিধা পোৱা আৰু কোনো খৰচ নোহোৱাকৈ চিকিৎসা লাভ কৰাৰ এই সন্তুষ্টিৰ বাক্যশাৰী বিহাৰৰ জ্ঞানেন্দ্ৰ কুমাৰ গুপ্তাৰ, যাৰ বৃক্কৰ ৰোগ

### আয়ুষ্মান আৰোগ্য মন্দিৰ

ঘৰৰ সমীপতে প্ৰাথমিক স্বাস্থ্যসেৱা প্ৰদানৰ বাবে এই আঁচনিৰ অধীনত বৃহৎ সংখ্যক আয়ুষ্মান আৰোগ্য মন্দিৰ স্থাপন কৰা হৈছে। ২০২৫ চনৰ ১৫ জুলাইলৈকে দেশত ১,৭৮,১৫৪টা আয়ুষ্মান আৰোগ্য মন্দিৰ আৰম্ভ কৰা হৈছে। উপ-স্বাস্থ্য কেন্দ্ৰ আৰু প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ জৰিয়তে ব্যাপক প্ৰাথমিক স্বাস্থ্যসেৱা শক্তিশালী কৰা হৈছে। ইয়াত সংক্ৰামক আৰু অসংক্ৰামক ৰোগ আৰু প্ৰজনন আৰু শিশু স্বাস্থ্য সেৱাৰ লগতে মুঠ ১২ প্ৰকাৰৰ ৰোগৰ যত্ন লোৱা হৈছে।

# ...নহ'লে বীমাহীন পৰিয়ালৰ পকেটৰ পৰা ধন খৰচ হ'লহেঁতেন




ৰাষ্ট্ৰীয় নমুনা জৰীপ সংস্থা (এনএছএছঅ')ৰ ৭১ সংখ্যক সমীক্ষাত পোৱা গৈছে যে ৮৫.৯% গ্ৰাম্য পৰিয়াল আৰু ৮২% চহৰৰ পৰিয়ালৰ স্বাস্থ্য বীমা নাই। ভাৰতীয় জনসংখ্যাৰ ১৭%তকৈ অধিক লোকে তেওঁলোকৰ ঘৰুৱা বাজেটৰ কমেও ১০% স্বাস্থ্য সেৱাৰ বাবে ব্যয় কৰে। স্বাস্থ্য সেৱাৰ বাবে অত্যধিক ব্যয়ে পৰিয়ালসমূহক ঋণৰ মাজলৈ ঠেলি দিয়ে। ভাৰতৰ গ্ৰাম্য অঞ্চলৰ ২৪%তকৈ অধিক জনসংখ্যা আৰু চহৰ অঞ্চলৰ ১৮% জনসংখ্যাই কিবা নহয় কিবা প্ৰকাৰৰ ঋণৰ জৰিয়তে তেওঁলোকৰ স্বাস্থ্যসেৱাৰ খৰচ পূৰণ কৰে। এতিয়া প্ৰায় ৬০ কোটি জনসংখ্যা ইয়াৰ অধীনত সামৰি লোৱা হৈছে, যাৰ ফলত তেওঁলোক স্বাস্থ্য খৰচৰ চিন্তাৰ পৰা মুক্ত হৈছে।

আয়ুষ্মান যোজনাৰ সহায়ত বিনামূলীয়াকৈ চিকিৎসা কৰা হৈছে।এই আঁচনিখন যথেষ্ট ফলদায়ক আৰু লাভজনক। ” সহজে চিকিৎসা সুবিধা লাভ কৰাৰ সন্তুষ্টি আৰু বিনামূলীয়াকৈ চিকিৎসা সেৱা লাভ কৰাৰ সন্তোষভৰা এই কথা বিহাৰৰ জ্ঞানেন্দ্ৰ কুমাৰ গুপ্তাৰ, যাৰ আয়ুষ্মান যোজনাৰ সুবিধাৰে বৃক্ক ৰোগৰ বিনামূলীয়া চিকিৎসা সম্ভৱ হয়। জ্ঞানেন্দ্ৰই চিকিৎসাৰ পিছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ পত্ৰ লিখি আন্তৰিক কৃতজ্ঞতা প্ৰকাশ কৰে। এই পৰিৱৰ্তনশীল আঁচনিখনে জ্ঞানেন্দ্ৰৰ দৰে লাখ লাখ লোক উপকৃত হোৱাটো সহজ



আয়ুষ্মান ভাৰত, সকলোৰে জীৱন কৰচ, মহিলা, জ্যেষ্ঠ, আৰু শিশুৰ বাবে সংবেদনশীল আৰু নিৰ্ভৰযোগ্য স্বাস্থ্য সুৰক্ষা, যাতে দেশৰ সকলো বয়সৰ লোক আৰু প্ৰতিটো পৰিয়ালৰ লোক চিন্তামুক্ত হৈ থাকিব পাৰে।

কৰি তুলিছে, যিসকলে প্ৰায় এদশক পূৰ্বে চিকিৎসা ব্যয়ৰ বোজাৰ বাবে দৰিদ্ৰ সীমাৰেখাৰ তললৈ গৈছিল। এনে পৰিস্থিতিত ৫ লাখ টকা পৰ্যন্ত বিনামূলীয়া চিকিৎসাৰ বৈপ্লৱিক আঁচনিখন দেশৰ ৬০ কোটিৰো অধিক দৰিদ্ৰ, মধ্যবিত্ত, জ্যেষ্ঠ লোকৰ বাবে আশীৰ্বাদ হৈ পৰিছে। দেশত আগতেও সৰ্বজনীন স্বাস্থ্যসেৱাৰ কথা কোৱা হৈছিল, কিন্তু প্ৰথমবাৰৰ বাবে কোনো চৰকাৰে ৫ লাখ টকা পৰ্যন্ত বিনামূলীয়া চিকিৎসাৰে বিশ্বৰ বৃহত্তম স্বাস্থ্যসেৱাৰ সুবিধা প্ৰদান কৰিছে।

জ্ঞানেন্দ্ৰই যেতিয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক শব্দৰে নিজৰ অনুভৱ প্ৰকাশ কৰিছিল তেতিয়া তেওঁ নাগৰিকৰ সৈতে সংযুক্ত অনুভৱ কৰিছিল। দেশৰ নাগৰিকৰ কল্যাণৰ প্ৰতি প্ৰধানমন্ত্ৰী মোদী কিমান সংবেদনশীল সেই কথাও বিহাৰৰ পাটনা নিবাসী জ্ঞানেন্দ্ৰলৈ লিখা এখন চিঠিত স্পষ্ট হৈ পৰিছে। তেওঁ নিজৰ পত্ৰত লিখিছে, “আপোনাৰ স্বাস্থ্যৰ উন্নতিৰ বিষয়ে জানিবলৈ পাই মই অতিশয় আনন্দিত হৈছোঁ। আপুনি পত্ৰত আয়ুষ্মান ভাৰত যোজনাৰ জৰিয়তে বিগত দিনত বৃক্কৰ সফল চিকিৎসাৰ বিষয়ে চিঠিখনত বিনিময় কৰা তথ্যই হৃদয়ক অপৰিসীম সন্তুষ্টি প্ৰদান কৰিছে। “ জ্ঞানেন্দ্ৰই নিজৰ পত্ৰত লিখিছে, “আপোনাৰ (পিএম মোদী) সাহস আৰু ব্যক্তিত্বৰ পৰা দেশৰ জনসাধাৰণে সকাহ আৰু পথ প্ৰদৰ্শন লাভ কৰি যাব।” ইয়াৰ উত্তৰত প্ৰধানমন্ত্ৰী মোদীয়েও নিজৰ মনোভাৱ শব্দৰে প্ৰকাশ কৰাৰ পৰা বিৰত থাকিব নোৱাৰিলে। তেওঁ লিখিছে, “আমি চিকিৎসাৰ খৰচৰ বাবে পৰিয়ালৰ জীৱনভৰৰ সঞ্চয় টিলিকতে শেষ হোৱা দেখিছোঁ। বহু সময়ত মানুহে এই খৰচৰ বাবে চিকিৎসা ল'বলৈও অনিচ্ছুক হৈছিল। আজি আয়ুষ্মান ভাৰত যোজনাই এই কথা সুনিশ্চিত কৰিছে যে কোনো ভাৰতীয়ই যাতে চিকিৎসাৰ পৰা বঞ্চিত নহয়। উপযুক্ত চিকিৎসা পালেই কেনেদৰে এজন ব্যক্তিৰ জীৱনে নতুন আশা আৰু দিশ পায়, এই আঁচনিখনে সেই কথা প্ৰমাণ কৰি দেখুৱাইছে। ”

এজন সুস্থ ব্যক্তিয়ে কেৱল তেওঁৰ পৰিয়ালকে সম্বল নিদিয়ে, বৰং ৰাষ্ট্ৰ নিৰ্মাণৰ প্ৰক্ৰিয়াতো সক্ৰিয় ভূমিকা পালন কৰে। এই বাস্তৱতাক নীতি আৰু আঁচনিৰ সৈতে সংযুক্ত কৰি বিগত ১১ বছৰত কেন্দ্ৰ চৰকাৰে স্বাস্থ্য খণ্ডত এক নতুন বিপ্লৱৰ সূচনা কৰিছে। আজি দেশৰ প্ৰতিজন দৰিদ্ৰ লোকক উন্নত স্বাস্থ্য সুবিধা প্ৰদানৰ অভিযান দ্ৰুত গতিত চলি আছে। ইয়াৰ বাবে স্বাস্থ্য শিক্ষাৰ ক্ষেত্ৰত বৃহৎ সংস্কাৰ কৰা হৈছে, ইয়াৰ লগতে, দেশত চিকিৎসাৰ আসনৰ সংখ্যাও যথেষ্ট বৃদ্ধি হৈছে। আয়ুষ্মান ভাৰত যোজনাৰ অধীনত দেশৰ প্ৰতিখন গাঁৱলৈ গুণগত মানৰ স্বাস্থ্য সেৱা আগবঢ়োৱা হৈছে।জন ঔষধি আঁচনিৰ জৰিয়তে দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ বাবে সুলভ মূল্যৰ ঔষধ উপলব্ধ কৰোৱা হৈছে। গৰ্ভৱতী মহিলা আৰু শিশুৰ টীকাকৰণৰ তথ্য লাভ কৰিবলৈ এটা ডিজিটেল প্লেটফৰ্মৰ ব্যৱস্থা কৰা হৈছে। কোটি কোটি মানুহৰ এক অনন্য ডিজিটেল স্বাস্থ্য

> দেশৰ স্বাস্থ্য খণ্ডক ৰূপান্তৰিত কৰিবলৈ আমি এটা ৰাষ্ট্ৰীয় পন্থা, এটা নতুন ৰাষ্ট্ৰীয় স্বাস্থ্য নীতিৰ দিশত কাম কৰিছোঁ। স্বচ্ছ ভাৰত অভিযানৰ পৰা আৰম্ভ কৰি আয়ুষ্মান ভাৰত আৰু আয়ুষ্মান ভাৰত ডিজিটেল মিছনলৈকে এনে বহু প্ৰচেষ্টা ইয়াৰে অংশ।
>
> - নৰেন্দ্ৰ মোদী
> প্ৰধানমন্ত্ৰী





# স্বাস্থ্য সেৱাৰ সুবিধা উন্নত হোৱাৰ লগে লগে ইতিবাচক ফলাফল লাভ

চিকিৎসা শিক্ষাৰ সুযোগ সলনি হ'ল




*ইয়াৰে ১৯খনত স্নাতকৰ পাঠগ্ৰহণ আৰম্ভ

**১৩,৮৬,১৫৭**

ৰাষ্ট্ৰীয় চিকিৎসা আয়োগৰ মতে, পঞ্জীয়নভুক্ত এলোপেথিক চিকিৎসক আছে

**৮১১**জন লোকক ১জন চিকিৎসকে সেৱা আগবঢ়ায়

**১৫৭**

খন জিলা !ৰেফাৰেল হাস্পতালক উন্নীত কৰি চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণত অনুমোদন জনোৱা হৈছে, ইয়াৰে ১৩১খনত কাম আৰম্ভ হৈছে।.

**৭৫**টা

প্ৰকল্প অনুমোদন কৰা হৈছিল। প্ৰধানমন্ত্ৰী স্বাস্থ্য সুৰক্ষা যোজনাৰ অধীনত ছুপাৰ স্পেচিয়েলিটি ব্লকৰ বাবে। ইয়াৰ ভিতৰত ৭১টা প্ৰকল্প সম্পূৰ্ণ হৈছে।

## স্বাস্থ্যৰ ব্যয় বৃদ্ধিৰ ফলত সাধাৰণ লোকৰ ধন ৰাহি হ'ল

যোৱা দশকত স্বাস্থ্য সম্পৰ্কীয় কাম-কাজৰ বিত্তীয় সাহায্যৰ ক্ষেত্ৰত প্ৰচণ্ড পৰিৱৰ্তন দেখা গৈছে। কেন্দ্ৰীয় চৰকাৰে নিজৰ কল্যাণমূলক আঁচনিৰ জৰিয়তে চিকিৎসাৰ বাবে সাধাৰণ মানুহৰ ব্যয়ৰ বোজা হ্ৰাস কৰিছে। ২০১৩-১৪ চনৰ পৰা ২০২১-২২ চনলৈ পৰিস্থিতিৰ বৃহৎ পৰিৱৰ্তন হৈছে। ২০১৩-১৪ চনত স্বাস্থ্যৰ মুঠ ব্যয়ত চৰকাৰৰ অংশ আছিল ২৮.৬%, আৰু সাধাৰণ মানুহৰ অংশ আছিল ৬৪.২%। ২০২১-২২ চনত সাধাৰণ মানুহৰ চিকিৎসাৰ বাবে ব্যয় ৩৯.৪% লৈ হ্ৰাস পাইছে। একে সময়তে চৰকাৰৰ ব্যয় প্ৰায় ৪৮ শতাংশলৈ বৃদ্ধি পাইছে।

- ২০২৪-২৫ চনৰ অৰ্থনৈতিক সমীক্ষাত কোৱা হৈছে যে আয়ুষ্মান ভাৰত প্ৰধান মন্ত্ৰীজন আৰোগ্য যোজনাই অতিৰিক্ত ব্যয় হ্ৰাস কৰাত সহায় কৰিছে, ১.২৫ লাখ কোটি টকাৰো অধিক সঞ্চয় পঞ্জীয়ন কৰা হৈছে।



পৰিচয় আছে। টেলিমেডিচিনৰ বাবে এতিয়া আৰু চিকিৎসকৰ পৰা কোনো বেছি দূৰৈত নাই। কেন্দ্ৰীয় চৰকাৰৰ পদক্ষেপৰ বাবে এক উৎসাহজনক অগ্ৰগতি হৈছে। মুঠ স্বাস্থ্য ব্যয়ৰ শতাংশ হিচাপে ব্যক্তিগতভাৱে কৰা ব্যয় যথেষ্ট হ্ৰাস পাইছে। লগতে চৰকাৰী স্বাস্থ্য ব্যয় যথেষ্ট বৃদ্ধি পাইছে। এতিয়ালৈকে প্ৰায় দুই লাখ স্বাস্থ্য-সুস্থতা কেন্দ্ৰ নিৰ্মাণ কৰা হৈছে। এতিয়া ব্লক পৰ্যায়ত ভাল চিকিৎসালয় আৰু আধুনিক লেবৰ নেটৱৰ্ক গঢ়ি তোলাৰ ক্ষেত্ৰত বিশেষ কাম কৰা হৈছে। স্বাস্থ্য খণ্ডত স্বাধীনতাৰ ৬-৭ দশকত যি কাম নহ'ল, সেয়া যোৱা ১১ বছৰত হৈছে। দেশত অভিলেখ সংখ্যক নতুন AIIMS আৰু চিকিৎসা মহাবিদ্যালয় মুকলি কৰা হৈছে। এই ক্ৰমাৎ বৃদ্ধি পোৱা চিকিৎসালয়ৰ সংখ্যাই দেখুৱাইছে যে চিকিৎসাৰ আসনসমূহো একে গতিৰে বৃদ্ধি পাইছে, যাৰ ফলত এজন দুখীয়া শিশুৰ চিকিৎসক হোৱাৰ সপোন সহজেই পূৰণ হৈছে। কোনো মধ্যবিত্ত শিশোৱে বাধ্যতামূলকভাৱে চিকিৎসা অধ্যয়নৰ বাবে বিদেশলৈ যাব নালাগে। চিকিৎসাৰ আসন বৃদ্ধিৰ বাবে এটা অভিযান চলি আছে। বিগত ১১ বছৰত এমবিবিএছ

# মাতৃ-শিশুৰ মৃত্যুৰ হাৰ হ্ৰাস




মাতৃৰ মৃত্যুৰ হাৰ (প্ৰতি লাখ জন্মত)

ৰাষ্ট্ৰসংঘৰ মাতৃ মৃত্যুৰ আনুমানিক হিচাপ আন্তঃসংস্থা গোটৰ (UN-MMEIG) প্ৰতিবেদন অনুসৰি, ভাৰতত ১৯৯০ চনৰ পৰা ২০২৩ চনৰ ভিতৰত মাতৃৰ মৃত্যুৰ হাৰ ৮৬% হ্ৰাস পাইছে।




■ জিডিপিত ক্ৰমাগতভাৱে বৃদ্ধি পালে স্বাস্থ্য খণ্ডৰ ব্যয়ৰ অংশ




■ স্বাস্থ্যৰ ওপৰত চৰকাৰী ব্যয়ৰ অংশ সাধাৰণ চৰকাৰী ব্যয়ত বৃদ্ধি পালে




(*বিঃদ্ৰঃ- সকলো পৰিসংখ্যা শতাংশত)




শিশুৰ মৃত্যুৰ হাৰ (প্ৰতি ১০০০ জীৱিত জন্মৰ বিপৰীতে)

১৯৯০ চনৰ পৰা ২০২৩ চনৰ ভিতৰত ভাৰতত ৭১% হ্ৰাস পোৱাৰ বিপৰীতে বিশ্বজুৰি এই হ্ৰাস ৫৮%।

নৱজাতকৰ মৃত্যুৰ হাৰ (প্ৰতি ১০০০ জীৱিত জন্মৰ বিপৰীতে)




৫ বছৰৰ তলৰ শিশুৰ মৃত্যুৰ হাৰ (প্ৰতি ১০০০ জীৱিত জন্মৰ বিপৰীতে)




(*নমুনা পঞ্জীয়ন ব্যৱস্থাৰ পাৰিসাংখ্যিক প্ৰতিবেদন ২০২১ অনুসৰি তথ্য)

আৰু এমডিৰ মুঠ এক লাখৰো অধিক নতুন আসন সংযোজন কৰা হৈছে। দৰাচলতে, যিখন দেশত এসময়ত স্বাস্থ্যসেৱাৰ সুবিধা বিশেষাধিকাৰৰ ওপৰত নিৰ্ভৰশীল আছিল, সেইখন দেশত প্ৰধানমন্ত্ৰী মোদীয়ে কোনো ভাৰতীয় যাতে পিছ পৰি নাথাকে তাৰ বাবে জনস্বাস্থ্য সুবিধাসমূহৰ ভেটি পুনৰ সংজ্ঞায়িত কৰিছে। ২০১৪ চনৰ আগতে, ভাৰতত স্বাস্থ্য এটা অৱহেলিত খণ্ড আছিল, স্বাধীনতাৰ ৭০ বছৰৰ পাছতো সৰ্বজনীন স্বাস্থ্যসেৱা কাগজত থাকি গৈছিল। কিন্তু বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰে আয়ুষ্মান ভাৰত আঁচনিৰ জৰিয়তে ইয়াক বাস্তৱত পৰিণত কৰিছে। স্বাস্থ্য বাজেট ৮৫% বৃদ্ধি হৈছে, যাৰ ফলত এই কথা সুনিশ্চিত হৈছে যে সম্পদ যাতে দেশৰ প্ৰতিটো চুকে-কোণে যায়। ২০১৪ চনত প্ৰধানমন্ত্ৰী মোদী ক্ষমতালৈ অহাৰ পূৰ্বে ভাৰতত স্বাস্থ্যসেৱা, দুখীয়াৰ ওপৰত বোজা আছিল। পৰিয়ালসমূহে প্ৰায়ে চিকিৎসা আৰু অন্যান্য প্ৰয়োজনীয় আৱশ্যকতাৰ মাজত বাছনি কৰিবলগীয়া হৈছিল। এই কথা দ্ৰুতগতিত সলনি হৈ আছে। স্বাস্থ্যৰ বাবে হোৱা অতিৰিক্ত ব্যয় দ্ৰুতগতিত হ্ৰাস পাইছে।



ঐতিহাসিক পদক্ষেপৰ ১১ বছৰ

# ভাৰতত স্বাস্থ্য বিপ্লৱৰ আধাৰ

## ৰাষ্ট্ৰীয় স্বাস্থ্য নীতি-২০১৭

ভাৰতত সকলোৰে বাবে সমান, সুলভ, আৰু মানসম্পন্ন স্বাস্থ্যসেৱা নিশ্চিত কৰি সৰ্বজনীন স্বাস্থ্য কভাৰেজ লাভ কৰাৰ লক্ষ্যৰে কেন্দ্ৰীয় কেবিনেটে ২০১৭ চনৰ ১৫ মাৰ্চত নতুন ৰাষ্ট্ৰীয় স্বাস্থ্য নীতিত অনুমোদন জনায়।

অমৃত ফাৰ্মাচী

## আধা দামতে গুৰুতৰ ৰোগৰ সংৰোপণ আৰু ঔষধ

গুৰুতৰ ৰোগত আক্ৰান্ত ৰোগীক সকাহ দিবলৈ কেন্দ্ৰীয় চৰকাৰে বহু চৰকাৰী চিকিৎসালয়ত অমৃত ফাৰ্মাচী আৰম্ভ কৰিছে। ইয়াত ঔষধ, সংৰোপণ, অস্ত্ৰোপচাৰৰ ডিছপ'জেবল, আৰু অস্ত্ৰোপচাৰৰ সঁজুলি বজাৰৰ হাৰৰ তুলনাত ৫০ শতাংশ পৰ্যন্ত ৰেহাইত উপলব্ধ। কৰ্কট আৰু হৃদৰোগৰ দামী ঔষধ সুলভ মূল্যত উপলব্ধ।

প্ৰায় **৬** কোটিৰো অধিক নাগৰিক উপকৃত হৈছে







প্ৰধানমন্ত্ৰী জন ঔষধি কেন্দ্ৰ

## অৰ্থাৎ সুলভ মূল্যত মানসম্পন্ন ঔষধ

৫০ৰ পৰা ৯০% সস্তা দামত সাধাৰণ মানুহৰ বাবে দামী ঔষধ উপলব্ধ কৰিবলৈ প্ৰধানমন্ত্ৰী ভাৰতীয় জন ঔষধি পৰিযোজনা আৰম্ভ কৰা হয়। ইয়াৰ অধীনত এই বছৰৰ ৩০ জুনলৈকে প্ৰায় ১৭ হাজাৰ মেডিচিন চেণ্টাৰ মুকলি কৰা হৈছে। ২০২৭ চনৰ মাৰ্চ মাহৰ ভিতৰত ইয়াৰ সংখ্যা ২৫ হাজাৰলৈ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে।

লাভ

**২,১১০** বিধ ঔষধ আৰু ৩১৫টা অস্ত্ৰোপচাৰৰ সঁজুলি সুলভ মূল্যত উপলব্ধ।



**৩৮,০০০** কোটি টকা আনুমানিক সঞ্চয় যোৱা ১১ বছৰত সাধাৰণ মানুহৰ হৈছে।

## আঁঠু সংৰোপণ সহজ হৈ পৰিল...

২০১৭ চনৰ আগষ্ট মাহত কৃত্ৰিম আঁঠুৰ দাম নিৰ্ধাৰণ কৰা হয়। ইয়াৰ অধীনত সৰ্বাধিক ব্যৱহৃত কোবাল্ট ক্ৰ'মিয়াম আঁঠুৰ মূল্য ৬৫% হ্ৰাস কৰা হয় আৰু সৰ্বাধিক মূল্য ৫৪,৭২০ টকা নিৰ্ধাৰণ কৰা হয়। টাইটানিয়াম আৰু অ'ডাইজড জিৰকনিয়ামৰ দৰে বিশেষ ধাতুৰে নিৰ্মিত আঁঠুৰ মূল্য ৬৯% হ্ৰাস কৰি সৰ্বাধিক মূল্য ৭৬,৬০০ টকা কৰা হৈছে।



## হৃদৰোগীৰ বাবে সকাহ

কেন্দ্ৰীয় চৰকাৰে ২০১৭ চনৰ ফেব্ৰুৱাৰী মাহত হৃদৰোগীক সৰ্বাধিক সকাহ দি বেয়াৰ ধাতুৰ ষ্টেণ্টৰ মূল্য ৭,২৬০ টকা আৰু ড্ৰাগ-ইল্যুটিং আৰু বায়'ডিগ্ৰেডেবল ষ্টেণ্টৰ মূল্য ২৯,৬০০ টকা নিৰ্ধাৰণ কৰে। ই তেতিয়াৰ বজাৰৰ মূল্যতকৈ প্ৰায় ৮৫% কম আছিল।

*যিকোনো দেশৰ এক শক্তিশালী স্বাস্থ্য আন্তঃগাঁথনি কেৱল নাগৰিক কল্যাণৰ বাবেই গুৰুত্বপূৰ্ণ নহয়, ই অৰ্থনৈতিক প্ৰগতি আৰু সামাজিক স্থিতিশীলতাতো অৰিহণা যোগায়। এই চিন্তাৰে বিগত ১১ বছৰত এনে বহু পদক্ষেপ গ্ৰহণ কৰা হৈছে, যিয়ে ভাৰতৰ স্বাস্থ্য খণ্ডত এক নতুন বিপ্লৱৰ ভেটি স্থাপন কৰে...*

মাতৃ স্বাস্থ্য আঁচনি

## জীয়াই থকাৰ ভেটি আৰু এক শক্তিশালী ভৱিষ্যৎ

ভাৰতত দীৰ্ঘদিন ধৰি মাতৃ মৃত্যুৰ হাৰ জনস্বাস্থ্যৰ বিষয় হৈ আহিছে। এই দিশত বহু গুৰুত্বপূৰ্ণ প্ৰচেষ্টা চলোৱা হৈছে। জননী শিশু সুৰক্ষা কাৰ্যক্ৰমৰ অধীনত ২০১৪-১৫ বৰ্ষৰ পৰা ১৬.৬০ কোটিৰো অধিক হিতাধিকাৰীক বিনামূলীয়া প্ৰাতিষ্ঠানিক প্ৰসৱ আৰু নৱজাতকৰ যত্নৰ প্ৰসাৰৰ বাবে সেৱা আগবঢ়োৱা হৈছে। একে সময়তে, জননী সুৰক্ষা যোজনাত চৰ্তসাপেক্ষ নগদ ধন হস্তান্তৰৰ জৰিয়তে প্ৰাতিষ্ঠানিক প্ৰসৱক উৎসাহিত কৰা হৈছে, য'ত ২০২৫ চনৰ মাৰ্চ মাহলৈকে ১১.০৭ কোটিতকৈ অধিক মহিলা উপকৃত হৈছে। আনহাতে সুৰক্ষা মাতৃত্ব আশ্বাসনে (SUMAN) গৰ্ভৱতী মহিলাৰ বাবে সন্মানজনক আৰু গুণগত যত্ন শক্তিশালী কৰিছে, যাৰ অধীনত ২০২৫ চনৰ মাৰ্চ মাহৰ ভিতৰত সমগ্ৰ ভাৰতবৰ্ষত ৯০,০১৫খন SUMAN স্বাস্থ্য সুবিধা জাৰি কৰা হৈছে।



প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনা: ছোৱালীৰ প্ৰথম প্ৰসৱত ৫,০০০ টকা, দ্বিতীয় প্ৰসৱত ৬,০০০ টকা লাভ।

## পিএম আয়ুষ্মান ভাৰত স্বাস্থ্য আন্তঃগাঁথনি অভিযান

কোভিড-১৯ৰ পৰা শিক্ষা লৈ প্ৰধানমন্ত্ৰী মোদীয়ে ২০২১ চনৰ ২৫ অ'ক্টোবৰত বুনিয়াদী স্বাস্থ্য আন্তঃগাঁথনিৰ পৰিৱৰ্তনৰ বাবে দেশৰ সৰ্ববৃহৎ পদক্ষেপ আৰম্ভ কৰে। ইয়াৰ নাম প্ৰধানমন্ত্ৰী- আয়ুষ্মান ভাৰত স্বাস্থ্য আন্তঃগাঁথনি অভিযান। এই পৰিৱৰ্তনশীল পদক্ষেপৰ লক্ষ্য হৈছে ২০২৫-২৬ চনৰ ভিতৰত প্ৰাথমিক, মাধ্যমিক, আৰু তৃতীয় পৰ্যায়ত মুঠ ৬৪,১৮০ কোটি টকা ব্যয়েৰে এক শক্তিশালী স্বাস্থ্য ব্যৱস্থা গঢ়ি তোলা, যাতে বৰ্তমানৰ লগতে ভৱিষ্যতেও মহামাৰী, জনস্বাস্থ্যৰ জৰুৰীকালীন অৱস্থা, আৰু দুৰ্যোগৰ সৈতে ফলপ্ৰসূভাৱে মোকাবিলা কৰিব পৰা যায়।

## চিকিৎসালয়ত ডে কেয়াৰ কেন্সাৰ চেণ্টাৰ

ইণ্ডিয়ান কাউন্সিল অৱ মেডিকেল ৰিছাৰ্চ (আইচিএমআৰ)ৰ এক অধ্যয়ন অনুসৰি ২০২০ চনৰ তুলনাত ২০২৫ চনৰ শেষৰ ফালে ভাৰতত কৰ্কট ৰোগীৰ সংখ্যা ১৩% বৃদ্ধি পাব। এই কাৰণেই কেন্দ্ৰীয় চৰকাৰে ২০২৫-২৬ চনত দেশত ২০০টা কেন্সাৰ চেণ্টাৰ স্থাপন কৰাৰ সিদ্ধান্ত লৈছে। ইয়াৰ উপৰিও আগন্তুক ৩ বছৰত সকলো জিলা চিকিৎসালয়তে ডে কেয়াৰ কেন্সাৰ চেণ্টাৰ (ডিচিচিচি) স্থাপনৰ পৰিকল্পনা কৰিছে। ৩৬খন জীৱন ৰক্ষাকাৰী ঔষধক মৌলিক সীমা শুল্কৰ পৰা সম্পূৰ্ণৰূপে ৰেহাই দিয়া হৈছে যাতে সুলভ মূল্যৰ ঔষধ ৰোগীৰ বাবে উপলব্ধ হয়।

## এতিয়া সহজ, সুলভ, নিৰ্ভৰযোগ্য স্বাস্থ্য সেৱা প্ৰতিখন ঘৰতে উপনীত হৈছে

যোৱা ১১ বছৰত ভাৰতৰ স্বাস্থ্যসেৱা ব্যৱস্থাৰ পৰিৱৰ্তন হৈছে। দৰিদ্ৰ পৰিয়ালক চিকিৎসাৰ গধুৰ খৰচৰ পৰা নিৰাপত্তাৰ আৱৰণ দিয়াৰ উদ্দেশ্যে ২০১৮ চনত আয়ুষ্মান ভাৰত আঁচনি আৰম্ভ কৰা হৈছিল। আজি এই আঁচনিৰ দ্বাৰা প্ৰায় ৪১ কোটি লোক উপকৃত হৈছে। ইয়াত বীমা, ৰোগ প্ৰতিৰোধ, আৰু ডিজিটেল প্ৰযুক্তিৰ ওপৰত গুৰুত্ব দিয়া হৈছে, যিয়ে আৰ্তজনক সুলভ আৰু সহজ চিকিৎসা প্ৰদান কৰিছে। আৰম্ভণিৰে পৰা আয়ুষ্মান ভাৰত আঁচনিৰ লক্ষ্য আছিল দুটা ডাঙৰ সমস্যা মোকাবিলা কৰা- গাঁৱত ভাল স্বাস্থ্যসেৱাৰ অভাৱ আৰু দৰিদ্ৰ পৰিয়ালৰ চিকিৎসাৰ অত্যধিক খৰচ। ২০১৮ চনৰ আগতে গাঁৱত বাস কৰা লোকসকলে প্ৰায়ে এই অসুবিধাৰ সন্মুখীন হৈছিল। এই সমস্যা সমাধানৰ বাবে চৰকাৰে প্ৰধানমন্ত্ৰীজন আৰোগ্য যোজনা (PM-JAY) আৰম্ভ কৰে, যাৰ অধীনত প্ৰতিটো পৰিয়ালে প্ৰতি বছৰে ৫ লাখ টকা পৰ্যন্ত বিনামূলীয়া চিকিৎসা লাভ কৰিব পাৰে। মাত্ৰ ৭ বছৰত আয়ুষ্মান কাৰ্ড পোৱা লোকৰ সংখ্যাই ৪১ কোটি অতিক্ৰম কৰিছে। ই কেৱল আয়ুষ্মান কাৰ্ড নহয়; ই দুখীয়াৰ বাবে জীৱন কৱচ।

## নাগৰিকৰ চিকিৎসাৰ বাবে হোৱা অতিৰিক্ত খৰচ হ্ৰাস পাইছে

স্বাস্থ্যখণ্ডত এই সাফল্যৰ আটাইতকৈ ডাঙৰ কাৰণটো হ'ল মানুহে এতিয়া পকেটৰ পৰা চিকিৎসাৰ বাবে আগৰ দৰে খৰচ কৰিব নালাগে। ২০১৪ চনত, যেতিয়া আয়ুষ্মান ভাৰত আঁচনি আৰম্ভ হোৱা নাছিল, তেতিয়া চিকিৎসাৰ খৰচৰ প্ৰায় ৬২% মানুহে নিজেই বহন কৰিছিল। এতিয়া মাত্ৰ ৩৮% লৈ নামি আহিছে। প্ৰধানমন্ত্ৰীজন আৰোগ্য যোজনাৰ সহায়ত সমগ্ৰ দেশৰ জনসাধাৰণে ১.২৫ লাখ কোটিৰো অধিক ধন সঞ্চয় কৰিছে। ইয়াৰ সমান্তৰালভাৱেজন ঔষধি কেন্দ্ৰৰ পৰা সস্তা ঔষধ ক্ৰয় কৰি ৩৮,০০০ কোটিৰো অধিক টকা সঞ্চয় কৰিছে। "আয়ুষ্মান

আৰোগ্য মন্দি” পদক্ষেপৰ অধীনত প্ৰায় ২ লাখ সুস্থতা কেন্দ্ৰ মুকলি কৰা হৈছে। এই কেন্দ্ৰসমূহে গাঁও আৰু মহল্লাত মানুহৰ পৰীক্ষা কৰে, বিশেষকৈ উচ্চ ৰক্তচাপ, ছুগাৰৰ দৰে ৰোগৰ।

এই আঁচনিৰ বাবে এই পৰ্যন্ত ২০০ কোটিৰো অধিক পৰীক্ষা কৰা হৈছে, যাৰ ফলত ৰোগসমূহ আগতীয়াকৈ চিনাক্ত কৰাত সহায়ক হয় আৰু ব্যয়বহুল চিকিৎসাৰ প্ৰয়োজনীয়তাও হ্ৰাস পায়। লগতে ২০২১ চনৰ অ'ৈবৰ মাহত আৰম্ভ হোৱা “প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত স্বাস্থ্য আন্তঃগাঁথনি অভিযান”ৰ অধীনত ৬৪,০০০ কোটিতকৈ অধিক ব্যয় কৰি দেশৰ চিকিৎসালয়সমূহৰ উন্নতি সাধন কৰা হৈছে। পূৰ্বে পিছপৰি থকা অঞ্চলসমূহত এতিয়া জটিল ৰোগৰ বাবে বিশেষ ব্যৱস্থা, নিৰীক্ষণ কেন্দ্ৰ আৰু প্ৰাথমিক স্বাস্থ্য গোট সৃষ্টি কৰা হৈছে।

## স্বাস্থ্যৰ চিন্তাৰ পৰা প্ৰতিজন জ্যেষ্ঠ ব্যক্তিয়ে সকাহ পাইছে

ভাৰতৰ বৃদ্ধ ব্যক্তিৰ জনসংখ্যা ক্ৰমাগতভাৱে বৃদ্ধি পাইছে। এক প্ৰতিবেদন অনুসৰি, ২০২৬ চনৰ ভিতৰত ১৭ কোটি, ২০৩৬ চনৰ ভিতৰত প্ৰায় ২৩ কোটি, আৰু ২০৫০ চনৰ ভিতৰত ৩৫ কোটি অৰ্থাৎ মুঠ জনসংখ্যাৰ ২০ শতাংশতকৈও অধিক হ'ব। যোৱা কেইবছৰমানৰ পৰা জ্যেষ্ঠ নাগৰিকসকলৰ জনসংখ্যা নিৰন্তৰ বৃদ্ধিৰ মূল কাৰণসমূহ হ'ল কেন্দ্ৰীয় চৰকাৰৰ ফালৰপৰা স্বাস্থ্য, পেঞ্চন, আত্মনিয়োগ, স্বাৱলম্বিতাৰ সৈতে জড়িত প্ৰভাৱশালী আঁচনি। ইয়াৰ ফলত জ্যেষ্ঠ নাগৰিকসকল কেৱল দীৰ্ঘায়ু হোৱাই নহয়, বৰং নিৰাপদ, সন্মানীয়, সৃষ্টিশীল আৰু মৰ্যাদাপূৰ্ণ জীৱন যাপন কৰিব পাৰিছে। ইয়াৰ বাবে ২০২৪ চনৰ শেষৰ ফালে আয়ুষ্মান ভাৰত আঁচনিৰ অধীনত এক বৈপ্লৱিক পদক্ষেপ গ্ৰহণ কৰা হৈছিল। এতিয়া ৭০ বছৰ আৰু তাৰ ওপৰৰ প্ৰতিজন ভাৰতীয় নাগৰিকক এই আঁচনিত অন্তৰ্ভুক্ত কৰা হৈছে, তেওঁলোকৰ আয় বা পটভূমি নিৰ্বিশেষে। ইয়াৰ লগে লগে প্ৰায় ৬ কোটি বয়োজ্যেষ্ঠ লোকে চিকিৎসাৰ সুবিধা লাভ কৰিবলৈ আৰম্ভ কৰে। বয়সৰ এই পৰ্যায়ত যেতিয়া স্বাস্থ্যৰ চিন্তা বেছি হয়, তেতিয়া ইয়াৰ পৰা মুক্তি দিয়াৰ ক্ষেত্ৰত ই এক সংবেদনশীল প্ৰচেষ্টা হৈ পৰিছে। এতিয়া বৃহৎ চিকিৎসালয়তো বিনামূলীয়া চিকিৎসা লাভ কৰিব পাৰিব বৃদ্ধ-সকলে। ২০২৫ চনৰ জানুৱাৰী মাহলৈকে ৪০ লাখতকৈ অধিক বৃদ্ধ লোকে এই আঁচনিখনত নামভৰ্তি কৰিছিল, যাতে তেওঁলোকে স্বাস্থ্যজনিত সমস্যাৰ বাবে চিন্তা কৰিব নালাগে।

## আঁচনি মহিলাৰ বাবে এক আশীৰ্বাদ হৈ পৰিল

মহিলা আৰু আগশাৰীৰ স্বাস্থ্যকৰ্মীসকল আয়ুষ্মান ভাৰত আঁচনিৰ প্ৰধান শক্তি আৰু হিতাধিকাৰী হৈ আহিছে। এই আঁচনিৰ অধীনত



## আয়ুষ্মান ভাৰত ডিজিটেল মিছন

**৮০.৪৭** কোটিতকৈ অধিক আয়ুষ্মান ভাৰত স্বাস্থ্য একাউণ্ট (ABHA) সৃষ্টি

**৭১.৪৪** কোটি ইলেক্ট্ৰনিক স্বাস্থ্য অভিলেখ বিভিন্ন স্বাস্থ্য পৰ্টেলৰ সৈতে সংযুক্ত কৰা হৈছে

**৪.২১** লাখতকৈ অধিক পৰীক্ষিত স্বাস্থ্য সুবিধা কেন্দ্ৰ পঞ্জীকৃত

**৬.৯৩** লাখতকৈ অধিক পৰীক্ষিত স্বাস্থ্য পেছাদাৰীয়ে পঞ্জীয়ন কৰিছে।

*(বিঃদ্ৰঃ ১ ছেপ্টেম্বৰ-২০২৫ লৈকে তথ্য)*

## টেলিমেডিচিন সেৱা ই-সঞ্জীৱনী, এতিয়া ঘৰতে চিকিৎসাৰ ব্যৱস্থা

২০২০ চনত, কোভিডৰ সময়ত যেতিয়া মানুহৰ বাবে সৰু সৰু ৰোগৰ বাবেও চিকিৎসকৰ পৰামৰ্শ লোৱাটো কঠিন হৈ পৰিছিল, তেতিয়া বিনামূলীয়া আৰু দূৰৱৰ্তী চিকিৎসাৰ পৰামৰ্শৰ লক্ষ্যৰে ই-সঞ্জীৱনীৰ ৰূপত বিনামূলীয়া টেলি কনছালটেচন আৰম্ভ কৰা হৈছিল।

**৩৬+** কোটি লোক এই পৰ্যন্ত উপকৃত হৈছে।

**১৩০** জন বিশেষ চিকিৎসক ই-সঞ্জীৱনীত উপলব্ধ।

**২,৩২,২৯১** স্বাস্থ্যসেৱা প্ৰদানকাৰী ইয়াৰ সৈতে এতিয়ালৈকে জড়িত হৈ আছে।



## ডিজিটেল স্বাস্থ্য অভিযান

# স্বাস্থ্য সেৱাত সুবিধাসমূহৰ নতুন অধ্যায়

*১৪০ কোটি জনসংখ্যা আৰু ভৌগোলিক প্ৰত্যাহ্বান থকা ভাৰতৰ দৰে দেশত শেষ ব্যক্তিজনলৈকে স্বাস্থ্য সেৱাৰ সুবিধা প্ৰদান কৰাটো প্ৰত্যাহ্বানতকৈ কম নহয়। সেয়েহে স্বাস্থ্য সেৱাত প্ৰযুক্তি সংযোজন কৰি সাধাৰণ মানুহৰ বাবে সুলভ কৰি তোলাৰ লক্ষ্যৰে ২০২০ চনত ৰাষ্ট্ৰীয় ডিজিটেল স্বাস্থ্য অভিযান আৰম্ভ কৰা হয়। পাইলট প্ৰকল্পৰ সফলতাৰ পিছত সমগ্ৰ দেশতে আয়ুষ্মান ভাৰত ডিজিটেল মিছন হিচাপে ইয়াক ৰূপায়ণ কৰা হয়। ইয়াৰ অধীনত প্ৰতিজন ভাৰতীয়ক হেল্থ আইডি দিয়া হৈছে। এই স্বাস্থ্য একাউণ্টত প্ৰতিটো পৰীক্ষা, প্ৰতিটো ৰোগ, চিকিৎসকৰ ওচৰলৈ যোৱা, গ্ৰহণ কৰা ঔষধ আৰু নিদানৰ সবিশেষ তথ্য সন্নিবিষ্ট কৰা হয়। ৰোগীয়ে নতুন ঠাইলৈ স্থানান্তৰিত হ'লেও বা নতুন চিকিৎসকক লগ পালেও এইটো এটা পৰ্টেবল সেৱা। তেওঁ মাত্ৰ ABHA (unique number) ক'ব লাগিব, তেওঁৰ স্বাস্থ্যৰ লগত জড়িত সকলো তথ্য উপলব্ধ হ'ব। ইয়াৰ লগতে পঞ্জীয়নভুক্ত স্বাস্থ্যসেৱা পেছাদাৰীসকলৰ বিস্তৃত তথ্যকোষৰ স্বাস্থ্যসেৱা পেছাদাৰী পঞ্জীয়ন, সমগ্ৰ ভাৰতবৰ্ষৰ স্বাস্থ্যসেৱা সুবিধাসমূহৰ ডিজিটেল ষ্ট'ৰৰ স্বাস্থ্যসেৱা সুবিধা পঞ্জীয়ন আৰু মুক্ত ৰেবৰ অধীনত চিকিৎসালয়, চিকিৎসক আৰু পৰীক্ষাগাৰৰ বাবে সংহত স্বাস্থ্য আন্তঃপৃষ্ঠ মঞ্চ মুকলি কৰি স্বাস্থ্যসেৱাৰ সুবিধাসমূহ ডিজিটেলভাৱে প্ৰদান কৰে।*



### আপোনাৰ বাবে গুৰুত্বপূৰ্ণ...

এনেকৈ বনাব পাৰে আপোনাৰ 'আভা কাৰ্ড'

অফিচিয়েল ৱেবছাইট https://abha.abdm.gov.in/abha/v3/ ৰ জৰিয়তে আপুনি আপোনাৰ আভা কাৰ্ড বনাব পাৰে।

- ৱেবছাইটটো চোৱাৰ পিছত আপুনি 'Create ABHA Number' ত ক্লিক কৰিব লাগিব। ইয়াৰ পিছত আধাৰ বা ড্ৰাইভিং লাইচেন্সৰ বিকল্পত ক্লিক কৰিব লাগিব।
- আপুনি যি বিকল্প বাছি লয়, তাৰ পিছত আপুনি আপোনাৰ সবিশেষ পূৰণ কৰিব লাগিব। যেনে আধাৰ নম্বৰটো দিয়ক, তাৰ পিছত মোবাইলত এটা OTP আহিব। ইয়াত প্ৰৱেশ কৰক।
- লগতে আপোনাৰ ই-মেইল ঠিকনাও দিয়ক।
- ইয়াৰ পিছত পৃষ্ঠাত Next বিকল্পটোত ক্লিক কৰি আগবাঢ়ক। আপোনাৰ ABHA কাৰ্ড প্ৰস্তুত হৈ যাব।

### ইউ-ৱিন

ৰণ প্ৰদানৰ ক্ষেত্ৰত দক্ষতা আৰু জবাবদিহিতা আৰু অধিক বৃদ্ধিৰ বাবে চৰকাৰে ইউনিভাৰ্ছেল ইমিউনাইজেচন প্ৰগ্ৰেম (ইউআইপি)ৰ অধীনত ডিজিটেল পদক্ষেপ ইউ-ৱিন প্লেটফৰ্ম মুকলি কৰে। ই এনে এটা ডিজিটেল প্লেটফৰ্ম যিয়ে গৰ্ভৱতী মহিলা আৰু শিশু (০-১৬ বছৰ)ৰ বাবে টীকাকৰণক সুশৃংখলিত আৰু নিৰীক্ষণ কৰে।



**১০.৪৮ কোটি** হিতাধিকাৰী ২০২৫ চনৰ মে' পৰ্যন্ত ইউ-ৱিনত পঞ্জীয়ন কৰা হৈছে।

**৯৩.৯১** লাখ প্ৰসৱ

**১.৮৮** কোটি টীকাকৰণ সত্ৰ

**৪১.৭৩** কোটি ভেকচিনৰ মাত্ৰা নথিভুক্ত

প্ৰায় ৪৯ শতাংশ আয়ুষ্মান কাৰ্ড মহিলাৰ, আৰু চিকিৎসালয়ত ভৰ্তি হোৱাসকলৰ ভিতৰত ৪৮ শতাংশ মহিলা। ২০২৪ চনৰ ফেব্ৰুৱাৰী মাহত, চৰকাৰে তেওঁলোকৰ জৰুৰী ভূমিকাৰ কথা স্বীকাৰ কৰি ৩৭ লাখ আশা কৰ্মী, অংগনৱাড়ী কৰ্মী আৰু সহায়িকাকো এই আঁচনিত অন্তৰ্ভুক্ত কৰে। এই শ্ৰমিকসকলক নিৰাপত্তা প্ৰদান কৰি এই আঁচনিখনে ভাৰতৰ প্ৰাথমিক স্বাস্থ্য সেৱাক শক্তিশালী কৰি তুলিছে। ভাৰতৰ স্বাস্থ্যসেৱা খণ্ডৰ আন এক বৃহৎ সফলতা হ'ল দিল্লীক আয়ুষ্মান ভাৰত আঁচনিত অন্তৰ্ভুক্ত কৰা। পূৰ্বে দিল্লীবাসীয়ে ৰাজনৈতিক কাৰণত এই আঁচনিৰ সুবিধা লাভ নকৰাৰ বাবে ব্যয়বহুল ব্যক্তিগত চিকিৎসাৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছিল। কিন্তু প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে এই আঁচনি দিল্লীলৈ সম্প্ৰসাৰিত কৰিলে, যাৰ ফলত এতিয়া আৰ্থিকভাৱে দুৰ্বল লোকসকলক বিনামূলীয়া আৰু উন্নত মানৰ চিকিৎসা নিশ্চিত কৰা হৈছে।

### সামাজিক চিন্তাৰ আঁচনিয়ে ধৰণ সলনি কৰিছে

সুস্থ চিন্তা সুস্থ মন এটাৰ পূৰ্বচৰ্ত। এখন অস্বাস্থ্যকৰ সমাজ বা অশিক্ষিত সমাজ বিকশিত ভাৰতৰ যাত্ৰাত আটাইতকৈ ডাঙৰ বাধা হ'ব পাৰে। একবিংশ শতিকাৰ ভাৰতত সপোন পূৰণৰ ক্ষমতা ব্যক্তি আৰু পৰিয়ালৰ পৰাই আৰম্ভ হয়, কিন্তু জনসাধাৰণ যদি শিক্ষিত নহয়, সুস্থ নহয়, তেন্তে সেই ঘৰখন সুখী নহয়, সেই দেশো সুখী নহয়। সেয়েহে কেন্দ্ৰীয় চৰকাৰে স্বাস্থ্য সম্পৰ্কীয় সামাজিক চিন্তাৰ বিভিন্ন আঁচনি ৰূপায়ণ কৰি বৈপ্লৱিক পৰিৱৰ্তন আনিছে। সকলোৱে নিজাকৈ পকী ঘৰ থাকিব লাগে, আজি যাৰ বাবে গৃহ নিৰ্মাণৰ আঁচনি আছে। লগতে উজ্জ্বলাৰ জৰিয়তে

## ক'ভিড প্ৰত্যাহ্বান

# এনেকৈ ৰাষ্ট্ৰখনে যুঁজিছিল



*২০২০ চনত ক'ভিড-১৯ মহামাৰীয়ে কেৱল প্ৰত্যাহ্বানৰ সৃষ্টি কৰাই নহয় ভৱিষ্যতৰ অসুবিধাৰ বাবে সাজু হোৱাৰ দক্ষতাও প্ৰদান কৰিছিল। সমগ্ৰ বিশ্বৰ লগতে ভাৰততো যেতিয়া এই মহামাৰী বিয়পি পৰিছিল, তেতিয়া দেশখনে স্বাস্থ্যৰ আন্তঃগাঁথনিৰ আমূল পৰিৱৰ্তন আৰম্ভ কৰিছিল। ভাৰতে কেৱল এই প্ৰত্যাহ্বানৰ বিৰুদ্ধে যুঁজ দিয়াই নহয়, থলুৱা ভেকচিনেৰে বিশ্বৰ সৰ্ববৃহৎ টিকাকৰণ অভিযান চলাই বিশ্বৰ নেতা হিচাপেও আত্মপ্ৰকাশ কৰে...*

**আটাইতকৈ ডাঙৰ কৃতিত্ব**

**২২০.৬৭+**

কোটি ভেকচিনৰ পালি ভাৰতত সফলতাৰে প্ৰদান কৰা হৈছিল।

- ২০২১ চনৰ ১৭ ছেপ্টেম্বৰত প্ৰধানমন্ত্ৰী মোদীৰ জন্মদিন উপলক্ষে এদিনতে ২.৫০ কোটিৰো অধিক পালি প্ৰদান কৰা হৈছিল। এদিনত সৰ্বাধিক পালিৰ অভিলেখ।
- ভেকচিন মৈত্ৰী কাৰ্যসূচীৰ অধীনত ভাৰতে 'বসুধৈৱ কুটুম্বকম' (বিশ্ব এক পৰিয়াল), আৰু এক পৃথিৱী-এক স্বাস্থ্য মন্ত্ৰৰে বিশ্বৰ আন দেশসমূহক ৩০ কোটি পালি প্ৰদান কৰিছিল।

**আন্তঃগাঁথনিৰ ক্ষেত্ৰত ঐতিহাসিক অগ্ৰগতি**



| | মাৰ্চ, ২০২০ | এতিয়া |
|---|---|---|
| টেষ্টিং লেব | ১৪ | ৩,৪০০ |

| | মাৰ্চ, ২০২০ | নৱেম্বৰ, ২০২৩ |
|---|---|---|
| আইচিইউৰ বিছনা | ২,১৬৮ | ১.৪৫ লাখ |
| অক্সিজেন বেড | ৫০,৫৮৩ | ৫.৫ লাখ |

| পিপিই কিট নিৰ্মাণ। মাৰ্চ, ২০২০ | এতিয়া ক্ষমতা |
|---|---|
| 0 | প্ৰতিদিনে ৪.৫ লাখ |

- ১৫০০ৰো অধিক পিএছএ অক্সিজেন প্লাণ্ট স্থাপন কৰা হৈছে। প্ৰধানমন্ত্ৰী কেয়াৰৰ লগতে বিভিন্ন মন্ত্ৰালয় আৰু পিএছইউৰ সহায়ত এই উদ্যোগসমূহ স্থাপন কৰা হৈছিল।
- ৯০০খন অক্সিজেন ৰে'লৰ জৰিয়তে গুৰুতৰভাৱে ক্ষতিগ্ৰস্ত ৰাজ্যসমূহলৈ ৩৬,৮৪০ টনতকৈ অধিক তৰল চিকিৎসা অক্সিজেন পৰিবহণ কৰা হয়।
- সম্পূৰ্ণ কাৰ্যক্ষম আইছ'লেশ্যন আৰু কোৱাৰেণ্টাইনৰ সুবিধালৈ ৰূপান্তৰিত হ'ল ৪১৭৬টা ৰে'লৰে দবা। বায়ুসেনাই ক্ৰায়'জেনিক অক্সিজেন টেংকাৰ আৰু অত্যাৱশ্যকীয় চিকিৎসা সঁজুলি বিমানেৰে লৈ যায়।





প্ৰতিটো পাকঘৰত বিদ্যুৎ, বিনামূলীয়া ৰন্ধন গেছ বাস্তৱত পৰিণত হৈছে, স্বচ্ছতা মিছনৰ জৰিয়তে ১২ কোটি শৌচাগাৰ নিৰ্মাণ কৰা হৈছে, জল জীৱন মিছনৰ জৰিয়তে প্ৰায় ১৬ কোটি গ্ৰাম্য পৰিয়ালৰ বাবে বিশুদ্ধ পানীৰ সুবিধা নিশ্চিত কৰা হৈছে। আজি প্ৰায় ৬০ কোটি ভাৰতীয়ক সামৰি আয়ুষ্মান ভাৰত যোজনাই দৰিদ্ৰ আৰু নব্য মধ্যবিত্ত শ্ৰেণীৰ বাবে উচ্চমানৰ আৰু সুলভ স্বাস্থ্যসেৱা নিশ্চিত কৰিছে। বিশ্বৰ অন্যতম খ্যাতিসম্পন্ন স্বাস্থ্য আলোচনী 'দ্য লেঞ্চেটে' আয়ুষ্মান ভাৰতক প্ৰশংসা কৰি কয় যে এই আঁচনিখনে ভাৰতৰ স্বাস্থ্য খণ্ডৰ সৈতে জড়িত অসন্তুষ্টি দূৰ কৰিছে। এই সকলোবোৰ সামাজিক চিন্তা আঁচনিয়ে স্বাস্থ্য প্ৰত্যাহ্বানক পৰাস্ত কৰাত পৰিৱৰ্তনশীল ভূমিকা গ্ৰহণ কৰিছে। 'দ্য লেঞ্চেটে' ইয়াৰ এটা অধ্যয়নত প্ৰকাশ কৰিছে যে আয়ুষ্মান ভাৰতৰ বাবে কৰ্কট ৰোগৰ চিকিৎসা সময়মতে আৰম্ভ কৰাৰ ক্ষেত্ৰত যথেষ্ট উন্নতি হৈছে। ৰোগীসকলে ৩০ দিনৰ ভিতৰত কৰ্কট ৰোগৰ চিকিৎসাৰ সুবিধা লাভ ৯০ শতাংশ বৃদ্ধি পোৱা দেখা গৈছে। এতিয়া নতুন ভাৰতে সংকল্প লৈছে যে আমি একেলগে এনে এখন ভাৰত গঢ়িম যি স্বৰাজৰ সপোন পূৰণ কৰিব।

### জন ঔষধি: "কম দাম, উন্নত ঔষধ"

বহু সময়ত চিকিৎসাৰ বাবে চিকিৎসালয়ত ভৰ্তি হোৱাৰ প্ৰয়োজন নাই। চিকিৎসকে দিয়া ঔষধ ঘৰতে খালেই হয়। চিকিৎসা বিপণীৰ পৰা সস্তীয়া ঔষধ পোৱাৰ সুবিধাও উপলব্ধ। ভাৰতীয় জন ঔষধি

"ভাৰতৰ স্বাস্থ্য সংস্কাৰৰ মূলতে আছে অন্তৰ্ভুক্তি। আমি বিশ্বৰ সৰ্ববৃহৎ স্বাস্থ্য বীমা আঁচনি আয়ুষ্মান ভাৰত চলাইছো। পৃথিৱীৰ স্বাস্থ্য নিৰ্ভৰ কৰে আমি আটাইতকৈ দুৰ্বল লোকসকলৰ কিমান ভালদৰে যত্ন লওঁ তাৰ ওপৰত। উন্নয়নশীল দেশসমূহ স্বাস্থ্যজনিত প্ৰত্যাহ্বানৰ দ্বাৰা বিশেষভাৱে প্ৰভাৱিত। ভাৰতৰ দৃষ্টিভংগীয়ে এনে এক আৰ্হি প্ৰদান কৰে যিটো অনুকৰণীয়, গণ্য কৰিবপৰা আৰু বহনক্ষম।

**- নৰেন্দ্ৰ মোদী**
প্ৰধানমন্ত্ৰী

# ভাৰতে যোগ, আয়ুৰ্বেদ, আৰু পৰম্পৰাগত চিকিৎসা বিজ্ঞানৰ বিশ্বব্যাপী স্বীকৃতি অক্ষুণ্ণ ৰাখিছে

*আজি যোগ, আয়ুৰ্বেদ, আৰু পৰম্পৰাগত চিকিৎসাই পুনৰবাৰ বিশ্বব্যাপী স্বীকৃতি লাভ কৰিছে, আৰু ইয়াৰ আঁৰত আছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ চিন্তাধাৰা, যাৰ সহায়ত ২০১৪ চনত প্ৰথমবাৰৰ বাবে তেওঁলোকৰ বাবে এটা বিশেষ আয়ুস মন্ত্ৰালয় গঠন কৰা হৈছিল। এতিয়া আয়ুৰ্বেদ আৰু যোগৰ প্ৰতি মনোভাৱ কেৱল দেশতে নহয়, সমগ্ৰ বিশ্বতে সলনি হৈছে, আৰু ইয়াৰ গ্ৰহণযোগ্যতাও বৃদ্ধি পাইছে...*

**৭,৫১,৭৬৮**

গৰাকী চিকিৎসক আয়ুস চিকিৎসা ব্যৱস্থাত সম্প্ৰতি পঞ্জীয়ন হৈ আছে

ভাৰতে প্ৰমাণভিত্তিক পৰম্পৰাগত চিকিৎসা বিজ্ঞানৰ ক্ষেত্ৰত বিশ্বত নিজকে আগশাৰীৰ দেশ হিচাপে প্ৰতিষ্ঠা কৰিছে, আৰু আয়ুস গৱেষণা পৰ্টেলত এতিয়া ৪৩,০০০ৰো অধিক অধ্যয়ন সন্নিৱিষ্ট কৰা হৈছে।



- ২০১৫ চনৰ ২১ জুনত প্ৰথমবাৰৰ বাবে আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ আয়োজন কৰা হয়। ২০১৪ চনৰ ১১ ডিচেম্বৰত ৰাষ্ট্ৰসংঘই ভাৰতৰ প্ৰস্তাৱমৰ্মে ২১ জুন তাৰিখটো আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস হিচাপে ঘোষণা কৰে।
- যোৱা ১০ বছৰত প্ৰকাশিত গৱেষণা পত্ৰৰ সংখ্যা যোৱা ৬০ বছৰৰ প্ৰকাশনতকৈ অধিক।
- আয়ুস খণ্ডই দ্ৰুত অৰ্থনৈতিক বৃদ্ধি প্ৰদৰ্শন কৰিছে আৰু ইয়াৰ উৎপাদনী বজাৰৰ আকাৰ ২০১৪ চনত ২.৮৫ বিলিয়ন ডলাৰৰ পৰা ২০২৩ চনত ২৩ বিলিয়ন ডলাৰলৈ বৃদ্ধি পাইছে। আয়ুস উদ্যোগে দ্ৰুতগতিত ২০০ বিলিয়ন ডলাৰৰ লক্ষ্যৰ দিশে আগবাঢ়িছে।
- আয়ুস গ্ৰীডৰ অধীনত আন্তঃগাঁথনি শক্তিশালী কৰা হৈছে আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ সংহতিৰ ওপৰত নতুন ৰূপত মনোনিৱেশ কৰা হৈছে।
- ৱাই-ব্ৰেক যোগৰ দৰে অধিক সামগ্ৰিক বিষয়বস্তু সন্নিৱিষ্ট কৰিবলৈ এক প্লেটফৰ্ম আইজিঅ'টি।
- যোগক প্ৰসাৰিত কৰাৰ বাবে ডিজিটেল প্ৰযুক্তিৰ সহায় লোৱা হৈছে।
- গুজৰাটৰ জামনগৰত বিশ্ব স্বাস্থ্য সংস্থাৰ গ্ল'বেল চেণ্টাৰ ফৰ ট্ৰেডিচনেল মেডিচিন প্ৰতিষ্ঠা কৰাটো এক ঐতিহাসিক সাফল্য, যিয়ে পৰম্পৰাগত চিকিৎসাৰ ক্ষেত্ৰত ভাৰতৰ নেতৃত্বক শক্তিশালী কৰে।
- ২০২৫ চনৰ ৫ জানুৱাৰীত দিল্লীৰ ৰোহিণীত কেন্দ্ৰীয় আয়ুৰ্বেদ গৱেষণা প্ৰতিষ্ঠানৰ নতুন ভৱনৰ আধাৰশিলা স্থাপন কৰে প্ৰধানমন্ত্ৰী মোদীয়ে।
- যোৱা দশকত আয়ুস ব্যৱস্থা ১০০ খনতকৈও অধিক দেশলৈ সম্প্ৰসাৰিত হৈছে। চিকিৎসা বিজ্ঞানৰ পৰম্পৰাগত ব্যৱস্থাৰ সম্প্ৰসাৰণৰ বাবে দেশত ১০খন নতুন আয়ুস প্ৰতিষ্ঠান মুকলি কৰা হৈছে।
- ভাৰত চৰকাৰে ২০২৫ চনৰ ২৯ মে'ত 'আয়ুস বিনিয়োগ সাৰথি' পৰ্টেল মুকলি কৰে। এয়া এক নিবেদিত, বিনিয়োগকাৰীকেন্দ্ৰিক ডিজিটেল প্লেটফৰ্ম।

প্ৰকল্পই ঔষধৰ ব্যয় সন্দৰ্ভত দেশৰ কোটি কোটি জনসাধাৰণৰ চিন্তা দূৰ কৰাই নহয়, তেওঁলোকৰ জীৱনকো সহজ কৰি তুলিছে। এই প্ৰকল্পটোৱে সাধাৰণ মানুহৰ জীৱনত ইতিবাচক প্ৰভাৱ পেলাইছে। দেশৰ ১২ লাখৰো অধিক নাগৰিকে প্ৰতিদিনে জন ঔষধি কেন্দ্ৰৰ পৰা ঔষধ ক্ৰয় কৰি আছে। ইয়াত উপলব্ধ ঔষধ বজাৰ মূল্যতকৈ ৫০১ পৰা ৯০ শতাংশ কম। কেৱল এয়াই নহয়, যেতিয়া বৃক্কৰ ৰোগ তীব্ৰ হৈ পৰে, তেতিয়া ডায়েলাইছিছ অবিৰতভাৱে কৰিব লাগে, নিয়মিতভাৱে কৰিব লাগে, দূৰলৈ যাত্ৰা কৰিব লাগে, আৰু ইয়াৰ বাবে বহুত খৰচ হয়। যাৰ বাবে কেন্দ্ৰীয় চৰকাৰে দেশৰ ৭০০ৰো অধিক জিলাত ১৫০০ৰো অধিক ডায়েলাইছিছ কেন্দ্ৰ মুকলি কৰিছে। ইয়াত বিনামূলীয়া ডায়েলাইছিছৰ সুবিধাও উপলব্ধ।

## সহানুভূতি হৈ পৰিল স্বাস্থ্য বিপ্লৱৰ ভেটি

পুৰণি প্ৰজন্মই ভালদৰেই জানে যে আগতে কোনো ব্যক্তি যদি ঘৰত অসুস্থ হৈ পৰে তেন্তে তাৰ অৰ্থ আছিল সমগ্ৰ পৰিয়ালটো কষ্টৰ মাজেৰে পাৰ হ'ব। দৰিদ্ৰ পৰিয়ালৰ কোনোবা যদি গুৰুতৰভাৱে অসুস্থ হৈ পৰে তেন্তে পৰিয়ালৰ প্ৰতিজন সদস্যৰ ওপৰতে ইয়াৰ প্ৰভাৱ পৰে।



# প্ৰধানমন্ত্ৰী ডায়েলাইছিছ প্ৰগ্ৰেমৰ ফলত ৮,০০০ কোটি টকা ৰাহি

প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় ডায়েলাইছিছ প্ৰগ্ৰেমৰ অধীনত দেশৰ ৩৬খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰায় ৭৫০খন জিলাৰ ১৬৭৪টা কেন্দ্ৰত ১১৭৫৭টা হিমো-ডায়েলাইছিছ মেচিন ব্যৱহাৰ কৰি ৰোগীক ডায়েলাইজিং কৰা হৈছে। ২০২৫ চনৰ ৩ জুনলৈকে মুঠ ২৭.৮৬ লাখ ৰোগীয়ে ডায়েলাইছিছ সেৱা লাভ কৰিছে। এই সময়ছোৱাত মুঠ ৩৪২.২৫ লাখ হিমো-ডায়েলাইছিছ ছেছন কৰা হৈছিল। ই হ'ল প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় ডায়েলাইছিছ কাৰ্যসূচীৰ ফল, এতিয়ালৈকে এই আঁচনিৰ জৰিয়তে ৰোগীসকলে মুঠ ৮,০০০ কোটি টকা ৰাহি কৰিছে।

এসময়ত মানুহে চিকিৎসাৰ বাবে ঘৰ-মাটি, গহনা ইত্যাদি বিক্ৰী কৰিব লগা হৈছিল। গুৰুতৰ ৰোগৰ চিকিৎসাৰ খৰচ শুনি দুখীয়াই বিধ্বস্ত হৈ পৰিব। বৃদ্ধা মাতৃয়ে ভাবিব লগা হৈছিল যে নিজৰ চিকিৎসা কৰিব নে নাতি-নাতিনীৰ পঢ়া-শুনাত খৰচ কৰিব। বৃদ্ধ দেউতাকে ভাবিব লগা হৈছিল যে নিজে চিকিৎসা কৰিব নে ঘৰৰ খৰচ চোৰাচিতা কৰিব। গতিকে দৰিদ্ৰ পৰিয়ালটোৰ বয়োজ্যেষ্ঠসকলে মাত্ৰ এটা বাটহে বাছিব পাৰিছিলে। মনে মনে বিপদবোৰ সহ্য কৰাটো। বিষ সহ্য কৰাটো। মনে মনে মৃত্যুৰ বাবে অপেক্ষা কৰিছিল। ধনৰ অভাৱত চিকিৎসা লাভ কৰিব নোৱাৰাৰ অসহায়তাই দুখীয়া মানুহক ছিন্নভিন্ন কৰি পেলাইছিল। সংবেদনশীল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সেই যন্ত্ৰণা অনুভৱ কৰিছিল, আৰু সেই সংবেদনশীলতাৰ পৰাই জন্ম হৈছিল আয়ুষ্মান ভাৰত যোজনাৰ। কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্ত লৈছে যে ৫ লাখ টকা পৰ্যন্ত দৰিদ্ৰ লোকক চিকিৎসালয়ত ভৰ্তি কৰাৰ খৰচ চৰকাৰে বহন কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও ৰাজহুৱা মঞ্চৰ পৰা বহুবাৰ কৈছে, "মই বিচাৰো মোৰ স্বাস্থ্য এনেকুৱা হওক যাতে ই দেশৰ বাবে বোজা হৈ নাযায়। মই মোৰ শেষ উশাহলৈকে এজন সুস্থ ব্যক্তি হিচাপে জীয়াই থাকিব বিচাৰো।" স্বাস্থ্যৰ প্ৰতি সচেতন দৃষ্টিভংগী আৰু সংবেদনশীলতাৰ বাবেই প্ৰথমবাৰৰ বাবে যিকোনো চৰকাৰৰ কাৰ্যসূচীত স্বাস্থ্য সৰ্বোচ্চ অগ্ৰাধিকাৰ হিচাপে পৰিগণিত হৈছে। দীৰ্ঘদিন ধৰি দেশৰ আকাংক্ষা আছিল যে দেশত এনে আধুনিক স্বাস্থ্য ব্যৱস্থা হওক যিয়ে দুখীয়াৰ ভিতৰত দুখীয়া লোকৰো যত্ন লয়। দুখীয়াৰ স্বাস্থ্যৰ যত্ন লোৱা, দুখীয়া লোকক ৰোগৰ পৰা ৰক্ষা কৰা, আৰু যদি তেওঁলোক অসুস্থ হৈ পৰে, তেন্তে তেওঁলোকক উত্তম চিকিৎসা প্ৰদান কৰা স্বাস্থ্য ব্যৱস্থা। এক ভাল স্বাস্থ্য সুবিধা ব্যৱস্থা মানে কেৱল আন্তঃগাঁথনি নিৰ্মাণ কৰাই নহয়। যিকোনো দেশৰ স্বাস্থ্য ব্যৱস্থা তেতিয়াহে শক্তিশালী হয় যেতিয়া ই সকলো দিশতে সমাধান আগবঢ়ায়, প্ৰতিটো খোজতে সমৰ্থন আগবঢ়ায়। সেয়েহে বিগত ১১ বছৰত দেশৰ ভিতৰতে সামগ্ৰিক স্বাস্থ্যসেৱাক সৰ্বোচ্চ অগ্ৰাধিকাৰ হিচাপে ৰখা হৈছে। যোৱা ১১ বছৰত ভাৰতত স্বাস্থ্যৰ ক্ষেত্ৰত যিমান কাম কৰা হৈছে, সেয়া যোৱা ৭০ বছৰতো হোৱা নাই। এখন দেশৰ নাগৰিক যিমানেই সুস্থ হয়, সিমানেই সেই দেশৰ প্ৰগতিৰ গতি দ্ৰুত হয়। এই চিন্তাৰে নাগৰিকৰ স্বাস্থ্যক অগ্ৰাধিকাৰ দি কেন্দ্ৰীয় চৰকাৰে ২০১৭ চনৰ স্বাস্থ্যনীতিৰ সৈতে ইউনিভাৰ্ছেল হেল্থকেয়াৰৰ এক নতুন পদক্ষেপ আৰম্ভ কৰে।



১১ বছৰত স্বাস্থ্য খণ্ডই এক নতুন ইতিহাস সৃষ্টি কৰিছে। অভিলেখসংখ্যক এইমছ আৰু চিকিৎসা মহাবিদ্যালয় নিৰ্মাণ হৈছে, স্বাস্থ্যৰ ওপৰত বোজা কমিছে, আৰাম আৰু নিৰাপত্তা বৃদ্ধি পাইছে।




আজি দেশে এটা নহয়ছটা দিশত হাজাৰ হাজাৰ কোটি টকাৰ অভিলেখ বিনিয়োগেৰে দৰিদ্ৰতম দৰিদ্ৰ লোককো স্বাস্থ্য সুবিধা প্ৰদানৰ বাবে কাম কৰি আছে।

- প্ৰথম দিশ - প্ৰতিৰোধমূলক স্বাস্থ্যসেৱাৰ প্ৰসাৰ।
- দ্বিতীয় দিশ - প্ৰতিখন গাঁৱতে সৰু আৰু আধুনিক চিকিৎসালয় খোলা।
- তৃতীয় দিশ - চহৰসমূহত চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসা গৱেষণাৰ ডাঙৰ ডাঙৰ প্ৰতিষ্ঠান মুকলি কৰা।
- চতুৰ্থ দিশ - সমগ্ৰ দেশতে চিকিৎসক আৰু পেৰামেডিকেল কৰ্মচাৰীৰ সংখ্যা বৃদ্ধি কৰা।
- পঞ্চম দিশ - ৰোগীক সুলভ মূল্যৰ ঔষধ আৰু সস্তাৰ সঁজুলি যোগান ধৰা।
- ষষ্ঠ দিশ - প্ৰযুক্তি ব্যৱহাৰ কৰি ৰোগীয়ে সন্মুখীন হোৱা অসুবিধাসমূহ দূৰ কৰা।

কেৱল চিকিৎসাই নহয়, চিকিৎসাৰ পিছত চিকিৎসালয়ৰ পৰা ওলাই অহাৰ পিছতো চৰকাৰে সা-সুবিধাৰ যত্ন লৈছে, যাতে দৰিদ্ৰ সীমাৰেখা অতিক্ৰমি অহাসকলে কোনো কাৰণতে দৰিদ্ৰ সীমাৰেখাৰ তললৈ উভতি নাযায়। ইয়াৰ বাবে বিনামূলীয়া খাদ্য ৰেচনৰ আঁচনি অব্যাহত আছে। কেন্দ্ৰীয় চৰকাৰৰ প্ৰচেষ্টাৰ ফলস্বৰূপে ২৫ কোটি লোক দৰিদ্ৰতাৰ পৰা ওলাই আহি নতুন মধ্যবিত্ত শ্ৰেণীৰ সৃষ্টি হৈছে।

## সাৰ্বজনীন টিকাকৰণৰ পৰা স্বাস্থ্য সুৰক্ষালৈ অৱদান

যোৱা ১১ বছৰত স্বাস্থ্যসেৱা ভাৰতৰ অন্যতম পৰিৱৰ্তনশীল খণ্ডত পৰিণত হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বলিষ্ঠ নেতৃত্বত দেশত টিকাকৰণ আৰু ৰোগ নিৰ্মূলৰ ক্ষেত্ৰত ধাৰাবাহিক অগ্ৰগতি দেখা গৈছে। জনজাতীয় গাঁৱৰ নৱজাতকৰ পৰা আৰম্ভ কৰি চহৰৰ স্কুলীয়া ল'ৰা-ছোৱালীলৈকে দেশৰ চুকে-কোণে গৈ কাকো বাদ নিদিয়াৰ লক্ষ্য লৈছে চৰকাৰে। ২০১৪ চনৰ আগতে ভাৰতত টিকাকৰণৰ কভাৰেজ কম, টিবিৰ হাৰ বেছি, মহিলা আৰু শিশুৰ ব্যাপক মিজলছ্, ৰুবেলা আৰু মেলেৰিয়াৰ দৰে ৰোগৰ সঘনাই প্ৰাদুৰ্ভাৱ আদি প্ৰত্যাহ্বান আছিল। আজি ২০২৫ চনৰ ভিতৰত এই ছবিখন সলনি হৈছে; বিশ্বৰ ভিতৰতে ভাৰতৰ স্বাস্থ্যঅভিযান অন্যতম অভিলাষী আৰু সফল। প্ৰধানমন্ত্ৰী মোদীৰ জনকেন্দ্ৰিক শাসন আৰ্হি যিয়ে সেৱা, নিষ্ঠা, আৰু সকলোকে লগত লৈ যোৱাৰ মনোভাৱক স্পষ্টভাৱে প্ৰতিফলিত কৰে।

যিহেতু পূৰ্বৰ কোটি কোটি শিশু জীৱন ৰক্ষাকাৰী ভেকচিনৰ পৰা বঞ্চিত হৈছিল, সেয়েহে সেই কথা মনত ৰাখি ২০১৪ চনত মিছন ইন্দ্ৰধনুষ আৰম্ভ কৰা হৈছিল। একে সময়তে কোনোৱে যাতে টিকাকৰণৰ পৰা বঞ্চিত নহয় তাৰ বাবে ২০২৪ চনৰ অক্টোবৰ মাহত ইউ-ৱিন পৰ্টেল মুকলি কৰা হৈছিল। এতিয়া টিকাকৰণৰ সমগ্ৰ অভিলেখ ডিজিটেল হৈ পৰিছে। লাইভ ডেছবৰ্ড আৰু এছএমএছ এলাৰ্টৰ সহায়ত এতিয়া ভেকচিন নোহোৱা হোৱাৰ ঘটনা হ্ৰাস পাইছে। আধাৰে পৰিচয় স্বচ্ছ কৰি সকলোকে সংযোগ কৰাৰ দৰে ইউ-ৱিন পৰ্টেলে টিকাকৰণ সহজ, স্বচ্ছ, আৰু সকলোৰে বাবে সুলভ কৰি তুলিবলৈ কাম কৰি আছে।

## ভাৰতৰ আয়ুসৰ বিশ্বজনীন প্ৰসাৰ

ভাৰত দীৰ্ঘদিন ধৰি সামগ্ৰিক স্বাস্থ্যসেৱাৰ অগ্ৰণী কেন্দ্ৰ- আয়ুৰ্বেদ আৰু যোগৰ দৰে চিকিৎসা বিজ্ঞানৰ পৰম্পৰাগত ব্যৱস্থাই ইয়াৰ প্ৰাচীন সভ্যতা আৰু গভীৰ জ্ঞান পৰম্পৰাত গভীৰভাৱে শিপাই আছে। তথাপি দশক দশক ধৰি এই অমূল্য জ্ঞানক একেবাৰে চৰকাৰে আওকাণ কৰি মূল্যৱান বুলি গণ্য কৰাতকৈ পুৰণি বুলি

গণ্য কৰিছিল। কিন্তু বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰৰ পন্থাই সেইটো সম্পূৰ্ণৰূপে সলনি কৰি পেলাইছে। তেওঁলোকে ভাৰতৰ পৰম্পৰাগত চিকিৎসা ঐতিহ্যক গৌৰৱ আৰু উদ্দেশ্যেৰে পুনৰুজ্জীৱিত কৰিছে। এটা ঐতিহাসিক মুহূৰ্ত আহিছিল ২০১৪ চনৰ ১১ ডিচেম্বৰত, যেতিয়া ভাৰতে ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদত ইতিহাস সৃষ্টি কৰিছিল — সেই দিনটোতে ১৭৭খন দেশে মিলি ২১ জুনক আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস হিচাপে ঘোষণা কৰা প্ৰস্তাৱটোক সমৰ্থন কৰিছিল। এইটো কেৱল যোগৰ বিশ্বব্যাপী স্বীকৃতি নাছিল; ই সেই মুহূৰ্ত আছিল যেতিয়া ভাৰতে নিজৰ সাংস্কৃতিক আৰু আধ্যাত্মিক ঐতিহ্যক পুনৰ আঁকোৱালি লৈছিল আৰু সমগ্ৰ বিশ্বৰ বাবে গৌৰৱেৰে উৎসৰ্গা কৰিছিল।

## এখন পৃথিৱী-এক স্বাস্থ্যৰ এক বিশ্বজোৰা অভিযান

স্বাস্থ্য আমাৰ অংশীদাৰিত্ব অগ্ৰাধিকাৰৰ আন এক স্তম্ভ। ভাৰতৰ স্বাস্থ্য বীমা আঁচনি — আয়ুষ্মান ভাৰতে প্ৰায় ৬০ কোটি লোকক সামৰি লৈছে। কিন্তু স্বাস্থ্যৰ প্ৰতি ভাৰতৰ চিন্তা কেৱল ভাৰতীয়ৰ মাজতে সীমাবদ্ধ নহয়। ভাৰতৰ "এখন পৃথিৱী, এক স্বাস্থ্য" অভিযানে স্বাস্থ্যক এক ভাগ-বাটোৱাৰা কৰা বিশ্বজোৰা দায়িত্ব হিচাপে লয়। ক'ভিড মহামাৰীৰ সময়ত আফ্ৰিকাৰ সৈতে থিয় দিছিল ভাৰত। সেই সময়ছোৱাত ভেকচিন আৰু ঔষধ উপলব্ধ কৰা হৈছিল। "আৰোগ্য মৈত্ৰী" পদক্ষেপৰ অধীনত ভাৰতে প্ৰশিক্ষণ, চিকিৎসালয়ৰ সঁজুলি, ঔষধৰ জৰিয়তেও আফ্ৰিকাক সহায় কৰিছিল। কৰ্কট ৰোগৰ উন্নত চিকিৎসাৰ বাবে নামিবিয়ালৈ ভাৰতে যোগান ধৰিব ভাভাট্ৰন ৰেডিঅ'থেৰাপী মেচিন। ভাৰতত নিৰ্মিত এই মেচিন ১৫খন দেশত ব্যৱহাৰ হৈ আহিছে। এই মেচিনে বিভিন্ন দেশৰ প্ৰায় পাঁচ লাখ গুৰুতৰ কৰ্কট ৰোগীক সহায় কৰিছে।

নিঃসন্দেহে আয়ুষ্মান ভাৰত যোজনা হৈছে বিকশিত ভাৰতৰ লক্ষ্যৰ দিশত এক স্বাস্থ্য বিপ্লৱ। দৰাচলতে অধ্যয়নত দেখা গৈছে যে উন্নত স্বাস্থ্যসেৱাৰ বাবে আয়ুস এবছৰ বৃদ্ধি হ'লেও জিডিপি ৪ শতাংশ পৰ্যন্ত বৃদ্ধি পায়। আয়ুষ্মান ভাৰত যোজনাই যেতিয়া অষ্টম বছৰত ভৰি দিয়ে, তেতিয়া ইয়াৰ মূল উদ্দেশ্য হ'ল কোনো ভাৰতীয় যাতে স্বাস্থ্য সংকটত অকলশৰীয়াকৈ নাথাকে। বৃহৎ জনসংখ্যাৰ বৈচিত্ৰ্যপূৰ্ণ দেশ এখনৰ বাবে এই আঁচনিখন কিমান গুৰুত্বপূৰ্ণ সেয়া সহজেই বুজিব পাৰি। আজি দেশৰ দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীক ব্যয়বহুল চিকিৎসাৰ বোজাৰ পৰা মুক্ত কৰিবলৈ সংকল্পবদ্ধ হৈছে দেশ আৰু ইয়াৰ নেতৃত্ব। আজি দেশ এই দিশত দ্ৰুতগতিত আগবাঢ়িছে। আয়ুষ্মান ভাৰতে সৰ্বাংগীণ আৰু সৰ্বজনীন স্বাস্থ্যসেৱাৰ এনে এক গোলকীয় আৰ্হি সৃষ্টি কৰিছে য'ত ৰাষ্ট্ৰখনে কৈছে - আয়ুষ্মান ভৱ।

> ২০১৪ চনৰ আগতে স্বাস্থ্যসেৱা আছিল এক অৱহেলিত খণ্ড। আজি আপুনি ধনী হওক বা দুখীয়া হওক, দুৰ্গম গাঁও হওক বা মেট্ৰ' চহৰত বাস কৰক, আপুনি গুণগত স্বাস্থ্যসেৱাৰ নিশ্চয়তা প্ৰদান কৰা ব্যৱস্থাৰ অংশ। এইখনেই হৈছে প্ৰধানমন্ত্ৰী মোদীৰ অধীনত নতুন ভাৰত, যিখন দ্ৰুতগতিত 'বিকশিত ভাৰত'লৈ ৰূপান্তৰিত হৈছে য'ত স্বাস্থ্যসেৱা হৈছে সকলোৰে বাবে।
>
> **জেপি নাড্ডা**
> কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী



# বিহাৰৰ বৈভৱক সন্মান জনাই প্ৰগতিৰ এক বাৰ্তা



গয়াজী ভাৰতৰ চিৰন্তন বিশ্বাসৰ প্ৰতীক আৰু আধ্যাত্মিক আৰু সাংস্কৃতিক ঐতিহ্যৰ জীৱন্ত উদাহৰণো। ভগৱান বিষ্ণুৰ আশীৰ্বাদৰ বাবে ইয়াক মোক্ষ ভূমি বুলি কোৱা হয় আৰু ভগৱান বুদ্ধই ইয়াত জ্ঞান লাভ কৰিছিল। এই পবিত্ৰ ভূমিৰ মহত্ব স্মৰণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২২ আগষ্টত গয়াজীৰ পবিত্ৰ ভূমিৰ পৰা বিহাৰৰ বাবে ১২ হাজাৰ কোটি টকাৰ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে উদ্বোধন কৰে...

ঐতিহ্যৰ সৈতে উন্নয়ন এখন নতুন আৰু উদীয়মান ভাৰতৰ মন্ত্ৰ হৈ পৰিছে, আৰু আধুনিক আন্তঃগাঁথনি ইয়াৰ পৰিচয়। এক বিকশিত ভাৰতৰ পথত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গয়াজীৰ পবিত্ৰ ভূমি পৰিদৰ্শন কৰি এই চলি থকা যাত্ৰাত এক নতুন অধ্যায় সংযোজন কৰিলে। ভাৰতৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ প্ৰতীক গয়াত ১২ হাজাৰ কোটি টকাৰো অধিক মূল্যৰ উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰি তেওঁ জোৰ দি কয় যে শক্তি, স্বাস্থ্য, আৰু নগৰ উন্নয়নৰ সৈতে জড়িত এই প্ৰকল্পসমূহে বিহাৰৰ উদ্যোগসমূহক শক্তিশালী কৰিব আৰু যুৱক-যুৱতীসকলৰ বাবে নতুন চাকৰিৰ সুযোগ সৃষ্টি কৰিব।

বিকশিত ভাৰতৰ বাবে বিকশিত বিহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰি বিগত ১১ বছৰত হোৱা পৰিৱৰ্তনৰ ওপৰত আলোকপাত কৰে প্ৰধানমন্ত্ৰী মোদীয়ে। দৰিদ্ৰ লোকৰ জীৱনৰ পৰা অসুবিধা আঁতৰাই মহিলাৰ জীৱন সহজ কৰি তোলাৰ প্ৰতিশ্ৰুতি পুনৰ উল্লেখ কৰে। ইয়াত প্ৰধানমন্ত্ৰী মোদীৰ ভাষণৰ পাঁচটা গুৰুত্বপূৰ্ণ কথা উল্লেখ কৰা

### ১. সুবিধা, সুৰক্ষা আৰু মৰ্যাদাৰ নিশ্চয়তা

বিগত ১১ বছৰত দৰিদ্ৰ লোকৰ বাবে ৪ কোটি পকী ঘৰ নিৰ্মাণ কৰা হৈছে। কেৱল বিহাৰতে ৩৮ লাখতকৈ অধিক ঘৰ নিৰ্মাণ কৰা হৈছে, আৰু গয়া জিলাৰ ২ লাখৰো অধিক পৰিয়ালে নিজাকৈ পকী ঘৰ লাভ কৰিছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে সজোৰে কয় যে এইবোৰ কেৱল ঘৰ নহয় বৰঞ্চ দুখীয়াৰ মৰ্যাদাৰ প্ৰতীক। তেওঁ কয় যে এই ঘৰবোৰত বিদ্যুৎ, পানী, শৌচাগাৰ, আৰু গেছ সংযোগ আছে। অৰ্থাৎ দৰিদ্ৰ পৰিয়ালৰো আৰাম, নিৰাপত্তা আৰু মৰ্যাদাৰ জীৱন নিশ্চিত কৰা হৈছে।

### ২. বিহাৰৰ মাটিৰ পৰা অপাৰেচন সিন্দুৰ সম্পন্ন

জম্মু-কাশ্মীৰৰ পহলগামত সংঘটিত কাপুৰুষ সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত মধুবনীত আয়োজিত কাৰ্যসূচীত দিয়া ভাষণৰ কথা সোঁৱৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে বিহাৰ চন্দ্ৰগুপ্ত মৌৰ্য আৰু চাণক্যৰ ভূমি। যেতিয়াই কোনো শত্ৰুৱে ভাৰতক প্ৰত্যাহ্বান জনাইছে, তেতিয়াই বিহাৰে দেশৰ ঢাল হিচাপে থিয় দিছে। পহলগামত যেতিয়া সন্ত্ৰাসবাদী আক্ৰমণ সংঘটিত হৈছিল, তেতিয়া আমাৰ নিৰীহ নাগৰিকক তেওঁলোকৰ ধৰ্ম সুধি হত্যা কৰা হৈছিল। প্ৰধানমন্ত্ৰীয়ে স্মৰণ কৰি কয় যে বিহাৰৰ ভূমিৰ পৰাই তেওঁ সন্ত্ৰাসবাদ নিৰ্মূল কৰাৰ প্ৰতিজ্ঞা কৰিছিল, আৰু আজি বিশ্বই বিহাৰৰ মাটিৰ পৰা লোৱা সেই সংকল্প পূৰণৰ সাক্ষী হৈ পৰিছে। অপাৰেচন সিন্দূৰে ভাৰতৰ প্ৰতিৰক্ষা কৌশলত এক নতুন ৰেখা অংকন কৰিছে।

### ৩. দুৰ্নীতি কেতিয়াও সহ্য কৰা নহয়

দুৰ্নীতিৰ বিৰুদ্ধে তেওঁ দিয়া যুঁজৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ২০১৪ চনৰ পৰা আৰম্ভ কৰি প্ৰধানমন্ত্ৰী হিচাপে তেওঁৰ কাৰ্যকালত দুৰ্নীতিৰ এটাও দাগ লগা নাই। সংবিধানে প্ৰতিজন জনপ্ৰতিনিধিৰ পৰা সততা আৰু স্বচ্ছতা আশা কৰে বুলি তেওঁ কয়। আমাৰ চৰকাৰে দুৰ্নীতি বিৰোধী কঠোৰ আইন






## ৪. বিহাৰ এতিয়া সৰ্বাংগীণ উন্নয়নৰ পথত আগবাঢ়িছে

এসময়ত নিৰক্ষৰতা আৰু নিবনুৱা সমস্যাৰ বাবে প্ৰব্ৰজনৰ যন্ত্ৰণা ভোগ কৰা বিহাৰে এতিয়া প্ৰগতিৰ নতুন পথেৰে অগ্ৰসৰ হৈছে বুলি উন্নয়নী যাত্ৰাৰ ৰূপৰেখা দাঙি ধৰি প্ৰধানমন্ত্ৰী মোদীয়ে পুৰণি কালৰ কথা সোঁৱৰাই দিয়ে। তেওঁ কয় যে এগৰাকী মুখ্যমন্ত্ৰীয়েতো মঞ্চৰ পৰাই কৈছিল যে তেওঁ বিহাৰৰ পৰা প্ৰব্ৰজিত লোকসকলক তেওঁৰ ৰাজ্যত প্ৰৱেশ কৰিবলৈ নিদিয়ে। বিহাৰৰ উন্নয়নৰ জৰিয়তে চৰকাৰে এতিয়া এনে প্ৰত্যাহ্বানসমূহৰ প্ৰতি সঁহাৰি জনাইছে। বিগত বছৰবোৰত পুৰণি সমস্যাৰ সমাধান বিচাৰি পোৱা গৈছে, আৰু নতুন নতুন প্ৰগতিৰ পথো সৃষ্টি হৈছে। বিহাৰৰ পুত্ৰ-কন্যাই ইয়াত কৰ্মসংস্থাপন পাব লাগিব, সন্মানেৰে জীৱন-যাপন কৰিব লাগিব, পিতৃ-মাতৃৰ যত্ন ল'ব পৰা হ'ব লাগিব, এই চিন্তাৰে চৰকাৰে কাম কৰি আছে।

আনিছে, য'ত প্ৰধানমন্ত্ৰী, মুখ্যমন্ত্ৰী, মন্ত্ৰীসকলকো সামৰি লোৱা হ'ব। জে'ললৈ যাবলগীয়া হোৱা জনে ৩০ দিনৰ ভিতৰত জামিন পোৱাটো নিশ্চিত কৰিব লাগিব; অন্যথা ৩১ দিনৰ দিনা চকী এৰিব লাগিব। তেওঁ কয় যে আজিৰ তাৰিখত আইন অনুসৰি এগৰাকী সৰু চৰকাৰী কৰ্মচাৰীক ৫০ ঘণ্টা জিম্মাত ৰাখিলে স্বয়ংক্ৰিয়ভাৱেই তেওঁ নিলম্বিত হয়। কিন্তু কোনোবা যদি মন্ত্ৰী, মুখ্যমন্ত্ৰী, প্ৰধানমন্ত্ৰী হয়, তেনেহ'লে জে'লত থাকিও ক্ষমতা উপভোগ কৰিব পাৰে। এয়া কেনেকৈ সম্ভৱ হ'ব পাৰে?

## ৫. ভাৰতৰ সা-সুবিধাসমূহৰ ওপৰত ভাৰতীয়ৰ অধিকাৰ আছে

দেশৰ জনগাঁথনিগত পৰিৱৰ্তনৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে বিহাৰৰ ক্ষেত্ৰতো এই ভাবুকি আছে। দেশত অনুপ্ৰৱেশকাৰীৰ সংখ্যা বৃদ্ধি পোৱাটো চিন্তাৰ বিষয়। বিহাৰৰ সীমান্তৱৰ্তী জিলাসমূহত জনগাঁথনি দ্ৰুতগতিত সলনি হৈছে। সেয়ে দেশৰ ভৱিষ্যত যাতে অনুপ্ৰৱেশকাৰীয়ে নিৰ্ধাৰণ কৰিবগৈ নোৱাৰে সেয়া নিশ্চিত কৰাৰ দিহা কৰাৰ বাবে 'এন ডি এ' চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। অনুপ্ৰৱেশকাৰীক বিহাৰৰ যুৱক-যুৱতীসকলৰ হাতৰ পৰা কৰ্মসংস্থাপনৰ সুযোগ কাঢ়ি নিবলৈ দিয়া নহ'ব। যিবোৰ সা-সুবিধাৰ প্ৰতি ভাৰতীয় জনসাধাৰণৰ অধিকাৰ আছে, সেইবোৰ অনুপ্ৰৱেশকাৰীক লুট কৰিবলৈ দিয়া নহ'ব। এই ভাবুকিৰ সৈতে মোকাবিলা কৰিবলৈকে মই জনগাঁথনিগত অভিযান আৰম্ভ কৰাৰ কথা কৈছোঁ। অচিৰেই এই অভিযানে নিজৰ কাম আৰম্ভ কৰিব, আৰু আমি দেশৰ পৰা প্ৰতিজন অনুপ্ৰৱেশকাৰীকে উলিয়াই পঠিয়াব পাৰিম।





# বিহাৰৰ সমৃদ্ধিলৈ প্ৰেৰণা: আউণ্টা-চিমাৰিয়া দলঙকে ধৰি বহু উপহাৰ

**১,৮৭০** কোটি টকাতকৈয়ো অধিক ব্যয় নিৰ্মাণৰ বাবে কৰা হৈছিল

**৮.১৫** কিঃমিঃ দৈৰ্ঘ্যৰ দলং

- মকামাৰ আউন্তা আৰু বেগুচৰাইৰ ছিমৰীয়াৰ মাজত নতুন দলং নিৰ্মাণৰ ফলত দক্ষিণ বিহাৰৰ শ্বেখপুৰা, নৱাদা, লক্ষ্মীচৰাইৰ সৈতে মধুবনী, সুপৌল, আৰৰিয়া, বেগুচৰাইলৈ উন্নত পথ সংযোগৰ ব্যৱস্থা হ'ব। ইয়াৰ ভিতৰত গংগা নদীৰ ওপৰত ১.৮৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৬ লেনযুক্ত দলংখনো আছে।
- পুৰণি ৰাজেন্দ্ৰ দলংখন গধুৰ যান-বাহনৰ বাবে বন্ধ কৰি দিয়া হৈছিল, যাৰ বাবে দূৰত্ব ১০০ কিলোমিটাৰ বৃদ্ধি পাইছিল। এতিয়া এই দূৰত্ব মাত্ৰ ৮ কিলোমিটাৰতে সীমিত হ'ব। যান-জঁটৰ পৰা সকাহ পোৱা যাব। স্থানীয় উদ্যোগ আৰু বাৰাউনী তাপ বিদ্যুৎ প্ৰকল্প, শোধনাগাৰ, আৰু সুধা দুগ্ধকে ধৰি কৃষি খণ্ডই বিশেষ উৎসাহ লাভ কৰিব।

- গয়াজী আৰু দিল্লীৰ মাজত 'অমৃত ভাৰত এক্সপ্ৰেছ' আৰু বৈশালী আৰু কোডাৰমাৰ মাজত 'বৌদ্ধ চাৰ্কিট ট্ৰেইন'-ৰ 'ফ্লেগ অফ' কৰা হয়। ইয়াৰ দ্বাৰা বিশ্বৰ মঞ্চত সাংস্কৃতিক ঐতিহ্যক আধুনিক সুবিধা, আৰাম, আৰু নিৰাপত্তাৰ সৈতে এক নতুন পৰিচয় দিয়া হ'ব।
- বক্সাৰত প্ৰায় ৬,৯০০ কোটি টকাৰ ১,৩২০ মেগাৱাট উৎপাদনক্ষম তাপ বিদ্যুৎ প্ৰকল্পৰ ৬৬০ মেগাৱাট উৎপাদনক্ষম প্ৰথমটো গোট উদ্বোধন কৰা হয়। ইয়াৰ দ্বাৰা নিয়োগৰ সুযোগ, ঔদ্যোগিক উন্নয়ন, আৰু আন্তঃগাঁথনি উন্নয়নে গতি লাভ কৰিব।
- মুজাফ্ফৰপুৰত 'হোমি ভাবা কেন্সাৰ হস্পিটেল আৰু গৱেষণা কেন্দ্ৰ'ৰ উদ্বোধন। ইয়াৰ ভিতৰত আছে 'এডভান্সড অনক'লজী অ'পিডি', 'আইপিডি ৱাৰ্ড', 'অপাৰেশ্যন থিয়েটাৰ', 'আধুনিক লেবৰেটৰী', 'ব্লাড বেংক', আৰু ২৪খন বিছনাযুক্ত 'আইচিইউ' আৰু 'এইচডিইউ'।
- অত্যাধুনিক সা-সুবিধা থকা এই চিকিৎসালয়খন বিহাৰ আৰু সমগ্ৰ পূব ভাৰতৰ ৰোগীসকলৰ বাবে আশাৰ নতুন কিৰণ হৈ উঠিব। নিম্ন আৰু মধ্যবিত্ত পৰিয়ালসমূহৰ বাবে ই এক ডাঙৰ সকাহ হ'ব।



'পি এম আৱাস যোজনা'-ৰ অধীনত ১৬০০ পৰিয়ালে লাভ কৰে ঘৰ

| নগৰীয়া | গ্ৰামীণ |
|---|---|
| ৪,২৬০ | ১২,০০০ |

হিতাধিকাৰীসকলৰ গৃহপ্ৰৱেশ অনুষ্ঠান

প্ৰতীকীভাৱে ৫ গৰাকী মূল হিতাধিকাৰীক ঘৰৰ চাবি অৰ্পণ

**পানীযোগান প্ৰকল্প**

নমামি গংগে-ৰ অধীনত মুংগেৰৰ 'এছটিপি' আৰু 'পয়ঃপ্ৰণালী নেটৱৰ্ক'ৰ অধীনত ঔৰংগাবাদ, বোধ গয়া, আৰু জেহানাবাদৰ পানী যোগান প্ৰকল্পৰ শুভাৰম্ভ কৰা হয়।

- বখটিয়াৰপুৰৰ পৰা মকামালৈ ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথত নিৰ্মাণ কৰা হৈছে চাৰি লেনযুক্ত পথ

হৈছে......

এই নতুন ভাৰতেই আধুনিক আন্তঃগাঁথনি নিৰ্মাণৰ নতুন মানক নিৰ্ধাৰণ কৰিছে আৰু 'অন্ত্যোদয়া'ৰ ধাৰণা অনুসৰি দৰিদ্ৰ, মহিলা, কৃষক, যুৱক-যুৱতীসকলক মৰ্যাদা আৰু গৌৰৱেৰে জীয়াই থকাৰ অধিকাৰ প্ৰদান কৰিছে। য'ত ঐতিহ্য সংৰক্ষণৰ সংকল্প আছে, তাত নতুন নতুন বস্তু নিৰ্মাণৰ সামৰ্থ্যও আছে। য'ত লক্ষ্য হৈছে উন্নয়নৰ ক্ষেত্ৰত প্ৰতিখন ৰাজ্যৰ সঠিক অংশগ্ৰহণেৰে বিকশিত ভাৰত গঢ়ি তোলা। আজি বিহাৰেও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'বিকশিত ভাৰত'ৰ দৃষ্টিভংগীৰে আগবাঢ়িছে। সেইবাবেই কেন্দ্ৰীয় চৰকাৰে বিহাৰৰ যুৱক-যুৱতীসকলৰ সপোন পূৰণৰ পথত আগবাঢ়িছে আৰু জনসাধাৰণৰ আকাংক্ষাক নতুন ডেউকা প্ৰদানৰ প্ৰয়াস কৰিছে।

# ‘আত্মনিৰ্ভৰ ভাৰত’ৰ গতিক উৎসাহিত কৰে গুজৰাটে

বিশ্বমানৰ আন্তঃগাঁথনি, উদ্যোগ অনুকূল আইন, আৰু শক্তিশালী লজিষ্টিক নেটৱৰ্কৰ দ্বাৰা গুজৰাটে ভাৰতৰ ঔদ্যোগিক উন্নয়নৰ ইঞ্জিন হিচাপে আত্মপ্ৰকাশ কৰিছে আৰু বিগত তিনিটা দশকত বিদেশী আৰু স্থানীয় বিনিয়োগকাৰী উভয়ৰে বাবে জনপ্ৰিয় গন্তব্যস্থানত পৰিণত হৈছে। যোৱা কেবছৰমানৰ পৰা গুজৰাটে কেৱল বৃহৎ কৰ্পৰেট গোষ্ঠীসমূহক আকৰ্ষিত কৰাই নহয়, উৎপাদন, নৱীকৰণযোগ্য শক্তি, আৰু ষ্টাৰ্টআপ খণ্ডতো অভূতপূৰ্ব বিনিয়োগ প্ৰত্যক্ষ কৰিছে। এই কথাকে আগুৱাই নি বাপুৰ ভূমিৰ পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৫,৪০০ কোটিতকৈয়ো অধিক মূল্যৰ এলানি উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু একাংশ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে...



কোৱা হয় যে যিসকলে দুখীয়া, কৃষক, মহিলা, আৰু মধ্যবিত্ত শ্ৰেণীৰ মাজত বাস কৰি আহিছে, যি সকলে তেওঁলোকৰ সংগ্ৰামত অংশগ্ৰহণ কৰিছে, কেৱল তেওঁলোকেহে তেওঁলোকৰ যন্ত্ৰণা প্ৰকৃতাৰ্থত বুজিব পাৰে। বড়নগৰৰ এখন সৰু চহৰৰ পৰা গুজৰাটৰ মুখ্যমন্ত্ৰী আৰু অৱশেষত ভাৰতৰ প্ৰধানমন্ত্ৰীৰ পদত স্থলাভিষিক্ত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিজৰ অতীতৰ কষ্ট আৰু প্ৰত্যাহ্বানসমূহৰ দ্বাৰা গভীৰভাৱে গঢ় লৈ উঠা এক ‘বিকশিত ভাৰত’ৰ দৃষ্টিভংগী কঢ়িয়াই লৈ ফুৰে।

২০০১ চনত সংঘটিত হোৱা ভয়াৱহ ভূমিকম্পৰ পিছত তেওঁ গুজৰাটক ছিন্নভিন্ন হৈ পৰা ব্যৱস্থাৰ পৰা উলিয়াই আনি দেশৰ উন্নয়নৰ আৰ্হি হিচাপে গঢ়ি তুলিবলৈ মুখ্যমন্ত্ৰী হিচাপে গ্ৰহণ কৰা সুনিৰ্দিষ্ট পদক্ষেপ তেওঁৰ দৃষ্টিভংগীৰ কথা ক'বলৈ যথেষ্ট। গুজৰাটৰ পৰা শিকি অহা শিক্ষা আৰু দেশৰ লগতে ৰাজ্যখনৰ উন্নয়নৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টিভংগীও যোৱা ২৫ আৰু ২৬ আগষ্টৰ দুদিনীয়া ভ্ৰমণৰ সময়ত দেখা গ'ল। প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে আজি গুজৰাটে মোক যি শিকাইছিল সেয়া দেশৰ উন্নয়নত ব্যৱহাৰ কৰাটো হৈছে কাকতালীয় কথা। ভ্ৰমণৰ প্ৰথম দিনাই তেওঁ আহমেদাবাদত ৫৪০০ কোটিতকৈয়ো অধিক মূল্যৰ এলানি উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে, য'ত ১৪০০ কোটি টকাৰ ৰে'লৰে' সম্পৰ্কীয় প্ৰকল্পও অন্তৰ্ভুক্ত আছে। দ্বিতীয় দিনা তেওঁ হান্সালপুৰত গ্ৰীণ মবিলিটী পদক্ষেপৰ অধীনত ভাৰতত নিৰ্মিত ছুজুকি-ৰ প্ৰথমখন ইলেক্ট্ৰিক গাড়ীৰ 'ফ্লেগ অফ' কৰি 'টিডিএছজি লিথিয়াম-আয়ন বেটাৰী প্লাণ্ট'ত 'হাইব্ৰিড বেটাৰী ইলেক্ট্ৰ'ড'ৰ উৎপাদন কাৰ্যৰ শুভাৰম্ভ ঘোষণা কৰে।

ঔদ্যোগিক বিকাশৰ সৈতে 'আত্মনিৰ্ভৰ ভাৰত'- স্বাৱলম্বী ভাৰতলৈ গুজৰাটৰ অৱদানৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে এসময়ত মানুহে এই ৰাজ্যখনক একো নাই বুলি ঠাট্টা কৰিছিল, কিন্তু এতিয়া গুজৰাটৰ ভূমিত প্ৰতিটো খণ্ডৰ উদ্যোগৰ সম্প্ৰসাৰণ ঘটিছে। দাহোড় ৰেল কাৰখানাত ৰেলৰ শক্তিশালী বৈদ্যুতিক ইঞ্জিন নিৰ্মাণ কৰা হৈছে। আন দেশলৈ মেট্ৰ' দবা ৰপ্তানি কৰা হৈছে। বৃহৎ সংখ্যাত মটৰ চাইকেল আৰু গাড়ীৰ উৎপাদন কৰা হৈছে। বিমানৰ অংশ নিৰ্মাণ আৰু ইয়াৰ ৰপ্তানি কৰাৰ পিছত এতিয়া ৰদোদৰাত পৰিবহণ বিমান নিৰ্মাণৰ কাম আৰম্ভ হৈছে। ভাৰতৰ সৌৰ, বায়ু, আৰু পাৰমাণৱিক শক্তি উৎপাদন প্ৰকল্পৰ সামৰ্থ্যবৰ্দ্ধনত গুজৰাটে মুখ্য অংশীদাৰিত্ব আগবঢ়াইছে। গুজৰাট বৈদ্যুতিক বাহন নিৰ্মাণৰ এক বৃহৎ কেন্দ্ৰও হৈ উঠিছে। গুজৰাটৰ কেৱাড়িয়াত অৱস্থিত চৰ্দাৰ বল্লভভাই পেটেলৰ বিশাল স্মৃতিসৌধ একতাৰ প্ৰতিমূৰ্তি হিচাপে পৰিগণিত হৈছে দেশ আৰু বিশ্বৰ বাবে প্ৰেৰণাৰ কেন্দ্ৰবিন্দু হৈ উঠিছে।

এসময়ত শুকান নলা হিচাপে পৰিগণিত হোৱা আহমেদাবাদৰ সাবৰমতী নদীখনে এতিয়া সাবৰমতী 'ৰিভাৰ ফ্ৰণ্ট'ৰ সৈতে ইয়াৰ গৌৰৱ বৃদ্ধি কৰিছে।

আহমেদাবাদত অনুষ্ঠিত এখন বৈঠকত প্ৰধানমন্ত্ৰী মোদীয়ে গুজৰাটৰ গৌৰৱময় ইতিবৃত্তৰ কথা স্মৰণ কৰে। তেওঁ এই বাৰ্তা প্ৰদান কৰে যে এই ভূমি দুগৰাকী মোহনৰ ভূমি। এগৰাকী হৈছে সুদৰ্শন 'চক্ৰধাৰী' মোহন অৰ্থাৎ দ্বাৰকাধীশ শ্ৰীকৃষ্ণ আৰু আনগৰাকী হৈছে 'চৰখাধাৰী'(যঁতৰধাৰী)




## 'বাপু'ৰ দেশৰ পৰা পুনৰ 'স্বদেশী'ৰ বাৰ্তা

**প্ৰধানমন্ত্ৰীৰ আহ্বান - এইবেলিৰ উৎসৱত কেৱল 'স্বদেশী'হে কিনিব**

আগন্তুক 'নৱৰাত্ৰি', 'বিজয়াদশমী', 'ধনটেৰছ' আৰু 'দীপাৱলী' উৎসৱৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে পুনৰ এবাৰ আহ্বান জনালে... মই আপোনালোকক অনুৰোধ কৰিছো, আপোনালোকৰ জীৱনত এটা মন্ত্ৰ আওৱাবলৈ লওক... আমি যি কিনিম, সেয়া হ'ব 'মে'ড ইন ইণ্ডিয়া' সামগ্ৰী, স্বদেশী সামগ্ৰী। ব্যৱসায়ীসকলক ক'ব বিচাৰিছো, এই দেশখনক আগুৱাই নিয়াৰ ক্ষেত্ৰত আপোনালোকে এক বৃহৎ অৱদান আগবঢ়াব পাৰে। আপোনালোকে সিদ্ধান্ত লওক, আপোনালোকে বিদেশী সামগ্ৰী বিক্ৰী নকৰে আৰু অতি গৌৰৱেৰে এখন ফলক আঁৰক যে মোৰ বিপণীত স্বদেশী বস্তুহে বিক্ৰী কৰা হয়।

### 'বেটী বচাও-বেটী পঢ়াও'ৰ বীজ গুজৰাটত সিঁচা হৈছিল

'চৰ্দাৰধাম ছাত্ৰী নিবাস'ৰ দ্বিতীয় পৰ্যায়ৰ আধাৰশিলা স্থাপন কৰে প্ৰধানমন্ত্ৰী মোদীয়ে। ভিডিঅ' বাৰ্তাৰ জৰিয়তে তেওঁ ৰাজ্যখনৰ মুখ্যমন্ত্ৰীকালীন কাৰ্যকালৰ সাফল্যৰ কথাও স্মৰণ কৰে, যিটো পৰৱৰ্তী সময়ত 'বেটী বচাও-বেটী পঢ়াও' অভিযানৰ ভেটি হৈ উঠিছিল। প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে সেই সময়ত ৰাজ্যত কন্যা সন্তানক স্কুললৈ পঠিয়াব নোৱাৰা, ড্ৰপআউট অনুপাত অতিকৈ বেছি হোৱাৰ দৰে কথাবোৰে প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছিল। আন্তঃগাঁথনিৰ পৰা আৰম্ভ কৰি বিদ্যালয়ৰ সকলো সুবিধালৈকে তেওঁ সেইবোৰ বৃদ্ধি কৰিছিল। কন্যা ভ্ৰূণহত্যাৰ দৰে কাণ্ড নিৰ্মূল কৰাৰ বাবে আন্দোলন আৰম্ভ কৰিছিল। শক্তিৰ উপাসক গুজৰাটত তেওঁ 'কন্যাই হওক বা পুত্ৰই হওক সকলোৱেই সমান' অভিযানক শক্তিশালী ৰূপত গঢ়ি তুলিছিল। গুজৰাটত সিঁচা এই বীজেই আজি 'বেটী বচাও-বেটী পঢ়াও'-ৰ ৰূপত দেশত এক গণ আন্দোলনত পৰিণত হৈছে।






# ‘মে’ক ইন ইণ্ডিয়া’ত নতুন অধ্যায়...

## গুজৰাটৰ পৰা ১০০খনতকৈয়ো অধিক ৰাষ্ট্ৰলৈ কৰা হ’ব বৈদ্যুতিক বাহনৰ ৰপ্তানি

*প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যেতিয়া গুজৰাটৰ হান্সালপুৰত ভাৰতত নিৰ্মিত ‘ছুজুকি’-ৰ প্ৰথমখন বেটাৰীযুক্ত ইলেক্ট্ৰিক বাহন ‘ই-ভিটাৰা’ৰ ‘ফ্লেগ অফ’ কৰিলে, ভাৰতৰ ‘মে’ক ইন ইণ্ডিয়া, মে’ক ফৰ দ্য ৱৰ্ল্ড’ৰ যাত্ৰাই ২৬ আগষ্টত আন এক নতুন অধ্যায় সংযোজন কৰিলে। ভাৰতত নিৰ্মিত এই গাড়ীসমূহ ইউৰোপ আৰু জাপানৰ দৰে উন্নত বজাৰকে ধৰি এশৰো অধিক দেশলৈ ৰপ্তানি কৰা হ’ব। এই সাফল্যৰ লগে লগে ভাৰতে এতিয়া ছুজুকি-ৰ বৈদ্যুতিক বাহনৰ গোলকীয় নিৰ্মাণ কেন্দ্ৰ হিচাপে কাম কৰিব। এই উদ্যোগৰ ভেটি ২০১২ চনত গুজৰাটৰ মুখ্যমন্ত্ৰী হিচাপে প্ৰধানমন্ত্ৰী মোদীয়ে স্থাপন কৰিছিল। এই উপলক্ষে প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ভাৰততো গণতন্ত্ৰৰ শক্তি, জনগাঁথনিয়ে আগবঢ়োৱা সুবিধা, আৰু দক্ষ কৰ্মবাহিনীৰ বিশাল ভাণ্ডাৰ আছে, যিটো প্ৰতিগৰাকী অংশীদাৰৰ বাবে লাভদায়ক হয়। ‘ছুজুকি’-য়ে ভাৰতত নিৰ্মাণ কৰি আছে, আৰু ইয়াত উৎপাদিত বাহনসমূহ জাপানলৈ ৰপ্তানি কৰা হৈছে। ইয়াৰ জৰিয়তে ভাৰত-জাপানৰ সম্পৰ্কৰ শক্তিৰ প্ৰতিফলন হোৱাই নহয়, ভাৰতৰ প্ৰতি বিশ্বৰ কোম্পানীসমূহৰ ক্ৰমবৰ্ধমান আস্থাও প্ৰতিফলিত হৈছে।*

*Scan the QR code to see the full programme of the Prime Minister.*

- ‘টিডিএছজি লিথিয়াম-আয়ন বেটাৰী প্লাণ্ট’ত ‘হাইব্ৰিড বেটাৰী ইলেক্ট্ৰ’ড’ৰ স্থানীয় উৎপাদনৰ শুভাৰম্ভ কৰি প্ৰধানমন্ত্ৰীয়ে ভাৰতৰ বেটাৰী পৰিৱেশতন্ত্ৰৰ পৰৱৰ্তী পৰ্যায় উদ্বোধন কৰে।
- ই হৈছে ‘টোছিবা’, ‘ডেনছ’’, আৰু ‘ছুজুকি’ৰ যৌথ উদ্যোগ।
- বৈদ্যুতিক বাহনৰ পৰিৱেশতন্ত্ৰৰ আটাইতকৈ জটিল অংশ হৈছে বেটাৰী।
- কেইবছৰমান আগলৈকে ভাৰতত বেটাৰী আমি সম্পূৰ্ণৰূপে আমদানি কৰিছিলোঁ। ‘ইভি’ নিৰ্মাণক শক্তিশালী কৰিবলৈ ভাৰতেও সেইবোৰ নিৰ্মাণ কৰাটো প্ৰয়োজনীয় আছিল।
- এই দৃষ্টিভংগীৰে ইয়াত ২০১৭ চনত ‘টিডিএছজি বেটাৰী প্লাণ্ট’ৰ ভেটি স্থাপন কৰা হৈছিল। এতিয়া ৩টা জাপানী কোম্পানীয়ে যৌথভাৱে ভাৰতত প্ৰথমবাৰৰ বাবে ‘বেটাৰী চেল’ নিৰ্মাণ কৰিব।
- ভাৰতত স্থানীয়ভাৱেও ‘বেটাৰী চেল ইলেক্ট্ৰ’ড’ প্ৰস্তুত কৰা হ’ব।
- ইয়াৰ দ্বাৰা ভাৰতৰ আত্মনিৰ্ভৰশীলতাক নতুন শক্তি প্ৰদান কৰা হ’ব। ইয়াৰ ফলত ‘হাইব্ৰিড ইলেক্ট্ৰিক বাহন’ৰ ব্যৱসায় আৰু অধিক ত্বৰান্বিত হ’ব।

মোহন অৰ্থাৎ ‘সাবৰমতীৰ সন্ত’, জাতিৰ পিতা মহাত্মা গান্ধী। তেওঁ কয় যে সুদৰ্শন ‘চক্ৰধাৰী’ মোহনে দেশ আৰু সমাজখনক কেনেদৰে ৰক্ষা কৰিব লাগে সেই বিষয়ে শিকাইছে। ভাৰতীয় সেনাৰ বীৰত্ব আৰু সুদৰ্শন ‘চক্ৰধাৰী’ মোহনৰ ভাৰতীয় ইচ্ছাশক্তিৰ প্ৰতীক হৈ উঠিছে ‘অপাৰেশ্যন সিন্দুৰ’। একেদৰে ‘চৰখাধাৰী’(যঁতৰধাৰী) মোহনে স্বাধীনতাৰ জৰিয়তে ভাৰতৰ সমৃদ্ধিৰ পথ দেখুৱাইছিল। গতিকে বিশ্বই অৰ্থনৈতিক স্বাৰ্থপৰতাৰ ৰাজনৈতিক যুগৰ মাজেৰে গতি কৰাৰ মুহূৰ্তত তেওঁ পুনৰ গান্ধীৰ ভূমিৰ পৰা স্বদেশীৰ আহ্বান জনাই ক্ষুদ্ৰ উদ্যোগী, ক্ষুদ্ৰ দোকানী, কৃষক, পশুপালকসকলক কেন্দ্ৰীয় চৰকাৰে তেওঁলোকৰ ক্ষতি হ’বলৈ নিদিয়ে বুলি আশ্বাস প্ৰদান কৰে। যিমানেই চাপ নাহক কিয়, আমি সেই চাপ সহ্য কৰিব পৰা শক্তি বৃদ্ধি কৰি যাম। ●

*Scan the QR code to see the full programme of the Prime Minister.*



# কলকাতাৰ উন্নয়নক মেট্ৰ'ৰে দিলে এক নতুন গতি

পশ্চিম বংগ ভাৰতৰ সোণালী ইতিহাসৰ দোলনাই নহয়, ইয়াৰ সমৃদ্ধিশালী ভৱিষ্যতৰ বুনিয়াদো। এই কাৰণেই 'বিকশিত বংগ'ৰ দৃষ্টিভংগীক কেন্দ্ৰীয় চৰকাৰৰ 'পূৰ্বোদয়'ৰ পৰা ভাৰতৰ উত্থানৰ পদক্ষেপৰ সংকল্পত অন্তৰ্ভুক্ত কৰা হৈছে। এই দৃষ্টিভংগীৰেই বিগত ১১টা বছৰত কেন্দ্ৰীয় চৰকাৰে পশ্চিম বংগত আধুনিক আন্তঃগাঁথনি-সংযোগৰ ক্ষেত্ৰত অটলভাৱে কাম কৰি আহিছে আৰু ২২ আগষ্টত ইয়াক আৰু এখোজ আগুৱাই লৈ গৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কলকাতা মেট্ৰ' ৰে'লৰ তিনিটা নতুন অংশকে ধৰি ৫,২০০ কোটি টকাৰ উন্নয়ন উপহাৰ প্ৰদান কৰে...

ৰাজধানী দিল্লীৰ ব্যস্ত প্লেটফৰ্মৰ পৰা আৰম্ভ কৰি উদীয়মান ৰে'লপথ চুৰাট আৰু ভূপাললৈকে মেট্ৰ'ৰে নীৰৱে নতুন ভাৰতৰ দীঘ-বাণি বৈছে। ই দ্ৰুত হোৱাৰ লগতে পৰিষ্কাৰো। ই হৈছে ভৱিষ্যৎ ভাৰতৰ জীৱনৰেখা, যাক ৰাজহুৱা পৰিবহণৰ মেৰুদণ্ড হিচাপে গঢ়ি তুলিবলৈ দেশে দৃষ্টি নিক্ষেপ কৰিছে। ভাৰতত মেট্ৰ' নেটৱৰ্ক থকা প্ৰথমডোখৰ ঠাই হিচাপে পৰিচিত পশ্চিম বংগই এতিয়া মেট্ৰ'ক ৰাজহুৱা পৰিবহণৰ মেৰুদণ্ড হিচাপে গঢ়ি তুলিবলৈ সাজু হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উছৰ্গা কৰিলে কলকাতা মেট্ৰ'ৰ ৩টা নতুন খণ্ড। ৭টা নতুন ষ্টেশ্যন সংযোগ কৰা এই অংশসমূহৰ মুঠ দৈৰ্ঘ্য হৈছে ১৩.৬১ কিলোমিটাৰ। হাওৰা ষ্টেশ্যনৰ সৈতে সংযুক্ত এটা 'ছাবৱে' উদ্বোধনৰ লগতে ৬ লেনযুক্ত 'এলিভেটেড ক'না এক্সপ্ৰেছৱে'ৰ আধাৰশিলাও স্থাপন কৰে।

আধুনিক সংযোগৰ প্ৰসাৰৰ বাবে পশ্চিম বংগক উৎসৰ্গিত এই প্ৰকল্পসমূহৰ সৈতে নতুন ভাৰত নিৰ্মাণৰ ক্ষেত্ৰত আন্তঃগাঁথনিৰ গুৰুত্বৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ২০৩০ চনত ভাৰত বিশ্বৰ তৃতীয় বৃহত্তম অৰ্থনীতি হোৱাৰ দিশত আগবাঢ়িছে। ইয়াত কলকাতাৰ দৰে চহৰৰ ভূমিকা অতিকে উল্লেখযোগ্য। আজিৰ ভাৰতে নিজৰ চহৰসমূহক কেনেদৰে ৰূপান্তৰিত কৰিছে তাৰ সাক্ষ্য হৈছে এই অনুষ্ঠান। সকলোৰে শুনি গৌৰৱ অনুভৱ কৰিব যে পৃথিৱীৰ তৃতীয়



## কলকাতাত মেট্ৰ' কৰিডৰ ৭ গুণে সম্প্ৰসাৰিত হৈছে

### ৰে'লৱে'-ঘাইপথ প্ৰকল্পই গতি লাভ কৰিছে

১৯৭২ চনত কলকাতাৰ মেট্ৰ' প্ৰকল্প আৰম্ভ হৈছিল, আৰু ১৯৮৪ চনত প্ৰথম ৩.৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথত সেৱা আৰম্ভ হৈছিল। তেতিয়াৰ পৰাই প্ৰায় ৭০ কিলোমিটাৰ মেট্ৰ' ৰে'লপথ নিৰ্মাণ কৰা হৈছে। ২০২৭ চনৰ ভিতৰত ১৩০ কিলোমিটাৰ মেট্ৰ' নেটৱৰ্ক সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।




- যোৱাটো দশকত ৪৪০০ কিলোমিটাৰতকৈয়ো অধিক আৰু প্ৰায় ৬৮ হাজাৰ কোটি টকা ব্যয়সাপেক্ষ ৪২টা ৰে'ল প্ৰকল্পলৈ অনুমোদন জনোৱা হৈছে, যিবোৰ সম্পূৰ্ণ বা আংশিকভাৱে পশ্চিম বংগত পৰে। ইয়াৰে ১৭০২ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথ কাৰ্যান্বিত কৰা হৈছে।
- পশ্চিম বংগৰ ২৮৬ কিলোমিটাৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ৩৪টা প্ৰকল্পৰ কাম চলি আছে। ইয়াৰ ব্যয় হ'ব প্ৰায় ১০,৯০০ কোটি টকা।

স্থলপথ, ৰে'লপথ, বায়ুপথ, জলপথৰ সংযোগ বৃদ্ধি পাইছে

| খণ্ড | এতিয়া ২০২৫-২৬ | তেতিয়া ২০১৩-১৪ |
|---|---|---|
| মেট্ৰ' | ২৪খন মহানগৰ<br>১,০৫০ কিমি দৈৰ্ঘ্য | ৫খন মহানগৰ<br>২৪৮কিমি দৈৰ্ঘ্য |
| মেট্ৰ' নিৰ্মাণ | ৬ কিমি মাহেকত | ৬৮০ মিটাৰ মাহেকত |
| মেট্ৰ' যাত্ৰী | ১.১২ কোটি দিনে | ২৮ লাখ দিনে |
| ৰে'লপথ বৈদ্যুতিকীকৰণ | ৪০,০০০ কিমিৰো অধিক | ২০,০০০ কিমি |
| বিমানবন্দৰ | ১৬০ | ৭৪ |
| জলপথ | ৩০ | ৩ |



## আধুনিক সংযোগৰ জীৱনৰেখা

- কলকাতা মেট্ৰ'ক দিয়া ৩টা নতুন অংশৰ ভিতৰত এস্প্লেনেড আৰু শিয়ালদহৰ মাজত ২.৪৫ কিলোমিটাৰ, নোৱাপাৰা আৰু জয়হিন্দ বিমানবন্দৰ সংযোগী ৬.৭৭ কিলোমিটাৰ আৰু ৰুবী-বেলেঘাটৰ মাজত ৪.৩৯ কিলোমিটাৰ।
- নোৱাপাৰা-জয় হিন্দ বিমানবন্দৰৰ অংশৰ জৰিয়তে নেতাজী সুভাষ চন্দ্ৰ বসু আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰক পোনপটীয়াকৈ মেট্ৰ' সেৱাৰ সৈতে প্ৰথমবাৰৰ বাবে সংযোগ কৰা হৈছে। নতুন খণ্ডসমূহৰ জৰিয়তে এতিয়া ছাবমেট্ৰ'খন সেই অঞ্চলসমূহত উপনীত হ'ব পাৰিব যিবোৰ অঞ্চলত পূৰ্বতে পথেৰে যাত্ৰা কৰিবলৈ ৪৫ মিনিটৰ পৰা ১ ঘণ্টাৰ ভিতৰত সময় লাগিছিল।
- ১২০০ কোটিতকৈয়ো অধিক ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া ৭.২ কিলোমিটাৰ দৈৰ্ঘ্যৰ ছয়লেনযুক্ত 'এলিভেটেড ক'না এক্সপ্ৰেছৱে'ই হাওৰা, সমীপৱৰ্তী গ্ৰামাঞ্চল আৰু কলকাতাৰ মাজত সংযোগ বৃদ্ধি কৰিব।

## দেশৰ সম্পদৰ ওপৰত ভাৰতৰ যুৱক-যুৱতী সকলৰ অধিকাৰ আছে

প্ৰধানমন্ত্ৰী মোদীয়ে জনগাঁথনিগত প্ৰত্যাহ্বান আৰু অনুপ্ৰৱেশকাৰীক লৈয়ো উদ্বেগ প্ৰকাশ কৰে। তেওঁ কয় যে আজি যিবোৰ দেশক উন্নত বুলি কোৱা হয় আৰু যিবোৰ দেশত সম্পদৰ অভাৱ নাই সেইবোৰ দেশতে অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধে অভিযান চলি আছে। ভাৰতৰ সম্পদ সীমিত। আমি আমাৰ যুৱক-যুৱতীসকলৰ বাবে কৰ্মসংস্থাপনৰ ব্যৱস্থা কৰিব লাগিব। আমাৰ দেশত যিবোৰ অনুপ্ৰৱেশকাৰীয়ে আমাৰ যুৱক-যুৱতীসকলৰ পৰা কৰ্মসংস্থাপন কাঢ়ি লৈছে আৰু যিসকলে আমাৰ ভগ্নী-কন্যাক অত্যাচাৰ চলাই আছে সেইবোৰক সেয়া কৰিবলৈ আমি দিব নোৱাৰোঁ।

বৃহত্তম মেট্ৰ' নেটৱৰ্ক এতিয়া ভাৰতত আছে। প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে একবিংশ শতিকাৰ ভাৰতত একবিংশ শতিকাৰ পৰিবহণ ব্যৱস্থাৰ প্ৰয়োজন। সেয়ে আজি আমি ৰে'লপথৰ পৰা স্থলপথলৈ, মেট্ৰ'ৰ পৰা বিমানবন্দৰলৈকে দেশত আধুনিক পৰিবহণৰ সুবিধা গঢ়ি তুলিছোঁ আৰু এইবোৰৰ মাজত সংযোগ স্থাপন কৰিছোঁ।

ৰে'লপথৰ ১০০% বৈদ্যুতিকীকৰণ হোৱা দেশৰ ৰাজ্যসমূহৰ তালিকাত এতিয়া পশ্চিম বংগই যোগদান কৰিছে। ভাৰত চৰকাৰে পুৰুলীয়া আৰু হাওৰাৰ মাজত 'এমইএমইউ' ৰে'লৰ দীৰ্ঘদিনীয়া চাহিদা পূৰণ কৰিছে। পশ্চিম বংগৰ বিভিন্ন পথত ৯খন 'বন্দে ভাৰত' ৰে'ল চলোৱাৰ লগতে ২খন 'অমৃত ভাৰত' ৰে'লগাড়ীও চলি আছে।

কলকাতাত অনুষ্ঠিত আন এখন ৰাজহুৱা সভাত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে যেতিয়ালৈকে পশ্চিম বংগৰ সম্ভাৱনা বৃদ্ধি নহ'ব তেতিয়ালৈকে 'বিকশিত ভাৰত'ৰ যাত্ৰাও সফল নহ'ব।

'বাংলাৰ উদয় তবেই বিকশিত ভাৰতেৰ জয়'। সেয়ে বিগত ১১টা বছৰত কেন্দ্ৰীয় চৰকাৰে ইয়াৰ উন্নয়নৰ বাবে সকলো সহায় আগবঢ়াইছে।

*Scan the QR code to see the complete program of the Prime Minister*



# 'আত্মনিৰ্ভৰ ভাৰত' হৈছে এখন উন্নত ৰাষ্ট্ৰৰ বুনিয়াদ

ভাৰতৰ অৰ্থনীতি আজি বিশ্ব মঞ্চৰ এক শক্তিশালী স্তম্ভ। যি সময়ত বিশ্বৰ বহু দেশে অৰ্থনৈতিক অনিশ্চয়তাৰ সন্মুখীন হৈছে, ভাৰতে উল্লেখযোগ্য স্থিতিশীলতাৰে দ্ৰুতগতিত অগ্ৰগতি অব্যাহত ৰাখিছে। এই স্থিতিস্থাপকতা হৈছে ভাৰত চৰকাৰে বিগত দশকত ৰূপায়ণ কৰা দূৰদৰ্শী নীতিসমূহৰ ফল। বিশেষজ্ঞসকলে এতিয়া ভৱিষ্যদ্বাণী কৰিছে যে বিশ্বৰ উত্থানত ভাৰতৰ অৱদান অচিৰেই ২০% হ'ব পাৰে, যিয়ে বিশ্ব অৰ্থনীতিত ভাৰতৰ বৰ্ধিত প্ৰভাৱকে প্ৰতীয়মান কৰিছে। ২৩ আগষ্টত অনুষ্ঠিত 'ইক'নমিক টাইমছ ৱৰ্ল্ড লীডাৰ্ছ ফ'ৰাম'ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে সংস্কাৰ, কৰ্মক্ষমতা আৰু ৰূপান্তৰৰ মন্ত্ৰৰে গঢ় লৈ উঠা ভাৰতৰ সময়ৰ গতিপথ বেঁকা কৰাৰ ক্ষমতাও আছে...

> "সংস্কাৰ, প্ৰদৰ্শন, ৰূপান্তৰৰ মন্ত্ৰৰে আগবঢ়া ভাৰতে আজি বিশ্বক লেহেমীয়া উত্থানৰ পৰা ওলাই অহাত সহায় কৰিব পৰা অৱস্থাত আছে।
>
> - নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী

যেতিয়া আমি বিশ্ব অৰ্থনীতিৰ বৰ্তমানৰ অৱস্থালৈ চাওঁ তেতিয়া ভাৰতীয় অৰ্থনীতিৰ শক্তি অধিক স্পষ্ট হৈ উঠে। বৰ্তমান ভাৰত হৈছে বিশ্বৰ আটাইতকৈ দ্ৰুতগতিত উন্নতি লাভ কৰা প্ৰধান অৰ্থনীতি আৰু অচিৰেই ই তৃতীয় বৃহত্তম অৰ্থনীতি হোৱাৰ দিশত আগবাঢ়িছে। ২৩ আগষ্টত দিল্লীত অনুষ্ঠিত হোৱা 'ইক'নমিক টাইমছ ৱৰ্ল্ড লীডাৰ্ছ ফ'ৰাম'ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে যেতিয়া অৰ্থনীতিৰ মৌলিক দিশবোৰ শক্তিশালী হয় তেতিয়া ইয়াৰ প্ৰভাৱ সকলো খণ্ডতে দেখা যায়। দেশৰ অৰ্থনীতি শক্তিশালী হোৱাৰ লগে লগে কৰ্মসংস্থাপনৰ সুযোগো বৃদ্ধি পাইছে। এই পৰিসংখ্যাৰ পৰাও এই কথা বুজিব পাৰি... যে জুন মাহত 'ইপিএফঅ'ৰ ডাটাবেছ'ত ২২ লাখ আনুষ্ঠানিক চাকৰি সংযোজন কৰা হৈছিল, যিটো হৈছে এই পৰ্যন্ত এমাহৰ ভিতৰত হোৱা সৰ্বাধিক সংযোজন। ভাৰতৰ খুচুৰা মুদ্ৰাস্ফীতি

২০১৭ চনৰ পিছত সৰ্বনিম্ন স্তৰত আছে আৰু ভাৰতৰ বৈদেশিক মুদ্ৰা মজুত হেৰুৱা সুযোগবোৰ যে পুনৰ লাভ কৰিব নোৱাৰি সেই কথা বুজাবলৈ "Missing the Bus" বাক্যাংশ ব্যৱহাৰ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে পূৰ্বৰ চৰকাৰসমূহে প্ৰযুক্তি আৰু উদ্যোগৰ ক্ষেত্ৰত এনে বহু সুযোগ হেৰুৱাই পেলাইছিল। তেওঁ লগতে কয় যে তেওঁ কাকো সমালোচনা কৰিবলৈ ইয়াত উপস্থিত থকা নাই যদিও তেওঁ দৃঢ়তাৰে কয় যে গণতন্ত্ৰত তুলনাই প্ৰায়ে মানুহক পৰিস্থিতি অধিক স্পষ্টভাৱে বুজিবলৈ সহায় কৰে। ২০১৪ চনৰ পিছত ভাৰতে নিজৰ পন্থা সলনি কৰি, আৰু যাতে কোনো সুযোগ হেৰুৱাব নালাগে, তাৰ সংকল্প ল'লে। ভাৰতে কেৱল মেড-ইন-ইণ্ডিয়া ৫জি বিকশিত কৰাই নহয়, ইয়াক সমগ্ৰ দেশতে অভিলেখ গতিৰে ৰূপায়ণ কৰিছে, আৰু এতিয়া দ্ৰুতগতিত মেড-ইন-ইণ্ডিয়া ৬জি সৃষ্টিৰ দিশত আগবাঢ়িছে। দেশত অৰ্ধপৰিবাহী সম্পৰ্কীয় কাৰখানাও স্থাপন কৰা হৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ভাৰতৰ লক্ষ্য সৰু সৰু খোজেৰে নহয়, ডাঙৰ ডাঙৰ জাঁপেৰে আগবাঢ়ি যোৱা। তেওঁ গুৰুত্বসহকাৰে কয় যে ভাৰতত সংস্কাৰ বাধ্যবাধকতা বা সংকটৰ বাবে নহয়, বৰঞ্চ দায়বদ্ধতা আৰু দৃঢ়তাৰ ফল। অপ্ৰয়োজনীয় আইন আঁতৰোৱা, নিয়ম সৰল কৰা, অনুমোদনবোৰ ডিজিটেলাইজ কৰা, বহু নিয়ম-কানুন অপৰাধমুক্ত কৰাৰ দৰে প্ৰধান প্ৰধান পদক্ষেপসমূহৰ ওপৰত আলোকপাত কৰি তেওঁ কয় যে জি এছ টি ব্যৱস্থা সৰল কৰাৰ বাবেও প্ৰচেষ্টা চলোৱা হৈছে, যিয়ে মূল্য হ্ৰাস কৰাত সহায় কৰিব।

২০৪৭ চনৰ ভিতৰত ভাৰত এখন উন্নত ৰাষ্ট্ৰ হোৱাৰ বাবে সম্পূৰ্ণ প্ৰতিজ্ঞাবদ্ধ। বিকশিত ভাৰতৰ আধাৰ হৈছে আত্মনিৰ্ভৰ ভাৰত, যিটো তিনিটা কাৰকৰ ওপৰত নিৰ্ভৰ কৰে, সেয়া হৈছে - গতি, পৰ্যায়, আৰু পৰিসৰ। বিশ্ব মহামাৰীৰ সময়ত ভাৰতে তিনিওটা ক্ষেত্ৰতে নিজৰ শক্তি প্ৰমাণ কৰিলে। যেতিয়া হঠাৎ অত্যাৱশ্যকীয় সামগ্ৰীৰ চাহিদা বৃদ্ধি পালে আৰু বিশ্বৰ যোগান শৃংখল বন্ধ হৈ গ'ল, তেতিয়া ভাৰতে দ্ৰুতগতিত ঘৰতে এই সামগ্ৰীসমূহ উৎপাদন কৰিবলৈ আৰম্ভ কৰিলে। আজি বিশ্বই শক্তি খণ্ডত ভাৰতৰ গতি, পৰ্যায় আৰু পৰিসৰো লক্ষ্য কৰিছে। উদাহৰণস্বৰূপে ভাৰতে ২০৩০ চনৰ ভিতৰত অজীৱাশ্ম ইন্ধনৰ পৰা ৫০% শক্তি উৎপাদন কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছিল যদিও পাঁচ বছৰ আগতেই এই মাইলৰ খুঁটিত উপনীত হৈছে। ●

## ভাৰতে আত্মনিৰ্ভৰশীলতাৰে সমগ্ৰ বিশ্বৰ প্ৰয়োজনীয়তা পূৰণ কৰিছে...

ভাৰতৰ বৈদ্যুতিক সামগ্ৰীৰ ৰপ্তানি



স্বাধীনতাৰ পিছৰ ৬৫ বছৰত প্ৰায় ৩৫,০০০ কোটি টকাৰ বৈদ্যুতিক সামগ্ৰী ৰপ্তানি কৰা হৈছিল।

এতিয়া সেই পৰিমাণ ৩.২৫ লাখ কোটি টকালৈ বৃদ্ধি পাইছে।

ভাৰতৰ অটোমোবাইল ৰপ্তানি



পূৰ্বে এটা বৰ্ষত ৰপ্তানিৰ পৰিমাণ আছিল ৫০০০০ কোটি টকা

এতিয়া সেই পৰিমাণ ১.৫ লাখ কোটি টকালৈ বৃদ্ধি পাইছে

- ১০০খন দেশলৈ বৈদ্যুতিক বাহন ৰপ্তানি কৰি ভাৰতে আন এক মাইলৰ খুঁটি অৰ্জন কৰিবলৈ সাজু হৈছে।
- ২০১৪ চনৰ তুলনাত গৱেষণা আৰু উন্নয়নৰ ব্যয় দুগুণতকৈও অধিক বৃদ্ধি পাইছে, আনহাতে পেটেণ্ট দাখিলৰ সংখ্যা ১৭ গুণ বৃদ্ধি পাইছে
- ভাৰতে আত্মনিৰ্ভৰশীলতাৰে সমগ্ৰ বিশ্বৰ প্ৰয়োজনীয়তা পূৰণ কৰিছে...
- এক লাখ কোটি টকা গৱেষণা বিকাশ আৰু উদ্ভাৱন আঁচনিলৈ অনুমোদন।
- যোৱা বছৰ ভাৰতে ৪ লাখ কোটি টকাৰ কৃষিজাত সামগ্ৰী ৰপ্তানি কৰিছিল।
- যোৱা বছৰ বিশ্বজুৰি মুঠ ৮০০ কোটি পালি ভেকচিনৰ ভিতৰত ৪০০ কোটি পালি ভেকচিন ভাৰততে প্ৰস্তুত কৰা হৈছিল।

ভাৰতৰ মহাকাশ অভিযান



১৯৭৯ চনৰ পৰা ২০১৪ চনলৈকে সম্পন্ন হৈছিল ৪২টা অভিযান।

বিগত ১১ বছৰত ৬০ টাতকৈও অধিক অভিযান সম্পূৰ্ণ কৰিছে ভাৰতে।

২০১৪ চনত ভাৰতত মহাকাশ ভিত্তিক ষ্টাৰ্টআপ আছিল মাত্ৰ এটা, তাৰ বিপৰীতে আজি দেশত ৩০০ৰো অধিক স্পেচ ষ্টাৰ্ট-আপ আছে।

*প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ অনুষ্ঠানটো চাবলৈ QR ক'ড স্কেন কৰক।*






২০২৩ চনৰ ১৩ জানুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশ্বৰ আটাইতকৈ দীঘলীয়া নদী যাত্ৰা সম্পূৰ্ণ কৰা এম ভি গংগা বিলাসৰ যাত্ৰা মুকলি কৰিছিল। এই ক্ৰুজে বাৰাণসীৰ পৰা ডিব্ৰুগড়লৈ ৩২০০ কিলোমিটাৰ দূৰত্ব অতিক্ৰম কৰি ভাৰতৰ পাঁচখন ৰাজ্য আৰু বাংলাদেশৰ ২৭খন নদীৰ জলপথ অতিক্ৰম কৰিছিল। এই উল্লেখযোগ্য কৃতিত্ব লিমকা বুক অৱ ৰেকৰ্ডছত লিপিবদ্ধ কৰা হৈছিল।

# ভাৰতৰ ক্ৰুজ টুৰিজিমে

## লাভ কৰিছে ব্যাপক সমাদৰ

** প্ৰতিনিধিত্বমূলক মানচিত্ৰ*

ভাৰতত প্ৰায় ৭,৫০০ কিলোমিটাৰ উপকূল আৰু ২০,০০০ কিলোমিটাৰ জলপথ নেটৱৰ্ক আছে, যাৰ যোগেদি দ্ৰুত বিকাশৰ বাবে ভাৰতৰ পূৰ্ণ সামৰ্থ্য আৰু সম্ভাৱনীয়তা আছে। এই উদ্দেশ্যে ৫ বছৰীয়া পৰিকল্পনাৰে 'ক্ৰুজ ভাৰত মিছন' আৰম্ভ কৰা হৈছিল। ইয়াৰ লক্ষ্য হৈছে নতুন চাকৰি সৃষ্টি কৰা, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় সংযোগ উন্নত কৰা, বিশ্বমানৰ আতিথ্য আৰু বিনোদন প্ৰদান কৰা, আৰু লগতে সংস্কৃতিৰ প্ৰসাৰ। এই অভিযানে এসময়ত বিলাসিতা হিচাপে গণ্য কৰা ক্ৰুজ পৰ্যটনকো সাধাৰণ লোকৰ বাবে সুলভ কৰি তুলিব বিচাৰে।

*এই ৩০ ছেপ্টেম্বৰত 'ক্ৰুজ ভাৰত মিছন'ৰ এবছৰ সম্পূৰ্ণ হ'ব, এই উপলক্ষে ভাৰতত ক্ৰুজ পৰ্যটনৰ এক নতুন অধ্যায় কেনেকৈ গঢ় লৈ উঠিছে আৰু গতি লাভ কৰিছে জানো আহক...*

আগতে ভাৰতৰ নদীত বৃহৎ জাহাজ চলাচল কৰিছিল যদিও স্বাধীনতাৰ পিছত এই খণ্ডটো বহুলাংশে অৱহেলিত হৈ ৰৈছিল। এতিয়া কেইবাদশক পাছত নৱ ভাৰতে এই ঐতিহ্যক আধুনিক উন্নয়নৰ সৈতে সংযুক্ত কৰি এই উত্তৰাধিকাৰক পুনৰুজ্জীৱিতকৰণৰ এক নতুন অধ্যায় ৰচনা কৰিছে। যোৱা ১১ বছৰত পথ, ৰে'লপথ, আকাশী পথৰ দৰেই জলপথো শক্তিশালী কৰা হৈছে। ইয়াৰ সম্পূৰ্ণ সম্ভাৱনাক মুক্ত কৰি দিবলৈ ক্ৰুজ ভাৰত মিছনে সাগৰীয় ভ্ৰমণ সম্প্ৰসাৰণ আৰু দেশৰ মনোমোহা গন্তব্যস্থানসমূহ প্ৰদৰ্শন কৰি ভাৰতক ক্ৰুজ পৰ্যটনক গোলকীয় কেন্দ্ৰলৈ ৰূপান্তৰিত কৰাৰ কাম কৰি আছে। এই অভিযানৰ লক্ষ্য হৈছে অনাগত পাঁচ বছৰৰ ভিতৰত ১০টা সাগৰীয় ক্ৰুজ টাৰ্মিনেল, ১০০টা ৰিভাৰ ক্ৰুজ টাৰ্মিনেল, আৰু ৫টা মেৰিনা স্থাপন কৰা। উল্লেখ্য যে দহ বছৰৰ আগৰ তুলনাত ইতিমধ্যে সাগৰীয় ক্ৰুজ যাত্ৰীৰ সংখ্যা প্ৰায় ৪০০ শতাংশ বৃদ্ধি পাইছে। কেন্দ্ৰীয় চৰকাৰে আশা কৰিছে যে ২০৪৭ চনৰ ভিতৰত এই সংখ্যা ৫০ লাখ যাত্ৰীলৈ বৃদ্ধি পাব।

এইপৰ্যন্ত ৯খন ৰাজ্যৰ ৷২টা ৰাষ্ট্ৰীয় জলপথৰ মাজেৰে ১৫টা নদী ক্ৰুজ চাৰ্কিট আৰম্ভ কৰা হৈছে। ক্ৰুজ ভাৰত অভিযানৰ অধীনত ইয়াক ১৪খন ৰাজ্য আৰু ৩খন কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৫১টা নদী ক্ৰুজ চাৰ্কিটলৈ সম্প্ৰসাৰণ কৰাৰ পৰিকল্পনা হাতত লোৱা হৈছে। ইয়াৰ লক্ষ্য হৈছে ভাৰতক এক আগশাৰীৰ ক্ৰুজ পৰ্যটনস্থলী হিচাপে গঢ়ি তোলা, আধুনিক আন্তঃগাঁথনি আৰু সুবিধা সৃষ্টি কৰা, যিয়ে




## ক্রুজ যাত্রা জনপ্রিয় হৈ পৰিছে

২০১৫ চনৰ পৰা ২০২৫ চনৰ ভিতৰত ক্রুজ যাত্রীৰ সংখ্যা প্ৰায় ৪০০% বৃদ্ধি পাইছে। কেৱল সেয়াই নহয়, ২০১৩-১৪ চনত তিনিটা জলপথত মাত্র ৫খন জাহাজ চলাচল কৰাৰ তুলনাত ২০২৪- ২৫ চনত ১৩টা ৰাষ্ট্ৰীয় জলপথত ২৫খন জাহাজ চলাচলৰ সৈতে নদী ক্রুজ কাৰ্যকলাপ দ্রুতগতিত বৃদ্ধি পাইছে। ২০১৪ চনত জলপথৰ সংখ্যা আছিল মাত্র ৫টা, আনহাতে আজি ২৪খন ৰাজ্যত ১১১টা ৰাষ্ট্ৰীয় জলপথ উন্নয়নৰ কাম চলি আছে।

## ক্রুজ ভাৰত মিছন ২০২৯ৰ লক্ষ্য

**৪** লাখ চাকৰিৰ সৃষ্টি হোৱাৰ সম্ভাৱনা আছে, প্রাৰম্ভিক লক্ষ্য ১ লাখ চাকৰি সৃষ্টি ক্রুজ খণ্ডত।

**১০** লাখ হ'ব বুলি ধাৰণা কৰা হৈছে ভৱিষ্যতে সাগৰীয় ক্রুজ যাত্রীৰ সংখ্যা, যিটো বৰ্তমানৰ ৫ লাখৰ প্ৰায় দুগুণ।

ভৱিষ্যতে ৰিভাৰ ক্রুজ যাত্রীৰ সংখ্যা বৰ্তমানৰ ৫ লাখৰ তুলনাত **১৫** লাখলৈ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে।

- বৰ্তমানৰ ২টা টাৰ্মিনেলৰ তুলনাত ভৱিষ্যতে আন্তঃৰাষ্ট্ৰীয় ক্রুজ টাৰ্মিনেলৰ সংখ্যা ১০ লৈ বৃদ্ধি পাব।
- বৰ্তমানৰ ৫০টা টাৰ্মিনেলৰ তুলনাত ভৱিষ্যতে ৰিভাৰ ক্রুজ টাৰ্মিনেলৰ সংখ্যা ১০০ লৈ বৃদ্ধি পাব।

> “জলপথ কেৱল পৰিৱেশ অনুকূল নহয়, ই মিতব্যয়ীও। অধ্যয়নত দেখা গৈছে যে জলপথেৰে কৰা পৰিবহণ ব্যয়, পথৰ তুলনাত প্ৰায় ২.৫ গুণ কম আৰু ৰে'লতকৈ ই প্ৰায় এক তৃতীয়াংশ কম। অৰ্থাৎ জলপথৰ দ্বাৰা বিপুল পৰিমাণৰ ইন্ধনৰ লগতে ধন ৰাহি হয়।
>
> নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী

## ক্রুজ ভাৰত মিছনৰ ৩-পৰ্যায়ৰ পৰিকল্পনা

- প্ৰথম পৰ্যায় (২০২৪ চনৰ অক্টোবৰৰ পৰা ২০২৫ চনৰ ছেপ্টেম্বৰলৈকে): বজাৰ গৱেষণা, মাষ্টাৰ প্লেনিং, আৰু চুবুৰীয়া দেশসমূহৰ সৈতে ক্রুজ অংশীদাৰিত্বৰ সৈতে বৰ্তমানৰ টাৰ্মিনেলসমূহৰ আধুনিকীকৰণ।
- Pদ্বিতীয় পৰ্যায় (২০২৫ চনৰ অক্টোবৰৰ পৰা ২০২৭ চনৰ মাৰ্চলৈকে): পৰ্যটনৰ সম্ভাৱনাৰে ভৰা এলেকাবোৰৰ ওপৰত গুৰুত্ব আৰোপ কৰি নতুন ক্রুজ টাৰ্মিনেল গঢ়ি তোলা।
- তৃতীয় পৰ্যায় (২০২৭ চনৰ এপ্ৰিলৰ পৰা ২০২৯ চনৰ মাৰ্চলৈ) : সমগ্ৰ ভাৰত উপমহাদেশত ক্রুজ চাৰ্কিট সংযোগ কৰা।

## ক্রুজ পৰ্যটনক প্ৰসাৰিত কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপ

- বন্দৰসমূহত প্লেটফৰ্ম প্ৰদান কৰাত অগ্ৰাধিকাৰ।
- বন্দৰ আৰু যাত্ৰী মাচুলৰ বাবে সংশোধিত শুল্ক গাঁথনি প্ৰৱৰ্তন কৰা হৈছে, য'ত বন্দৰৰ শুল্কত ১০%ৰ পৰা ৩০%লৈকে ৰেহাই দিয়া হৈছে।
- বিদেশী ক্রুজ জাহাজৰ বাবে 'কেব'টেজ' ৰেহাই দিয়া হৈছে, যাৰ ফলত ভাৰতীয় নাগৰিকক এটা ভাৰতীয় বন্দৰৰ পৰা আন এটা বন্দৰলৈ পৰিবহণ কৰিব পৰা যাব।
- ই-ভিছা আৰু অন-এৰাইভেল ভিছাৰ সুবিধা বৃদ্ধি কৰা হৈছে।
- ই-লেণ্ডিং কাৰ্ড প্ৰৱৰ্তন কৰা হৈছে, যিটো ক্রুজ ভ্ৰমণসূচীৰ সকলো বন্দৰৰ বাবে বৈধ।
- সৰলীকৃত আৰু সংশোধিত ক্রুজ শুল্ক কাৰ্যকৰী কৰা হৈছে।

কেৱল বিদেশী পৰ্যটকক আকৰ্ষিত কৰাই নহয়, অধিক ভাৰতীয়ক ক্রুজ ভ্ৰমণলৈ আকৰ্ষিত কৰিবলৈও উৎসাহিত কৰে। ভাৰতৰ আভ্যন্তৰীণ জলপথ প্ৰাধিকৰণৰ দ্বাৰা পৰিচালিত বাৰাণসীৰ পৰা হালদিয়ালৈকে বিস্তৃত ৰাষ্ট্ৰীয় জলপথ-ৰ (১,৩৯০ কিলোমিটাৰ) ত ইতিমধ্যে আভ্যন্তৰীণ জাহাজ চলাচল সক্ৰিয় হৈ আছে। বিগত বিত্তীয় বৰ্ষত এই পথত ৪,২২৯খন জাহাজে উত্তৰ প্ৰদেশ, বিহাৰ, ঝাৰখণ্ড, আৰু পশ্চিম বংগক সামৰি যাত্ৰা কৰিছিল।

## দেশৰ ৬টা প্ৰধান বন্দৰত ক্রুজ টাৰ্মিনেল

বৰ্তমান ভাৰতত ছটা প্ৰধান বন্দৰ আছে, সেয়া হ'ল- মুম্বাই (মহাৰাষ্ট্ৰ), মৰ্মুগাও (গোৱা), কোচি (কেৰালা), চেন্নাই (তামিলনাডু), নিউ মাঙ্গালোৰ (কৰ্ণাটক), আৰু বিশাখাপট্টনম (অন্ধ্ৰ প্ৰদেশ)। ইয়াৰ উপৰিও আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জৰ পুডুচেৰী, লাক্ষাদ্বীপ, আৰু শ্ৰী বিজয়াপুৰমত ক্রুজৰ সুবিধা আছে। একে সময়তে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ ভিতৰত ১১খন ৰাজ্যত ২৯টা ৰাষ্ট্ৰীয় জলপথ কাৰ্যক্ষম হৈ উঠিছে, ইয়াৰে ৩টা ৰাষ্ট্ৰীয় জলপথ বিশেষভাৱে ক্রুজ যাতায়াতৰ বাবে ব্যৱহৃত হৈ আহিছে।



# প্ৰধানমন্ত্ৰী জন ধন আঁচনি দৰিদ্ৰতাৰ বিৰুদ্ধে বঞ্চিতসকলৰ সবলীকৰণ



"যেতিয়া জন ধন একাউণ্ট খোলা হৈছিল, তেতিয়া এইটো কেৱল এটা বেংক একাউণ্টেই নাছিল, ই দুখীয়া মানুহক মৰ্যাদাৰ অনুভূতি দিছিল, তেওঁলোকৰ বাবেও বেংকৰ দুৱাৰ খোলা বুলি বিশ্বাস দিছিল। এতিয়া, তেওঁলোকে বেংক এটালৈ যাব পাৰে, তাত আত্মবিশ্বাসেৰে বহিব পাৰে, আৰু বেংক কৰ্মচাৰীৰ লগত কথা পাতিব পাৰে-এইটোৱেই হৈছে আমি গঢ়ি তোলা আত্মবিশ্বাস।"

৭৯ সংখ্যক স্বাধীনতা দিৱসৰ দিনা লালকিল্লাৰ পৰা দেশবাসীক সম্বোধি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কোৱা এই কথাখিনিয়ে বেংক একাউণ্টৰ জৰিয়তে মানুহে লাভ কৰা মৰ্যাদাৰ দিশটো স্পষ্টকৈ পৰিস্ফুট হৈ পৰিছে। ২০১৪ চনত আৰম্ভ হোৱাজন ধন যোজনাৰ যোগেদি এতিয়ালৈকে ৫৬ কোটিৰো অধিক বেংক একাউণ্ট খোলা হৈছে। বেংকিঙৰ সুবিধা আহৰণৰ বাহিৰেও ই লাখ লাখ ভাৰতীয়ৰ বাবে উন্নয়ন আৰু অৰ্থনৈতিক সবলীকৰণৰ নতুন পথৰ সৃষ্টি কৰিছে।

দশক দশক ধৰি অৱহেলা আৰু ভুল নীতিৰ বাবে দুখীয়া লোকসকল হীনমন্যতাত ভুগিবলগীয়া হৈছিল। দুখীয়াৰ নামত বেংকবোৰ ৰাষ্ট্ৰীয়কৃত হ'লেও ভাৰতৰ প্ৰায় ৪০% জনসংখ্যা এই বেংকিং ব্যৱস্থাৰ বাহিৰতে থাকি গ'ল। প্ৰয়োজনৰ সময়ত তেওঁলোকে আনৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছিল আৰু সমাজে প্ৰায়ে তেওঁলোকক চৰকাৰৰ ওপৰত বোজা হিচাপে গণ্য কৰিছিল। একাউণ্ট, ক্ৰেডিট কাৰ্ড, বীমা, পেঞ্চনৰ দৰে বেংকিং সেৱাক কেৱল ধনীসকলৰ বাবে নিৰ্ধাৰিত বিশেষাধিকাৰ হিচাপে দেখা গৈছিল। কিন্তু প্ৰধানমন্ত্ৰীজন ধন যোজনা মুকলি হোৱাৰ লগে লগে প্ৰধানমন্ত্ৰী মোদীয়ে এই হতাশাৰ অন্ধকাৰত আশাৰ কিৰণ জ্বলাই দিলে। এসময়ত দুখীয়াৰ বাবে যিটো অসম্ভৱ যেন লাগিছিল, লাহে লাহে বাস্তৱত পৰিণত হ'ল। বেংক মিত্ৰ আৰু বেংক সখীয়ে তেওঁলোকৰ ওচৰলৈ যাবলৈ আৰম্ভ কৰিলে, চহৰৰ পৰা গাঁৱলৈকে যোগাযোগ কৰিবলৈ আৰম্ভ কৰিলে, বেংকিং সেৱাৰ সুবিধা নিশ্চিত কৰিলে। যেতিয়া দুখীয়াই শূন্য বেলেন্সৰ বা শূন্য বকেয়া ধনৰজন ধন একাউণ্ট লাভ কৰিলে, তেতিয়া তেওঁলোকৰ জীৱন সলনি হ'বলৈ আৰম্ভ কৰিলে। তেওঁলোকৰ হাতত এখন সাধাৰণ পাছবুক তুলি দি প্ৰধানমন্ত্ৰী মোদীয়ে দৰিদ্ৰ আৰু বঞ্চিতসকলক এক ক্ষমতা প্ৰদান কৰিলে, যিয়ে তেওঁলোকক দৰিদ্ৰতাৰ বিৰুদ্ধে চলি থকা যুঁজত একোগৰাকী যোদ্ধাত পৰিণত কৰিলে।

জন ধন একাউণ্টৰ সহায়ত দৰিদ্ৰসকলেও সহজ লেনদেনৰ বাবে এখন ৰূপে কাৰ্ড লাভ কৰিছে। অটল পেঞ্চন যোজনাই তেওঁলোকক বৃদ্ধ বয়সত আৰ্থিক সুৰক্ষাৰ নিশ্চয়তা প্ৰদান কৰিছে। এসময়ত ধনীসকলৰ বাবে বিলাসিতা হিচাপে গণ্য কৰা বীমা এতিয়া কেৱল ধনীৰ হৈ থকা নাই। প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা আৰু প্ৰধানমন্ত্ৰী জীৱন জ্যোতি বীমা যোজনাৰ জৰিয়তে দৰিদ্ৰ পৰিয়ালসমূহে কঠিন

# বেংক একাউণ্ট এক, সুবিধা বৃদ্ধি পালে অনেক

- এতিয়া টকা পাকঘৰৰ পাত্ৰত সুৰক্ষিত বুলি লুকুৱাই থোৱা নাই, বেংকত নিৰাপদে ৰাখিছে। RuPay কাৰ্ডে আৰ্থিক সুৰক্ষা আৰু সুবিধা দুয়োটা প্ৰদান কৰিছে। এতিয়া সুদখোৰ ধনদাতাৰ কবলৰ পৰা মুক্ত তেওঁলোক।
- 'বেংক মিত্ৰ'ৰ জৰিয়তে প্ৰতিখন ঘৰেই আজি বেংকিং সেৱা লাভ কৰিছে, যাৰ বাবে মানুহে কোনো ধৰণৰ চাপ নোহোৱাকৈ আৰ্থিক সাহায্য লাভ কৰিছে।
- এতিয়া, ধন পৰিশোধৰ বাবে নগদ ধনৰ প্ৰয়োজন নাই; এটা মোবাইল ফোনেই যথেষ্ট। ইউপিআইয়ে ধনৰ লেনদেন সহজ আৰু নিৰাপদ কৰি তুলিছে।
- সঞ্চয় বৃদ্ধিঃ বেংকত জমা ধন আৰু চৰকাৰৰ পৰা প্ৰত্যক্ষ সুবিধা হস্তান্তৰৰ বাবে ঘৰুৱা সঞ্চয়ো বৃদ্ধি পাইছে।
- বিত্তীয় অন্তৰ্ভুক্তি: মহিলা একাউণ্টধাৰী ৭ নিকটতম বেংকিং টাচপইণ্টে তৃণমূল পৰ্যায়ত মহিলাসকলক সবল কৰি তুলিছে।
- সুশাসনৰ ওপৰত আস্থাঃ JAM বিপ্লৱতজন ধন একাউণ্ট + আধাৰৰ সৈতে সংযোগ + মোবাইলৰ ব্যৱহাৰেৰে বেংকিং সুবিধা দেশৰ প্ৰতিটো চুকেকোণে উপলব্ধ হৈছে।
- JAM ট্ৰিনিটিয়ে মধ্যভোগীসকলক আঁতৰ কৰিছে, আৰু ৩২০ খনতকৈও অধিক আঁচনিৰ হিতাধিকাৰীৰ বেংক একাউণ্টলৈ পোনপটীয়াকৈ ৪৫ লাখ কোটি টকাতকৈ অধিক ধন স্থানান্তৰ কৰা হৈছে।

## বেংকৰ সুবিধা আহৰণ

বেংক মিত্ৰ + ডিজিটেল বেংকিং ইউনিট = প্ৰতিখন গাঁৱত বেংকিং

- ২১.৬ লাখৰো অধিক বেংকিং টাচপইণ্টৰ সৈতে ভাৰতে ৬ লাখৰো অধিক গাঁৱত ৫ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত বেংকিং উপলব্ধ কৰিছে, অৰ্থাৎ ৯৯.৯% সামৰি লোৱা হৈছে।

এই হিচাপ ইউৰোপীয় সংঘৰ মুঠ জনসংখ্যাতকৈ অধিক

**৫৬.২১**

কোটি জন ধন একাউণ্ট খোলা হৈছে

**৩৮.৭১**

**কোটি টকাৰ ডেবিট কাৰ্ড জাৰি কৰা হৈছে**

- ৬৭%তকৈ অধিক বেংক একাউণ্ট গ্ৰাম্য আৰু অৰ্ধনগৰীয়া বেংকত খোলা হয়
- চহৰ অঞ্চলত ১৮.৬৯ কোটি হিতাধি
- ৩১.৩৩ কোটি অৰ্থাৎ প্ৰায় ৫৬%জ একাউণ্টৰ গৰাকী মহিলা আৰ্থিক ব পৰা সৰলীকৰণলৈ।





(Note: Figures in crores, as on 20 August 2025)

> প্ৰধানমন্ত্ৰী জন ধন যোজনাই সমগ্ৰ ভাৰতবৰ্ষৰ জীৱন সলনি কৰিছে। প্ৰান্তীয় লোকসকলক বিত্তীয় ব্যৱস্থালৈ আনি সমগ্ৰ দেশখনেই যাতে একেলগে আগবাঢ়ি যায় সেয়া নিশ্চিত কৰা হৈছে। এই আঁচনিখনে মানুহক কেৱল বেংকিঙৰ সুবিধাই প্ৰদান কৰা নহয়, তেওঁলোকৰ মৰ্যাদাও পুনৰ ঘূৰাই আনিছে আৰু তেওঁলোকক নিজৰ ভৱিষ্যৎ গঢ়ি তুলিবলৈ সক্ষম কৰিছে।
>
> **নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী**

সময়ত নিৰ্ভৰযোগ্য বীমাৰ সুৰক্ষা আৰু সহায় লাভ কৰিছে। ভাৰতৰ সমাজবাদৰ প্ৰকৃত নিদৰ্শন হ'লজন ধন যোজনা। জাতি, ধৰ্ম, বা শ্ৰেণীৰ বাধাৰ পৰা মুক্ত এই সফল আঁচনিয়ে 'সবকা সাথ, সবকা বিকাশ'ৰ দৃষ্টিভংগী পূৰণ কৰিছে। দশক দশক ধৰি বঞ্চিত আৰু শোষিত হৈ থকা লোকসকলে এতিয়া বেংকিঙৰ সঠিক সুবিধা লাভ কৰে, তেতিয়াই সমগ্ৰ দেশতে এক নতুন আত্মবিশ্বাসৰ ভাব বাঢ়ি আহে। আজি গাঁৱে-ভূঞে ৫ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত বেংকিং সেৱা উপলব্ধ হৈছে। মানুহে সহজেই RuPay কাৰ্ড ব্যৱহাৰ কৰিছে, আৰু গ্ৰামাঞ্চলত ডিজিটেল লেনদেন সাধাৰণ কথা হৈ পৰিছে। এই সুবিধাসমূহ অব্যাহত থকাটো নিশ্চিত কৰিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আহ্বান জনাইছে - "যিসকল ব্যক্তিৰজন ধন একাউণ্ট আছে তেওঁলোকৰ কে ৱাই চি পুনৰ আপডেট কৰিবলৈ মই আহ্বান জনাইছো।"

# ভাৰতবৰ্ষই এক প্ৰধান পাৰমাণৱিক শক্তি হিচাপে আত্মপ্ৰকাশ কৰিছে

বিশ্ব শক্তি সংকট আৰু পৰিৱেশৰ বিভিন্ন প্ৰত্যাহ্বানৰ মাজতে ভাৰতে সমাধান বিচাৰি ক্ষিপ্ৰতাৰে আগবাঢ়িছে, পাৰমাণৱিক শক্তি বহনক্ষম বিকাশৰ এক শক্তিশালী আহিলা হিচাপে উদ্ভাসিত হৈছে। থলুৱা প্ৰযুক্তিৰ বিকাশৰ পৰা আৰম্ভ কৰি আন্তঃৰাষ্ট্ৰীয় অংশীদাৰিত্ব গঢ়ি তোলালৈকে ভাৰত আত্মনিৰ্ভৰশীল হোৱাৰ লগতে বিশ্বৰ পাৰমাণৱিক খণ্ডৰ এক গুৰুত্বপূৰ্ণ অংশীদাৰ হিচাপেও আত্মনিৰ্ভৰশীল হৈ পৰিছে। ২০৪৭ চনৰ ভিতৰত ১০০ গিগাৱাট পাৰমাণৱিক শক্তিৰ ক্ষমতা লাভ কৰাৰ এক অভিলাষী লক্ষ্যও নিৰ্ধাৰণ কৰিছে কেন্দ্ৰীয় চৰকাৰে।

ভাৰতে ২০৪৭ চনৰ ভিতৰত পাৰমাণৱিক শক্তিৰ ক্ষমতা বৃদ্ধি কৰাৰ লক্ষ্যৰে এই শক্তিক শক্তি ব্যৱস্থাৰ এক গুৰুত্বপূৰ্ণ অংশ হিচাপে গঢ়ি তুলিবলৈ কাম কৰি আছে। ইয়াৰ ফলত শক্তি যোগান অধিক নিৰ্ভৰযোগ্য হ'ব আৰু জীৱাশ্ম ইন্ধনৰ ব্যৱহাৰ হ্ৰাস পাব। এই লক্ষ্যত উপনীত হ'বলৈ চৰকাৰে আন্তঃগাঁথনিত বিনিয়োগ কৰিছে আৰু থলুৱা পাৰমাণৱিক প্ৰযুক্তিক প্ৰসাৰিত কৰা আৰু ৰাজহুৱা-ব্যক্তিগত অংশীদাৰিত্বক উৎসাহিত কৰা কৌশলগত নীতি পৰিৱৰ্তন কৰিছে। শক্তি সুৰক্ষা আৰু বহনক্ষমতাৰ বাবে পাৰমাণৱিক শক্তিক অতি প্ৰয়োজনীয় বুলি স্বীকৃতি দি চৰকাৰে বিকশিত ভাৰতৰ বাবে পাৰমাণৱিক শক্তি অভিযান আৰম্ভ কৰিছে। এই অভিযানে ঘৰুৱা পাৰমাণৱিক ক্ষমতা সম্প্ৰসাৰণ, ব্যক্তিগত খণ্ডৰ অংশগ্ৰহণ বৃদ্ধি, আৰু ক্ষুদ্ৰ মডিউলাৰ ৰিয়েক্টৰৰ দৰে উন্নত প্ৰযুক্তিৰ ব্যৱহাৰ ত্বৰান্বিত কৰাত গুৰুত্ব আৰোপ কৰিছে।

২০২৫-২৬ চনৰ কেন্দ্ৰীয় বাজেটত চৰকাৰে ক্ষুদ্ৰ মডিউলাৰ ৰিয়েক্টৰৰ গৱেষণা আৰু বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰি পাৰমাণৱিক শক্তি অভিযান আৰম্ভ কৰাৰ কথা ঘোষণা কৰে।



এই পদক্ষেপৰ বাবে ২০৩৩ চনৰ ভিতৰত কমেও পাঁচটা থলুৱাভাৱে ডিজাইন কৰা আৰু কাৰ্যক্ষম ক্ষুদ্ৰ মডিউলাৰ ৰিয়েক্টৰ গঢ়ি তোলাৰ লক্ষ্যৰে ২০,০০০ কোটি টকাৰ বাজেট আবণ্টন দিয়া হৈছে। এই অভিযানে ২০৪৭ চনৰ ভিতৰত ১০০ গিগাৱাট পাৰমাণৱিক শক্তি ক্ষমতা আহৰণৰ বাবে ভাৰতে স্থিৰ কৰা লক্ষ্যক সামৰি লৈছে, যিটো কাৰ্বন নিৰ্গমন কমোৱা আৰু ভৱিষ্যতৰ শক্তিৰ প্ৰয়োজনীয়তা পূৰণৰ দিশত এক ডাঙৰ পদক্ষেপ। তদুপৰি, এই অভিযান সুচাৰুৰূপে ৰূপায়ণ কৰিবলৈ চৰকাৰে পাৰমাণৱিক শক্তি আইন আৰু পাৰমাণৱিক ক্ষতিৰ বাবে নাগৰিক দায়বদ্ধতা আইন সংশোধনৰ কথা চিন্তা-চৰ্চা কৰিছে। এই পৰিৱৰ্তনে পাৰমাণৱিক শক্তি প্ৰকল্পত ব্যক্তিগত খণ্ডৰ অধিক বিনিয়োগক উৎসাহিত কৰিব বুলিও আশা কৰা হৈছে।

**এই লক্ষ্যসমূহত উপনীত হ'বলৈ ব্যক্তিগত খণ্ডৰ সৈতে অংশীদাৰিত্ব**

- ভাৰতৰ ক্ষুদ্ৰ ৰিয়েক্টৰ স্থাপন
- ভাৰতৰ ক্ষুদ্ৰ মডুলাৰ ৰিয়ে"ৰৰ গৱেষণা আৰু উন্নয়ন।
- পাৰমাণৱিক শক্তিৰ বাবে নতুন প্ৰযুক্তিৰ গৱেষণা আৰু বিকাশ।

পাৰমাণৱিক শক্তি বিভাগ আৰু মহাকাশ বিভাগৰ ৰাজ্যিক মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে কয় যে ড০ হোমী ভাবাই আৰম্ভ কৰা ভাৰতৰ পাৰমাণৱিক শক্তি যাত্ৰাত আসোঁৱাহপূৰ্ণ বিশ্ব নীতি আৰু অহেতুক পাৰমাণৱিক প্ৰসাৰণৰ আশংকাৰ বাবে দেশ-বিদেশ উভয়তে প্ৰায়ে সন্দেহৰ সন্মুখীন হ'বলগীয়া হৈছিল। কিন্তু ২০১৪ চনৰ পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতত এক আমূল পৰিৱৰ্তন দেখা গৈছে, ইয়াৰ পাৰমাণৱিক কাৰ্যসূচীয়ে স্বচ্ছ আৰু বহনক্ষম শক্তি উৎপাদনৰ এক গুৰুত্বপূৰ্ণ অংশ হিচাপে স্বীকৃতি লাভ কৰিছে। ড০ সিঙে আলোকপাত কৰে যে পূৰ্বৰ দৰে শেহতীয়াকৈ ১০০ গিগাৱাটৰ পাৰমাণৱিক লক্ষ্যৰ ঘোষণাই কোনো প্ৰতিৰোধৰ সন্মুখীন হোৱা নাই। ইয়াৰ দ্বাৰা বিশ্ব পাৰমাণৱিক সমুদায়ত ভাৰতৰ ক্ৰমবৰ্ধমান বিশ্বাসযোগ্যতা আৰু পাৰমাণৱিক শক্তি উন্নয়নৰ ক্ষেত্ৰত ইয়াৰ দায়িত্বশীল আৰু স্বচ্ছ দৃষ্টিভংগীৰ স্বীকৃতি প্ৰতিফলিত হৈছে বুলি তেওঁ কয়।

## পাৰমাণৱিক শক্তি খণ্ডত শেহতীয়া উন্নয়ন...

- ভাৰতৰ আটাইতকৈ পুৰণি ইউৰেনিয়াম খনি জাদুগোড়া খনি: বৰ্তমানৰ খনি লীজ এলেকা আৰু ইয়াৰ আশে-পাশে নতুন মজুতৰ এক বৃহৎ ভাণ্ডাৰ আৱিষ্কাৰ কৰা হৈছে, যিয়ে খনিটোৰ আয়ুস ৫০ বছৰতকৈও অধিক বৃদ্ধি কৰিব।
- ৭০০ মেগাৱাটৰ পি এইচ ডব্লিউ আৰৰ প্ৰথম দুটা ইউনিট: ২০২৩-২৪ বিত্তীয় বৰ্ষত বাণিজ্যিক কাৰ্য্যকলাপ আৰম্ভ।
- দেশৰ প্ৰথম প্ৰ'ট'টাইপ ফাষ্ট ব্ৰীডাৰ ৰিয়েক্টৰ (পিএফবিআৰ- ৫০০ মেগাৱাট): ২০২৪ চনত কেইবাটাও মূল লক্ষ্যত উপনীত হৈছে। ইয়াৰ ভিতৰত প্ৰাথমিক ছডিয়াম ভৰোৱা, ভৰোৱা ছডিয়াম বিশুদ্ধ কৰা, চাৰিওটা ছডিয়াম পাম্প (২টা প্ৰাথমিক আৰু ২টা মাধ্যমিক) কাৰ্যক্ষম কৰা আদি অন্তৰ্ভুক্ত।
- এনপিচিআইএল আৰু ৰাষ্ট্ৰীয় তাপ শক্তি নিগম (এনটিপিচি): দেশত পাৰমাণৱিক শক্তিৰ সুবিধাসমূহৰ উন্নয়নৰ বাবে পৰিপূৰক যৌথ উদ্যোগ চুক্তি স্বাক্ষৰ।
- ইয়াৰ ফলত ৪ x ৭০০ মেগাৱাটৰ পি এইচ ডব্লিউ আৰ মাহি-বনশ্বৰা ৰাজস্থান পাৰমাণৱিক শক্তি প্ৰকল্পকে ধৰি পাৰমাণৱিক শক্তি কেন্দ্ৰ নিৰ্মাণ, মালিকীস্বত্ব আৰু পৰিচালনাৰ সূচনা হৈছে।



# নতুন আৰু নবীকৰণযোগ্য শক্তি খণ্ডৰ উল্লেখযোগ্য দিশ

## অভিলেখ পৰিমাণৰ নবীকৰণযোগ্য শক্তিৰ সংযোজন

২০২৫-ৰ ১২ আগষ্টলৈকে **২৩৪.২৪ গিগাৱাট** নবীকৰণযোগ্য শক্তি ক্ষমতা (৮.৭৮ গিগাৱাট পাৰমাণৱিক শক্তিক বাদ দি) আহৰণ কৰা হৈছে,

ভাৰতৰ লক্ষ্য হৈছে ২০৩০-ৰ ভিতৰত **৫০০ গিগাৱাট** অ-জীৱাশ্ম ক্ষমতা আহৰণ

- জলবিদ্যুৎ ক্ষমতাঃ ২০২৫ৰ ১২ আগষ্টলৈকে বৃহৎ জলবিদ্যুৎ ক্ষমতা হৈছে ৪৯.৬২ গিগাৱাট আৰু ক্ষুদ্ৰ জলবিদ্যুৎ ক্ষমতা হৈছে ৫.১০ গিগাৱাট।.
- বায়ু শক্তি ক্ষমতাঃ ২০২৫-ৰ ১২ আগষ্টলৈকে ৫১.৬৭ গিগাৱাট।

## গোলকীয় সামৰ্থ্য

নবীকৰণযোগ্য শক্তি ক্ষমতা আৰু বায়ু শক্তিৰ ক্ষেত্ৰত ভাৰত বিশ্বৰ ভিতৰতে চতুৰ্থ স্থানত আৰু সৌৰশক্তিৰ ক্ষেত্ৰত তৃতীয় স্থানত আছে।



## সৌৰ ক্ষমতা

২০২৫-ৰ ১২ আগষ্টলৈকে ১১৬.২৪ গিগাৱাট হয়। ভাৰতৰ মুঠ নবীকৰণযোগ্য শক্তি ক্ষমতাত কেৱল সৌৰশক্তিয়েই ৪৮% অৰিহণা যোগায়।

## প্ৰধানমন্ত্ৰী-সূৰ্য্য ঘৰ বিনামূলীয়া বিজুলী যোজনা

৭৫,০২১ কোটি টকা ব্যয় সাপেক্ষে এক কোটি পৰিয়ালৰ বাবে ইয়াৰ শুভাৰম্ভ কৰা হৈছিল। ২০২৫-ৰ ১৪ আগষ্টলৈকে ৫৮.৮১ লাখ আবেদন লাভ কৰা হৈছে। এই আঁচনিৰ অধীনত মুঠ ১৭.২৪ লাখ গৃহস্থী উপকৃত হৈছে। ইয়াৰ বাবে ৯,৮৪১.৭৭ কোটি টকাৰ ৰাজসাহায্য মুকলি কৰা হৈছে।

## বাৰ্ষিক পাৰমাণৱিক শক্তি উৎপাদন ৬০% বৃদ্ধি

২০১৪-১৫: **৩৫,৫৯২** নিযুত ইউনিট

২০২৪-২৫: **৫৬,৬৮১** নিযুত ইউনিট

**সংস্থাপিত পাৰমাণৱিক ক্ষমতা**

নিউক্লিয়াৰ পাৱাৰ কৰ্পৰেচন অব ইণ্ডিয়া লিমিটেডে পৰিচালনা কৰা ২৫টা পাৰমাণৱিক ৰিয়েক্টৰত ২০১৪-ত ৪,৭৮০ মেগাৱাটৰ পৰা ২০২৫-ত ৮,৭৮০ মেগাৱাটলৈ ৭১% বৃদ্ধি।

ডাঃ সিঙে কয় যে পূৰ্বৰ বিপৰীতে ১০০ গিগাৱাটৰ পাৰমাণৱিক লক্ষ্য ঘোষণাৰ পৰিপ্ৰেক্ষিতত কোনো ধৰণৰ নেতিবাচক প্ৰভাৱে দেখা দিয়া নাই। যিয়ে বিশ্বৰ পাৰমাণৱিক সমাজত ভাৰতৰ ক্ৰম-বৰ্ধমান বিশ্বাসযোগ্যতাকে প্ৰতিফলিত কৰে আৰু পাৰমাণৱিক শক্তি উন্নয়নৰ ক্ষেত্ৰত ইয়াৰ দায়বদ্ধ তথা স্বচ্ছ দৃষ্টিভংগীকে স্বীকৃতি জনায়।

পাৰমাণৱিক ক্ষমতা বৰ্ধনৰ অৰ্থে পদক্ষেপ...

ক্ৰম-বৰ্ধমান শক্তিৰ চাহিদা পূৰণ আৰু পৰিবেশৰ লক্ষ্যত উপনীত হ'বলৈ ভাৰতে ইয়াৰ পাৰমাণৱিক শক্তি ক্ষমতা সক্ৰিয়ভাৱে বৃদ্ধি কৰি আহিছে। চৰকাৰে ২০৩১-৩২ বৰ্ষৰ ভিতৰত পাৰমাণৱিক শক্তি ক্ষমতা ৮,১৮০ মেগাৱাটৰ পৰা ২২,৪৮০ মেগাৱাটলৈ বৃদ্ধিৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। এই লক্ষ্যত উপনীত হ'বলৈকে গুজৰাট, ৰাজস্থান, তামিলনাডু, হাৰিয়ানা, কৰ্ণাটক আৰু মধ্যপ্ৰদেশত মুঠ ৮,০০০ মেগাৱাটৰ দহটা ৰিয়েক্টৰ স্থাপন আৰু এইসমূহক






> অসামৰিক পাৰমাণৱিক শক্তিয়ে ভৱিষ্যতে নিশ্চিতভাৱে দেশখনৰ উন্নয়নৰ ক্ষেত্ৰত এক উল্লেখযোগ্য বৰঙণি আগবঢ়াব।
>
> **নৰেন্দ্ৰ মোদী**
> প্ৰধানমন্ত্ৰী

কাৰ্য্যক্ষম কৰা হৈছে। ইয়াৰ উপৰিও অন্ধ্ৰপ্ৰদেশৰ শ্ৰীকাকুলাম জিলাৰ ক'ভাদাত যুক্তৰাষ্ট্ৰৰ সহযোগত ছপ্ৰ ১২০৮ মেগাৱাটৰ পাৰমাণৱিক শক্তি প্ৰকল্প স্থাপনৰ বাবে চৰকাৰে নীতিগত অনুমোদন জনাইছে। কেৱল এয়াই নহয়, আন কেতবোৰ ৰিয়েক্টৰৰ কামো আৰম্ভ কৰা হৈছে। ভাৰতৰ পাৰমাণৱিক শক্তি প্ৰকল্পসমূহ কঠোৰ নিৰাপত্তা প্ৰট'কল আৰু আন্তঃৰাষ্ট্ৰীয় নিৰীক্ষণেৰে চালিত হয়। ভাৰতীয় পাৰমাণৱিক প্ৰকল্পসমূহৰ বিকিৰণৰ মাত্ৰা ধাৰাবাহিকভাৱে বৈশ্বিক মানতকৈ বহু নিম্ন হৈ আছে, যি কাৰ্য্যই দেশখনৰ নিৰাপদ আৰু বহনক্ষম পাৰমাণৱিক ক্ষমতাৰ প্ৰতি থকা দায়বদ্ধতাকে প্ৰতিফলিত কৰে। শক্তি খণ্ডত দেশখনক আত্ম-নিৰ্ভৰ কৰি তুলিবলৈ চৰকাৰে কেইবাটা ফলপ্ৰসূ আৰু সুদূৰপ্ৰসাৰী পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ ফলত সৌৰ শক্তি ত্ৰিশগুণ বৃদ্ধি পাইছে। ভাৰতে মিছন গ্ৰীন হাইড্ৰজেনৰ দিশত হাজাৰ-হাজাৰ কোটি টকা বিনিয়োগ কৰিছে। দৰাচলতে ভাৰত ২০৪৭-ৰ ভিতৰত পাৰমাণৱিক শক্তি ক্ষমতা ১০ গুণৰো অধিক বৃদ্ধিৰ সংকল্পেৰে আগবাঢ়িছে। ভাৰত চৰকাৰৰ নীতিৰ ফলত দেশখন ২০২৫-তে ৫০% স্বচ্ছ শক্তিৰ লক্ষ্যত উপনীত হৈছে। ২০৩০-ত নিৰ্ধাৰিত লক্ষ্যতকৈ পাঁচ বছৰ পূৰ্বেই ইয়াত উপনীত হৈছে।●



বিঠলভাই পেটেল কেন্দ্ৰীয় সভাৰ প্ৰথমগৰাকী নিৰ্বাচিত ভাৰতীয় অধ্যক্ষ হোৱাৰ ১০০ বছৰ

# সদন হৈছে গণতন্ত্ৰৰ চালিকাশক্তি

য'ত সুস্থ পৰম্পৰা প্ৰতিষ্ঠা হয়, দেশৰ মংগলৰ বাবে নীতি প্ৰণয়ন কৰা হয়, আইন প্ৰণয়ন কৰা হয় আৰু দেশখনৰ দিশ স্বাভাৱিকতে স্পষ্ট হয়, ঘৰখনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই ক্ষেত্ৰত সদনৰ অধ্যক্ষগৰাকীৰ ভূমিকা অতিশয় গুৰুত্বপূৰ্ণ। অধ্যক্ষৰ মৰ্য্যাদা নিৰপেক্ষতা আৰু ন্যায়ৰ স্তমভৰ ওপৰত নিৰ্ভৰশীল। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে বিঠলভাই পেটেল কেন্দ্ৰীয় সভাৰ প্ৰথমগৰাকী নিৰ্বাচিত ভাৰতীয় অধ্যক্ষ হিচাপে অধিষ্ঠিত হোৱাৰ ১০০ বছৰ পূৰ্তি উপলক্ষে দিল্লী বিধানসভাত আয়োজিত দুদিনীয়া সৰ্বভাৰতীয় বিধানসভাৰ অধ্যক্ষৰ সন্মিলন উদ্বোধন কৰে...

বিঠলভাই পেটেলৰ কাৰ্য্যকালত কেন্দ্ৰ আৰু সকলো ৰাজ্যতে বিধায়িনী বিভাগ আৰু বিধানসভা সচিবালয় স্থাপন কৰা হৈছিল। সেই সময়ত বিঠলভায়ে কৈছিল যে নিৰ্বাচিত চৰকাৰৰ নিয়ন্ত্ৰণত কোনো বিধানসভাই কাম কৰিব নোৱাৰে। বিধানসভাৰ ভিতৰত অৰ্থৱহ বিতৰ্ক নিশ্চিত কৰিবলৈ ই স্বাধীন হৈ থাকিব লাগিব। তেওঁৰ এই মন্তব্যক স্মৰণেৰে কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে ২৪ আগষ্টত অনুষ্ঠিত সন্মিলনত কয় যে এয়া আমাৰ সকলোৰে বাবে এক গুৰুত্বপূৰ্ণ অনুষ্ঠান। আমি বিধানসভাৰ অধ্যক্ষ পদৰ মৰ্য্যাদা বৃদ্ধিৰ বাবে কাম কৰা উচিত। আমি আমাৰ ৰাজ্যসমূহৰ জনসাধাৰণৰ কণ্ঠ সবলীকৰণৰ বাবে এখন নিৰপেক্ষ মঞ্চ স্থাপন কৰা উচিত। শাসকীয় আৰু বিৰোধী দলৰ দ্বাৰা ন্যায্য বিতৰ্ক নিশ্চিত কৰিব লাগে। লগতে সদনৰ কাৰ্য্যবিধি বিধানসভা, লোকসভা আৰু ৰাজ্যসভাৰ নীতি-নিয়ম অনুসৰি সম্পন্ন হোৱাটো নিশ্চিত কৰিব লাগে। গভীৰ চিন্তা-চৰ্চাই হৈছে গণতন্ত্ৰত জনসাধাৰণৰ সমস্যাৰাজি সমাধানৰ সৰ্বোত্তম উপায়। বিধানসভাসমূহে স্বকীয় মৰ্য্যাদা হেৰুৱালে আমি অতি বেয়া পৰিণতি ভোগ কৰিবলগীয়া হয়। বিধানসভাৰ মৰ্যাদা এনেকুৱা হ'ব লাগে যে যাতে ই দেশৰ মংগলৰ বাবে ৰাইজৰ কণ্ঠ প্ৰকাশৰ মাধ্যম হয়।



## গণতন্ত্ৰক সুদৃঢ়কৰণ

- ১৯২৫-ৰ আগষ্টত মহান স্বাধীনতা সংগ্ৰামী বিঠলভাই পেটেল কেন্দ্ৰীয় বিধানসভাৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত হোৱাৰ লগে-লগে ভাৰতীয়ৰ বিধায়িনী ইতিহাসৰ সূচনা ঘটিছিল।
- বিঠলভাই পেটেলে ভাৰতীয় ধাৰণাৰ ওপৰত ভিত্তি কৰি গণতান্ত্ৰিকভাৱে দেশ পৰিচালনাৰ ভেটি স্থাপন কৰিছিল।
- বিঠলভাই পেটেলে কেন্দ্ৰীয় চৰকাৰ আৰু সকলো ৰাজ্যতে বিধায়িনী বিভাগ আৰু বিধানসভা সচিবালয় স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল আৰু সংবিধান সভায়ো এই প্ৰস্তাৱ গৃহীত কৰিছিল।
- বিঠলভাই পেটেলে ভালেমান পৰম্পৰা প্ৰতিষ্ঠা কৰিছিল। বিশেষকৈ বিধায়িনী কাম-কাজ আৰু অধ্যক্ষৰ কৰ্তব্যসূচক সেই পৰম্পৰাৰাজিয়ে এতিয়াও এটি উজ্জ্বল চাকিৰ দৰে পথ-প্ৰদৰ্শন কৰি আছে।
- বিঠলভাই পেটেল বহুবাৰ বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল যদিও তেওঁ সেইসমূহ অতিক্ৰম কৰিছিল।
- তেওঁ বিধানসভাৰ অধ্যক্ষৰ মৰ্যাদা লাঘৱ আৰু সদনত দেশৰ কণ্ঠ ৰোধ হ'বলৈ নিদিছিল। লগতে তেওঁ বিধানসভাৰ কাম-কাজত তেতিয়াৰ ব্ৰিটিছৰ মানসিকতাৰ আধিপত্য বিস্তাৰ হ'বলৈ দিয়া নাছিল।

“

বিঠলভাই পেটেলে বিধায়িনী পৰম্পৰাৰ ভেটি স্থাপনেৰে ভাৰতীয় গণতন্ত্ৰক সুদৃঢ় কৰি তুলিছিল। বিধানসভাৰ অধ্যক্ষ হৈ থকাৰ সময়ছোৱাত তেওঁ কেৱল সদনৰ মৰ্যাদা অক্ষুণ্ন ৰখাই নহয়, বৰঞ্চ প্ৰতিজন সদস্যকে বাক-স্বাধীনতা প্ৰদানেৰে গণতান্ত্ৰিক প্ৰমূল্যবোধৰ দৃষ্টান্তও দাঙি ধৰিছিল। এগৰাকী অধ্যক্ষ হিচাপে তেওঁ বিধানসভাৰ সকলো অধ্যক্ষৰ বাবে প্ৰেৰণাৰ উৎস। আজি প্ৰতিজন অধ্যক্ষৰে কৰ্তব্য হৈছে দেশৰ প্ৰতিটো শ্ৰেণীৰ জনসাধাৰণৰে স্বাৰ্থক সুৰক্ষিত কৰা ন্যায্য, ইতিবাচক আৰু গঠনমূলক বিতৰ্কক প্ৰসাৰিত কৰা।

**অমিত শ্বাহ**
কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী

### পূৰ্বে দিল্লী বিধানসভা চৌহদৰ পৰাই কেন্দ্ৰীয় বিধানসভাৰ কাম-কাজ অব্যাহত আছিল

১৯১৯-ৰ আইন অনুসৰি অৰ্থাৎ ব্ৰিটিছ শাসনৰ সময়ছোৱাত বিধানসভা (নিম্ন সদন) আৰু ৰাজ্য পৰিষদ (উচ্চ সদন)-ৰ সৃষ্টিৰ লগে-লগে কেন্দ্ৰীয় বিধানসভাখন দ্বিসদনীয় ব্যৱস্থালৈ সম্প্ৰসাৰিত হৈছিল। নিম্ন সদন আছিল ১৪৪জন সদস্যৰে কেন্দ্ৰীয় বিধানসভা, ইয়াৰে ১০৪ জনক নিৰ্বাচিত আৰু ৪০ জনক মনোনীত কৰা হৈছিল। পূৰ্বে বৰ্তমানৰ দিল্লী বিধানসভা ভৱনৰ পৰাই ইয়াৰ কাম-কাজ সম্পন্ন হৈছিল। ১৯২৫-ৰ আগষ্টত মহান স্বাধীনতা সংগ্ৰামী বিঠলভাই পেটেল কেন্দ্ৰীয় বিধানসভাৰ প্ৰথমগৰাকী ভাৰতীয় অধ্যক্ষ হিচাপে নিৰ্বাচিত হৈছিল। স্বাধীনতা আন্দোলনৰ বিশিষ্ট ব্যক্তিসকলে ৰাষ্ট্ৰখনৰ স্বাধীনতাৰ আকাংক্ষাক দৃঢ় কৰি তুলিছিল আৰু তেওঁলোকৰ বিধায়িনী কাৰ্য্যই জনসাধাৰণৰ ইচ্ছাকে প্ৰতিনিধিত্ব কৰিছিল। ১৯৪৭-ৰ ১৪ আগষ্টত কেন্দ্ৰীয় বিধানসভা আৰু ৰাষ্ট্ৰ পৰিষদৰ অস্তিত্বৰ অৱসান ঘটে।

ভাৰতত অধ্যক্ষক প্ৰতিষ্ঠানৰ মৰ্য্যাদা প্ৰদান কৰা হৈছে। সদনত অধ্যক্ষজনে অতিশয় গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। অধ্যক্ষ এজনক ৰাজনৈতিক দলৰ পৰাই নিৰ্বাচিত কৰা হয় যদিও শপত গ্ৰহণৰ লগে-লগে তেওঁ নিৰপেক্ষ আম্পায়াৰৰ ভূমিকা গ্ৰহণ কৰে। যোৱা ৮০ বছৰত আমি গণতন্ত্ৰৰ ভেটিসমূহ সু-গভীৰ কৰি তুলিছোঁ, ইয়াৰ জৰিয়তে গণতন্ত্ৰ যে ভাৰতীয় জনসাধাৰণৰ সত্তা আৰু স্বভাৱৰে বদ্ধমূল, সেই কথা প্ৰমাণিত কৰিছোঁ। কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰীগৰাকীয়ে কয় যে স্বাধীনতাৰ পিছত ভাৰতত ক্ষমতাৰ বহু পৰিৱৰ্তন হৈছে আৰু এটোপালো ৰক্ত-ক্ষৰণ নোহোৱাকৈ শান্তিপূৰ্ণভাৱে ক্ষমতাৰ হস্তান্তৰ কৰা হৈছে। ইয়াৰ মূল কাৰণটো হ'ল আমি আমাৰ বিধান প্ৰক্ৰিয়াটোক অতিশয় ভালদৰে সংৰক্ষণ কৰি ৰাখিছোঁ আৰু সময়ৰ লগে-লগে আমাৰ ব্যৱস্থাটোৰ পৰিৱৰ্তন সাধনো কৰিছোঁ।

কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে কয় যে সংসদ আৰু বিধানসভাৰ কৰিড'ৰত অৰ্থপূৰ্ণ বিতৰ্ক নহ'লে সেয়া কেৱল প্ৰাণহীন অট্টালিকা হৈয়েই থাকিব। সংসদ আৰু বিধানসভাক ৰাজনৈতিক স্বাৰ্থৰ বাবে কাম কৰাত বাধা প্ৰদান কৰাটো কোনো বিতৰ্ক নহয়। আমি প্ৰতিবাদক সংযত কৰিব লাগে। প্ৰতীকী প্ৰতিবাদৰ বাবে ঠাই আছে, কিন্তু প্ৰতিবাদৰ অজুহাতত দিনক-দিনে, সমগ্ৰ অধিবেশনকালত সদনৰ কাম-কাজত বাধা দিয়াৰ উদীয়মান পৰম্পৰাৰ বিষয়টো জনসাধাৰণ আৰু নিৰ্বাচিত প্ৰতিনিধিসকলে চিন্তা-চৰ্চা কৰাৰ প্ৰয়োজন। .

# বিহাৰৰ ৰাজনীতিৰ পথিকৃৎ



জন্মঃ ২১ ছেপ্টেম্বৰ, ১৯১৪
মৃত্যুঃ ৯ ছেপ্টেম্বৰ, ১৯৮৪

সত্য, আনুগত্য, সৰলতা আৰু ত্যাগৰ প্ৰতীক ভোলা পাছোৱান শাস্ত্ৰীৰ উত্তৰাধিকাৰ আজিও প্ৰাসংগিক। এটি দৰিদ্ৰ পৰিয়ালত জন্মগ্ৰহণ কৰা শাস্ত্ৰীক 'বিহাৰৰ ৰাজনীতিৰ বিদেহ' বুলিও কোৱা হয়। তেওঁ এক সাধাৰণ পটভূমিৰ পৰা আহিও শিখৰত আৰোহণ কৰিছিল। তেওঁ সংস্কৃতক উচ্চ শ্ৰেণীৰ ভাষা বুলি গণ্য কৰাৰ সময়তো এই ভাষা অধ্যয়ন কৰিছিল। স্বাধীনতা আন্দোলনৰ সময়ত কাৰাৰুদ্ধ হ'বলগীয়া হোৱা শাস্ত্ৰী তিনিবাৰকৈ ৰাজ্যখনৰ মুখ্যমন্ত্ৰী আছিল যদিও তেওঁ ওৰেটো জীৱন দৰিদ্ৰতাৰ মাজত কটাবলীয়া হৈছিল। কেতিয়াও তেওঁৰ সততাত দাগ লগা নাছিল...

সৰলতা আৰু সততাৰ প্ৰতীক হিচাপে পৰিগণিত হোৱা বিহাৰৰ ভূমি পুত্ৰ ভোলা পাছোৱান শাস্ত্ৰী আছিল ৰাজ্যখনৰ প্ৰথমগৰাকী দলিত মুখ্যমন্ত্ৰী। কৃষক আৰু শ্ৰমিকসকলৰ কল্যাণ সাধনৰ বাবে নিজৰ জীৱন উৎসৰ্গা কৰা ভোলা পাছোৱান শাস্ত্ৰী ইমানেই সৰল আছিল যে মন্ত্ৰী আৰু মুখ্যমন্ত্ৰী হৈ থকাৰ সময়তো তেওঁ প্ৰায়েই গছৰ তলত বহি আৰামত কাম কৰিছিল। লগতে কোৱা হয় যে তেওঁ মাটিত পাৰি দিয়া কাপোৰ এখনতো বহিবলৈ কুণ্ঠাবোধ কৰা নাছিল আৰু তেনেকৈয়ে বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হৈ বিষয়বোৰ নিজেই নিষ্পত্তি কৰিছিল। তেওঁ সাংসাৰিক জীৱন পৰিহাৰেৰে দেশ আৰু সমাজৰ প্ৰতি দায়বদ্ধ আছিল।

দেশখন ব্ৰিটিছৰ শাসনৰ অধীনত আৰু দেশবাসীয়ে স্বাধীনতাৰ বাবে হাহাকাৰ কৰি থকাৰ সময়তে পূৰ্ণিয়া জিলাৰ বৈৰগাছিত জন্মগ্ৰহণ কৰা ভোলা পাছোৱান শাস্ত্ৰীয়ে জাতিৰ পিতা মহাত্মা গান্ধীৰ দ্বাৰা প্ৰভাৱিত হৈ স্বাধীনতা আন্দোলনত জঁপিয়াই পৰিছিল। কঠোৰ পৰিশ্ৰম আৰু নিষ্ঠাৰে তেওঁ বাৰাণসীলৈ গৈ সংস্কৃত অধ্যয়নেৰে শাস্ত্ৰী ডিগ্ৰী লাভ কৰিছিল আৰু তেতিয়াৰ পৰাই তেওঁৰ নামৰ পিছত শাস্ত্ৰী উপাধিৰ সংযোজন হৈছিল। তেওঁ বৌদ্ধিকভাৱে অতিশয় সমৃদ্ধ আছিল আৰু তেওঁৰ পাণ্ডিত্যই সকলোকে আপুত কৰিছিল। পিছলৈ তেওঁ ডঃ ভীমৰাও আম্বেদকাৰৰ চিন্তাৰ দ্বাৰা প্ৰভাৱিত হৈছিল।

ভোলা পাছোৱান শাস্ত্ৰী ১৯৬৮-ত পোন-প্ৰথমবাৰৰ বাবে বিহাৰৰ মুখ্যমন্ত্ৰী পদত অধিষ্ঠিত হৈছিল। অৱশ্যে তেওঁ মাত্ৰ তিনিমাহহে এই পদত কাৰ্য্যনিৰ্বাহ কৰিছিল। তেওঁ ১৯৬৯-ত ১৩ দিন আৰু ১৯৭১-ত ৭ মাহৰ বাবে পুনৰ মুখ্যমন্ত্ৰী হৈছিল। ৰাজ্যৰ ৰাজনীতিৰ সমান্তৰালকৈ কেন্দ্ৰীয় ৰাজনীতিতো তেওঁ সক্ৰিয় হৈ পৰিছিল। ভিন্ন পদত অধিষ্ঠিত হৈয়ো তেওঁ মাত্ৰ দৰমহাটোহে গ্ৰহণ কৰিছিল। তেওঁৰ নিজাকৈ বিলাসী বাংলো নাছিল, নিজা গাড়ীও নাছিল। শৈশৱৰ পৰা অন্তিম সময়লৈকে তেওঁ এটা জুপুৰিতে জীৱনটো অতিবাহিত কৰিছিল। ১৯৮৪-ৰ ৯ ছেপ্টেম্বৰত তেওঁৰ দেহাৱসান ঘটিছিল আৰু সেই সময়ত শ্ৰাদ্ধ পাতিবলৈয়ো তেওঁৰ পৰিয়ালৰ ধনৰ অভাৱ হৈছিল।

২০১৪-ৰ ১০ মাৰ্চত পূৰ্ণিয়াত আয়োজিত এখন সভাত গুজৰাটৰ মুখ্যমন্ত্ৰী হিচাপে এতিয়াৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভোলা পাছোৱান শাস্ত্ৰীক স্মৰণেৰে তেওঁক শ্ৰদ্ধাঞ্জলি জনাইছিল। একেদৰে ২০২২-ৰ ২৩ ছেপ্টেম্বৰত বিহাৰৰ পূৰ্ণিয়াতে জনভাবনা মহাসভাত ভাষণ প্ৰদানৰ প্ৰাক্‌মুহূৰ্তত কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে ভোলা পাছোৱান শাস্ত্ৰীক স্মৰণ কৰিছিল। তেতিয়া তেওঁ কৈছিল যে এই পূৰ্ণিয়া জিলায়েই বিহাৰৰ প্ৰথমগৰাকী দলিত মুখ্যমন্ত্ৰী ভোলা পাছোৱান শাস্ত্ৰীক জন্ম দিছিল।



PMO India
@PMOIndia

त्योहारों में हम जो भी खरीदारी करें, जो भी गिफ्ट दें...घर की साज-सज्जा के लिए जो भी सामान लाएं...वो मेड इन इंडिया हो।






Rajnath Singh
@rajnathsingh

This fusion of technology and surprise is making warfare more complex and unpredictable than ever before. That is why we must not only master existing technologies but also ensure that we are constantly prepared for new innovations and unforeseen challenges.



Amit Shah
@AmitShah

मोदी जी ने 130वें संविधान संशोधन बिल में CM और मंत्रियों के साथ प्रधानमंत्री भी हो, यह खुद से डलवाया है।

एक CM जेल में रहे और सचिव, DGP, चीफ सेक्रेटरी आदेश लेने जेल जाए, यह हमारे लोकतंत्र को शोभा नहीं देता।

जब संविधान बना था, तब संविधान निर्माताओं ने इस निर्लज्जता की कभी कल्पना भी नहीं की थी कि भविष्य में ऐसे नेता भी आएँगे, जो जेल में रहकर सरकार चलाएँगे।



Nitin Gadkari
@nitin_gadkari

11 years ago, Hon'ble PM Shri @narendramodi Ji sowed the seed of financial empowerment through Jan Dhan Yojana. Today, with 56+ crore accounts, women leading the way, and villages linked to the nation's economic pulse, PMJDY is more than banking—it is trust in action, dignity in every wallet, and empowerment in every household. A vision that once began as inclusion, now shines as India's financial revolution.

#11YearsOfJanDhan



Jagat Prakash Nadda
@JPNadda

आदरणीय प्रधानमंत्री श्री @narendramodi जी के नेतृत्व में नई हेल्थ पॉलिसी बनी, जो holistic health policy है।

इस health policy में हम लोगों ने पहली बार जोर दिया कि इसमें prevention होना चाहिए, preventive, promotive और curative etc. हेल्थकेयर होना चाहिए। यानी, पहले तो व्यक्ति बीमार ही न हो, इसकी हमें चिंता करनी है।



Dr Jitendra Singh
@DrJitendraSingh

#ISRO successfully conducts the first Integrated Air Drop Test (IADT-01), showcasing the parachute-based deceleration system for #Gaganyaan.

A proud joint effort of ISRO, IAF, DRDO, Indian Navy & Coast Guard.

# India, China committed to fair resolution of border issue: Modi

After PM meets the Chinese President, MEA says ready for 'reasonable and mutually acceptable' solution on border; Xi says border issues should not define overall relations; Foreign Secretary says India, China economies can stabilise world trade

Vighnesh P. Venkitesh
TIANJIN

Prime Minister Narendra Modi, at his meeting with Chinese President Xi Jinping on Sunday, underlined the importance of peace and tranquillity on the India-China border for continued development of bilateral relations.

Meeting on the sidelines of the Shanghai Cooperation Organisation summit in the northern Chinese city of Tianjin, the two leaders agreed on the need to strengthen people-to-people ties through direct flights and visa facilitation, building on the resumption of the Kailash Mansarovar Yatra and tourist visas, amid an improving relationship between the neighbours. Mr. Xi said the border issue should not define overall relations.



**Improved ties:** Prime Minister Narendra Modi with Chinese President Xi Jinping during a meeting on the sidelines of the Shanghai Cooperation Organisation summit in the Chinese city of Tianjin. PMO

"The two leaders noted with satisfaction the successful disengagement last year and the maintenance of peace and tranquillity along the border areas since then. They expressed commitment to a fair, reasonable, and mutually acceptable resolution of the boundary question," the Ministry of External Affairs said in a statement following the meeting.

Mr. Modi called for mutual support in combating terrorism, Foreign Secretary Vikram Misri said at a press briefing on Sunday night.

CONTINUED ON
» PAGE 10

# Indians must follow 'vocal for local' mantra, says PM

In his monthly broadcast *Mann Ki Baat*, Modi calls for a self-reliant India, amid trade turmoil due to the U.S. tariffs; expresses anguish at the havoc caused by natural disasters in the country

The Hindu Bureau
NEW DELHI

Prime Minister Narendra Modi on Sunday urged Indians to take pride in "swadeshi (made in India)" products as the festival season approaches. In his monthly radio address *Mann Ki Baat*, he stressed that India should follow one mantra, "Vocal for Local"; one path, "Atmanirbhar Bharat (self-reliant India)"; and one goal, "developed India".



Say with pride, this is swadeshi... the only mantra is vocal for local, the only path is Aatmanirbhar Bharat, the only goal is developed India

NARENDRA MODI
Prime Minister

Everything that is needed in life should be swadeshi, he said, reiterating his recent appeal for the country to become self-reliant after U.S. President Donald Trump imposed a 50% tariff on Indian goods.

As different parts of the country celebrate Ganesh Chathurthi, and as Durga Puja and Deepavali approach, he said that people should not forget about swadeshi products during the festivals, while purchasing gifts, clothes, or decor items.

"Say with pride, 'This is swadeshi'," he said, repeating the phrase thrice. "The only mantra is vocal for local, the only path is Aatmanirbhar Bharat, the only goal is developed India," he said in the concluding remarks of his monthly broadcast.

He also expressed his anguish at the havoc that natural disasters had wreaked during the rainy season. "This monsoon season, natural disasters are testing the country," Mr. Modi said.

"At places, homes were destroyed; at others, fields were submerged; families were ruined in large numbers. Elsewhere, bridges were swept away by gushing water; roads were washed away; people's lives were enmeshed in danger. These incidents have saddened every Indian," he said.

The Prime Minister added that national and State emergency forces had toiled day and night to help people. Modern technology and resources, such as thermal cameras, life detectors, sniffer dogs and drone surveillance, have been deployed in rescue and relief efforts, he said, adding that security forces, local populations, social workers, doctors, and the administration had made every possible effort in this hour of crisis.

**J&K sports events**

He highlighted two major events in Jammu and Kashmir amid the devastating natural calamity – the first day-night cricket match in Pulwama and a water sports festival in Srinagar.

"Not many people noticed these. But you will be happy to know about those achievements. A record number of people gathered in a stadium in Pulwama... Pulwama's first day-night cricket match was played here. Earlier this was impossible, but now my country is changing," he said. "The second event that caught attention was the country's first 'Khelo India Water Sports Festival', and that too held at Dal Lake in Srinagar. Truly, what a special place to host a festival like this." Speaking to Mohsin Ali, who is from Jammu and Kashmir and won a gold medal, he said the youth of the region can bring glory to the country as they have so much potential.

Mr. Modi said love for the Ramayana and Indian culture was now reaching every corner of the world, noting that a 51-foot statue of Lord Ram was unveiled at Mississauga in Canada earlier this month.

A unique exhibition was held in Vladivostok, a very cold region of Russia, this month, in which paintings made by Russian children on different themes of the Ramayana were showcased. "It is indeed heartening to see the growing awareness of Indian culture in different parts of the world," Mr. Modi said.

# PMJDY hits 560 mn accounts, ₹2.68 lakh cr deposits in 11 yrs

Rajeev Jayaswal
letters@hindustantimes.com

**NEW DELHI:** Prime Minister Narendra Modi on Thursday said the Pradhan Mantri Jan Dhan Yojana (PMJDY) has enhanced dignity and empowered underserved citizens as the world's biggest financial inclusion scheme achieved over 560 million bank accounts in the last 11 years with deposits exceeding ₹2.68 lakh crore.



**Prime Minister Narendra Modi.** PTI

"When the last mile is financially connected, the entire nation moves forward together. That is exactly what the PM Jan Dhan Yojana achieved. It enhanced dignity and gave people the power to script their own destiny," he said in a post on X as the central scheme completes 11 years. PMJDY was launched by Modi on August 28, 2014.

PMJDY ensures that every unbanked adult has access to a basic bank account with zero balance requirements and no maintenance charges. Each account comes with a free RuPay debit card, offering an accident insurance cover of ₹2 lakh, encouraging digital transactions and financial security. Account holders are also eligible for an overdraft facility of up to ₹10,000, providing a safety net during emergencies. According to government data, the average deposit per PMJDY account is ₹4,768 as on August 13.

On this occasion, Union finance minister Nirmala Sitharaman called it a key driver of economic growth and development. "Universal access to bank accounts enables the poor and marginalised to participate fully in the formal economy and benefit from its opportunities," she said in a statement.

"PMJDY has been one of t[he] major channels for deliveri[ng] benefits under various schem[es] using Direct Benefit Transf[er] (DBT), providing credit faciliti[es,] social security, and enhanci[ng] savings and investments," s[he] said. More than 380 million fr[ee-]of-cost RuPay cards have be[en] issued, facilitating digital tra[ns]actions, she added.

It is noteworthy that und[er] PMJDY, 67% of the accounts a[re] opened in rural or semi-urb[an] areas, and 56% of the accou[nts] are opened by women, indic[at]ing how underprivileged indiv[id]uals living in far-flung areas [of] the country have been broug[ht] into the formal financial sect[or,] the FM said. PMJDY accou[nts] have no restriction of balanc[e] or amount of transactions if fu[lly] KYC compliant. It is a Basic Sa[v]ings Bank Deposit Accou[nt] (BSBD) account and provid[es] free of cost facilities for t[he] deposit of cash at bank branch[es] as well as ATMs, receipt a[nd] credit of money through a[n] electronic channel or by mea[ns] of deposit and collection [of] cheques drawn by governme[nt] agencies and departments.

WAYS TO BALANCE BILATERAL TRADE DISCUSSED

# We're partners, not rivals, say Modi, Xi

SHUBHAJIT ROY
Tianjin, August 31

**UNDERLINING THE MOVE** to repair India-China bilateral ties — after a five-year military standoff along the Line of Actual Control (LAC) in eastern Ladakh — Prime Minister Narendra Modi and Chinese President Xi Jinping emphasised on Sunday that the two countries were "partners, not rivals". While they agreed on a "fair, reasonable and mutually acceptable resolution" of the border issue, they flagged the importance of a multipolar world and "role of their two economies to stabilise world trade".

The meeting — their second in the last 10 months — comes in the backdrop of the deepening trust deficit between India and the United States over the 50% tariffs imposed by the Donald Trump administration. Significantly, the Ministry of External Affairs (MEA) statement said Modi noted that "India and China both pursue strategic autonomy, and their relations should not be seen through a third country lens."

Xi said the two countries should strengthen "multilateral cooperation to safeguard common interests", and should "not let the border issue define the overall China-India relationship", according



Prime Minister Narendra Modi with Russian President Vladimi[r] Putin (centre) and Chinese President Xi Jinping at the SCO Summit in Tianjin on Sunday X/RUSSIAN...

The bilateral meeting, on the sidelines of the Shanghai Cooperation Organisation (SCO) Summit here, lasted for about an hour. This is Modi's

the sidelines of the BRICS lea[d]ers' summit in Russia's Kaz[an] last October, when their tal[ks] resulted in disengagement [of] troops from two key fricti[on] points in eastern Ladakh.

"Last year in Kazan, we h[ad] very productive discussio[ns] which gave a positive directi[on] to our relations," Modi told [Xi] on Sunday. "After the dise[n]gagement at the border, [an] atmosphere of peace and st[a]bility is now in place," he sai[d].

# India, Japan talk semiconductors

Japanese chip makers plan to tie up with India

PRESS TRUST OF INDIA
Tokyo, August 30

**PRIME MINISTER NARENDRA** Modi on Saturday visited a semiconductor plant at Sendai in the Japanese prefecture of Miyagi, a day after New Delhi and Tokyo resolved to deepen cooperation in the critical technology sector.

Modi, accompanied by his Japanese counterpart Shigeru Ishiba, travelled in a bullet train to Sendai, situated at a distance of over 300 km from Tokyo. Prime Minister Ishiba hosted a lunch in honour of Modi in Sendai that was joined by the governor of Miyagi prefecture and other dignitaries. PM Modi's visit to the Tokyo Electron Miyagi Ltd (TEL Miyagi) in Sendai highlighted the complementarity between India's growing semiconductor manufacturing ecosystem and Japan's strengths in the sector, an Indian readout said.

TEL Miyagi, a leading Japanese company in the semiconductor sector, has plans for collaborations with India. Modi was briefed about TEL's role in the global semiconductor value chain, its advanced manufacturing capabilities and its ongoing and planned collaborations





Prime Minister Narendra Modi and Japanese Prime Minister Shigeru Ishiba at a semiconductor plant (top); they travel on board a bullet train (above) on Saturday PTI

semiconductor supply chain partnership as well as ongoing partnerships under the India–Japan Industrial Competitiveness Partnership and Economic Security Dialogue," it said. It said the joint visit by Modi and Ishiba to the facility also underscored the shared vision of India and Japan to develop robust, resilient and trusted semiconductor supply chains.

"Prime Minister Modi conveyed his appreciation to Prime Minister Ishiba for joining him in this visit and reaffirmed India's readiness to work closely with Japan in this strategic domain," the MEA said. On Saturday, Modi met governors of 16 Japanese

# Japan vows $68bn investment as PM, Ishiba chart future path

Rezaul H Laskar
letters@hindustantimes.com

**NEW DELHI:** Japan on Friday set a target of 10 trillion yen ($68 billion) in private investments in India over a decade as Prime Minister Narendra Modi and his counterpart Shigeru Ishiba finalised a 10-year roadmap to deepen economic cooperation in vital areas such as technology, digitalisation and rare earths against the backdrop of uncertainty created by the trade policies of the US administration.

Modi and Ishiba launched an Economic Security Initiative at their annual bilateral summit in Tokyo to ensure supply chain resilience in strategic sectors such as semiconductors, telecom, pharmaceuticals and emerging technologies, and also



# মেদবহুলতাৰ পৰা মুক্তি
## লালকিল্লাৰ পৰা এটি আহ্বান

মেদবহুলতা এক গুৰুতৰ সমস্যা আৰু ই নানা ৰোগৰ কাৰক। ইয়াৰ পৰিপ্ৰেক্ষিতত দেশৰ জনতাক নিজৰেই পৰিয়াল বুলি ভবা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লালকিল্লাৰ প্ৰাচীৰৰ পৰা উক্ত ক্ৰম-বৰ্ধমান সমস্যাটোৰ পৰা মুক্তি লাভৰ আহ্বান জনায়। স্বচ্ছতা, আত্মনিৰ্ভৰ ভাৰতৰ দৰে আহ্বানেৰে দেশখনত এক নতুন সজাগতাৰ সৃষ্টি কৰা প্ৰধানমন্ত্ৰী মোদীয়ে এতিয়া এখোজ আগুৱাই গৈ দেশৰ প্ৰতিটো পৰিয়ালে খাদ্যত মিঠাতেলৰ ব্যৱহাৰ ১০% হ্ৰাসৰ পোষকতা কৰিছে। এই আহ্বান ৰাষ্ট্ৰখনৰ বাবে এক গুৰুত্বপূৰ্ণ পদক্ষেপ, কাৰণ এখন সুস্থ ভাৰত হৈছে এখনি বিকশিত ভাৰতৰ আধাৰ...



- গৱেষণা অনুসৰি আজি প্ৰতি আঠজনৰ ভিতৰত এজন লোক মেদবহুলতাত আক্ৰান্ত হয়, একেদৰে আগন্তুক বছৰ সমূহত প্ৰতি তৃতীয়জন ব্যক্তি মেদবহুলতাত আক্ৰান্ত হ'ব।
- ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য সমীক্ষা-৫ ৰ প্ৰাক্কলন অনুসৰি ২৪% মহিলা আৰু ২৩% পুৰুষৰ ওজন বেছি বা তেওঁলোক মেদবহুল।.
- বিশ্ব স্বাস্থ্য সংস্থাৰ (WHO) তথ্য অনুসৰি, ২০২২-ত সমগ্ৰ বিশ্বৰ প্ৰায় ২৫০ কোটি লোকৰ অতিৰিক্ত ওজন আছিল, অৰ্থাৎ তেওঁলোকৰ ওজন প্ৰয়োজনতকৈ অধিক আছিল।



"আমি আমাৰ সম্ভাৱনা বৃদ্ধি কৰিব বিচাৰিলে প্ৰথমে আমাৰ ফিটনেছ আৰু সুস্থতাত গুৰুত্ব প্ৰদান কৰিব লাগিব। ফিটনেছ অক্ষুণ্ণ ৰখা আৰু ওজন কমাবলৈ মোৰ এটা পৰামৰ্শৰ কথা আপোনালোকৰ মনত আছে নে? খাদ্যত মিঠাতেল ১০% হ্ৰাস কৰিব আৰু ওজন কমাব। আপোনালোক ফিট হৈ উঠা মাত্ৰকে আপোনালোকৰ জীৱন ছুপাৰ হিট হৈ পৰিব।

নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী

নিউ ইণ্ডিয়া সমাচাৰ পষেকীয়া

**RNI No. : DELASS/2020/78827, September 16-30, 2025**

RNI Registered No DELASS/2020/78827, Delhi Postal License No DL(S)-1/3547/2023-25, WPP NO U(S)-95/2023-25, posting at BPC, Market Road, New Delhi-110001 on 13-17 advance Fortnightly (Publishing September 2, 2025, Pages-52)

**Editor in Chief**
**Dhirendra Ojha**
Principal Director General,
Press Information Bureau, New Delhi

**Published & Printed by:**
**Kanchan Prasad,**
Director General, on behalf of
**Central Bureau Of Communication**

**Published from:**
**Room No–278, Central Bureau Of Communication, 2nd Floor, Soochna Bhawan, New Delhi -110003**

**Printed at**
Chandu Press, 469, Patparganj Industrial Estate, Delhi 110 092

Assamese